Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

THURSDAY, MAY 22, 2025 ■ বৃহস্পতিবাৰ, ৭ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৪ Guwahati, Assam ।। মূল্যঃ এটকা

## অধ্যাপক আলীক জামিন ছুপ্ৰিম ক'ৰ্টৰ

নতুন দিল্লী, ২১ মে':অপাৰেচন সেন্দুৰ আৰু সেনাৰ কৰ্নেল ছোফিয়া কুৰেশ্বীক লৈ বিতৰ্কিত মন্তব্যৰ বাবে ৭ নং পৃষ্ঠাত

## অসমবাসীক নিশা ক্ষমা খুজিলে তনুৰে

ই-সংবাদ, ২১ মে': অৱশেষত অসমবাসীৰ ওচৰত ক্ষমা বিচাৰিলে অসমৰ জাতীয়তাবাদী সংগঠনক 'ফ্ৰি ৮ নং পৃষ্ঠাত

## পাকিস্তানী গুপ্তচৰ সাংসদ গৌৰৱ গগৈ!

■ ডঃ হীৰেন গোহাঁই



বিশেষ লেখা

প্ৰথমতে গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণৰ বিষয়ে মুখ্যমন্ত্ৰীৰ বিচিত্ৰ অভিযোগ শুনি ৭ নং পৃষ্ঠাত চাওক

### ছত্তীশগড়ত নিৰাপত্তা বাহিনীৰ সাফল্য, সংঘৰ্ষত নিহত ২৮ মাওবাদী

## মূৰৰ দাম ২ কোটি! নিহত নক্সাল কমাণ্ডাৰ বাসৱৰাজু

বিজাপুৰ, ২১ মে': নক্সালবিৰোধী যুঁজত এক বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হ'ল নিৰাপত্তা বাহিনী। বুধবাৰে ছত্তীশগড়ৰ গভীৰ অৰণ্যত



কেন্দ্ৰীয় বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত চি পি আই (মাওবাদী)ৰ সাধাৰণ সম্পাদক নম্বলা কেশৱ ৰাও ওৰফে বাসৱৰাজু নিহত হয়। তেওঁৰ ২ নং পৃষ্ঠাত

### ২৩ বছৰৰ ভিতৰত সৰ্বনিম্ন পৰ্যায়ত জমা বৰফৰ স্তৰ

# হিন্দুকুশ হিমালয়ত জমা হোৱা বৰফৰ পৰিমাণ হ্ৰাস

## আজি প্ৰধানমন্ত্ৰীয়ে মুকলি কৰিব হয়বৰগাঁও অমৃত ষ্টেচন



ই-সংবাদ, ২১ মে': অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত নতুন ৰূপ দিয়া নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচন কাইলৈ মুকলি ২ নং পৃষ্ঠাত

## চুমি বৰাৰ জামিন মঞ্জুৰ আদালতৰ

ই-সংবাদ, ২১ মে': ব'হাগ মাহ তথা বিহুৰ শেষ হোৱাৰ পিছতে মুকলি আকাশৰ তললৈ ওলাই ৩ পৃষ্ঠাত

## বোন্দাজানত জয়ন্ত মল্লৰ ভূমি বেদখল! মীৰা বৰঠাকুৰৰ অভিযোগ

গুৱাহাটী, ২১ মে': গুৱাহাটীৰ জল নিষ্কাষণৰ অন্যতম জলাহভূমি বোন্দাজানৰ এটা অংশ এতিয়া বিজেপিৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বেদখল কৰি ৰাখিছে। মন্ত্ৰী ৫ পৃষ্ঠাত



## চীন-ভাৰতসহ দক্ষিণ-পূব এছিয়াত পৰিব প্ৰভাৱ!

আমষ্টাৰ্ডাম, ২১ মে': হিন্দুকুশ হিমালয় অঞ্চলত সাংঘাটিকভাবে হ্ৰাস পাইছে ভূপৃষ্ঠত জমা হৈ থকা বৰফৰ পৰিমাণ। এই তথ্য প্ৰকাশ পাইছে ৮ পৃষ্ঠাত

## কামপুৰত পত্নী, প্ৰেমিকক হত্যা স্বামীৰ





ই-সংবাদ, কামপুৰ, ২১ মে': সমগ্ৰ ৰাজ্যত পৰকীয়া প্ৰেমত পৰি বহু পৰিয়াল নিঃশেষ হৈ যোৱাৰ ৫ পৃষ্ঠাত

### দেৰগাঁৱত কেবিনেট, ৮ ডিচেম্বৰত মিউজিক কনচাৰ্ট

## মাহে ৭৫ হাজাৰ টকা দিলেই দেহৰক্ষী দিব চৰকাৰে!



ই-সংবাদ বিশেষ, ২১ মে': বুধবাৰে অনুষ্ঠিত হয় অসম ৰাজ্যিক কেবিনেট। দেৰগাঁওস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত এই কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ ২ পৃষ্ঠাত

### ১০ ছেপ্টেম্বৰ, তাৰিখ ঠিক হিমন্তৰ

## গৌৰৱৰ জয়লাভ আছিল এক দুৰ্ঘটনা!



ই-সংবাদ, ২১ মে': আজি গৌৰৱ গগৈৰ যোৰহাট সমষ্টিৰ পৰা আক্ৰমণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। পুনৰ গৌৰৱ গগৈৰ সমষ্টিৰ ৫ পৃষ্ঠাত

## যোৰহাটত বিজেপিৰ বিষয়-ববীয়া সভা

ই-সংবাদ, পশ্চিম যোৰহাট, ২১ মে': আজি যোৰহাটৰ পৰাই ৰাজ্যৰ ৩ নং পৃষ্ঠাত

### বৈশ্বিক পাঠকৰ দৃষ্টি আকৰ্ষণ কানাড়া সাহিত্যৰ

## বানু মুস্তাকৰ গল্প সংকলন 'হাৰ্ট লেম্প'লৈ 'বুকাৰ প্ৰাইজ'



লণ্ডন, ২১ মে': আন্তঃৰাষ্ট্ৰীয় বুকাৰ মঞ্চত ইতিহাস ৰচনা কৰিলে কানাড়া সাহিত্যিক বানু মুস্তাকে। তেওঁৰ চুটিগল্প সংকলন ৫ পৃষ্ঠাত

## কাজিৰঙাত বনৰক্ষীৰ গুলীত চিকাৰী নিহত

ই-সংবাদ, ২১ মে': বুধবাৰে বনৰক্ষীৰ বন্দুকৰ পৰা ওলোৱা গুলীত কঁপি উঠিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। চোৰাং চিকাৰীক বশ কৰিবলৈ গুলী ৭ নং পৃষ্ঠাত

## ৱাকফ ইছলাম ধৰ্মৰ অপৰিহাৰ্য অংগ নহয়ঃ এছজিআই

### ছুপ্ৰিম ক'ৰ্টত যুক্তি মোদী চৰকাৰৰ

নতুন দিল্লী, ২১ মে': ৱাকফ ইছলামিক ধাৰণা হ'লেও এয়া ইছলামৰ অপৰিহাৰ্য অংগ নহয়। উচ্চতম ন্যায়ালয়ত ৱাকফ আইনক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মূৰৰ দাম ২ কোটি! নিহত নক্সাল

লগতে আন ২৭ জন নক্সাল কেডাৰেও প্ৰাণ হেৰুৱায় এই সংঘৰ্ষত। উল্লেখ্য যে ২০২৬ৰ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ ঘোষণা কৰিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। শেহতীয়াকৈ ছত্তীশগড়, ঝাৰখণ্ডত নিৰাপত্তা বাহিনীৰ তৎপৰতা বৃদ্ধি কেন্দ্ৰৰ ঘোষণাৰ প্ৰতিফলনৰূপে পৰিগণিত হৈছে। বুধবাৰে নিৰাপত্তা বাহিনীয়ে আৰক্ষীৰ সৈতে যৌথভাৱে অভিযান চলাই নাৰায়ণপুৰ-বিজাপুৰ সীমান্তৰ ঘন জংঘলত নিধন কৰিবলৈ সক্ষম হয় মাওবাদী কেইজনক। প্ৰণিধানযোগ্য যে প্ৰাক্তন মুৰব্বী মুপল্ল লক্ষ্মণ ৰাও ওৰফে গণপতিৰ অসুস্থতাৰ বাবে ২০১৭ চনত বাসৱৰাজুৱে চিপিআই (এম)ৰ নেতৃত্বৰ দায়িত্ব গ্ৰহণ কৰিছিল। কিন্তু ২০১৮ চনৰ নৱেম্বৰ মাহত গোটটোৱে আনুষ্ঠানিকভাৱে এই নেতৃত্ব পৰিৱৰ্তন ঘোষণা কৰে। গণপতি ২৫ বছৰ ধৰি দলটোৰ শীৰ্ষ নেতা আছিল। ইয়াৰে ১২ বছৰ চিপিআই (এমএল) পিপলছ ৱাৰৰ মুৰব্বী হিচাপে আৰু পৰৱৰ্তী ১৩ বছৰ চিপিআই (মাওবাদী)ৰ সৰ্বোচ্চ নেতা হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। আনহাতে বাসৱৰাজুৰ নেতৃত্বৰ সময়তে সেনা বাহিনীৰ ওপৰত মাওবাদীয়ে সংঘটিত কৰিছিল কেইবাটাও বৃহৎ আক্ৰমণ। ছত্তীশগড়ৰ দণ্ডকাৰণ্য অঞ্চলৰ এইজন নিৰ্দয় নেতা মাওবাদী দলৰ কমাণ্ডাৰ হিচাপেই নহয়, তেওঁ চোৰাংচোৱা বিভাগ আৰু অভিযানৰ মুৰব্বীও আছিল। তেওঁ দলটোৰ কেন্দ্ৰীয় সামৰিক আয়োগৰ মুৰব্বী আছিল। চিপিআই (মাওবাদী)ৰ পলিটব্যুৰো, স্থায়ী সমিতি আৰু কেন্দ্ৰীয় সমিতিৰ সদস্যও আছিল। দলৰ মুখপত্ৰ 'আৱাম-ই-জাং'ৰ সম্পাদকীয় মণ্ডলীতো আছিল বাসৱৰাজু। জানিব পৰা মতে, ১৯৫৫ চনৰ ১০ জুলাইত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকাকুলামৰ গিয়ানাপেটা গাঁৱত তেওঁৰ জন্ম হয়। তেলেংগানাৰ ৱাৰংগলৰ আঞ্চলিক অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা বি-টেক পাছ কৰে। পঢ়া-শুনাৰ লগতে তেওঁ ক্ৰীড়াতো ভাল আছিল-অন্ধ্ৰপ্ৰদেশৰ হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত ভলীবলত অংশ লৈছিল। বাসৱৰাজু ছাত্ৰ জীৱনত বাঁওপন্থী ৰাজনীতিৰ লগত জড়িত হৈ পৰে। ১৯৮০ চনত এবিভিপিৰ সৈতে হোৱা সংঘৰ্ষৰ পিছতো তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল।সেইটোৱেই আছিল তেওঁৰ জীৱনৰ একমাত্ৰ গ্ৰেপ্তাৰ। ইয়াৰ পিছত তেওঁ পিপলছ ৱাৰত যোগদান কৰে, যিয়ে তেওঁৰ ৩৫ বছৰীয়া দীঘলীয়া কেৰিয়াৰ আৰম্ভ কৰে এজন সশস্ত্ৰ বাঁওপন্থী উগ্ৰপন্থী হিচাপে। ইফালে, বাসৱৰাজুৰ বিষয়ে বিতং তথ্য আছিল অতি সীমিত। চোৰাংচোৱাৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ছয় ফুট ওখ, পাতল বাদামী ৰঙৰ এই মানুহজনে বৰ্তমান নিয়মিতভাৱে চুলিত ৰং কৰিছিল, দাড়ি ট্ৰিম কৰি ৰাখে আৰু সদায় এ কে-৪৭কে ধৰি অস্ত্ৰ-শস্ত্ৰ লৈ ফুৰে। খৰখেদাকৈ খোজ কাঢ়িছিল আৰু ইফালৰ পৰা সিফাললৈ দুলি থকাৰ অভ্যাস আছিল। এই প্ৰতিবেদনত প্ৰকাশ পাইছে যে ২০১৩ চনত বাসৱৰাজুৱে গণপতিৰ সৈতে ঝাৰখণ্ডৰ পাৰ্যনাথ হিলছত অনুষ্ঠিত এখন সভালৈ গৈছিল, য'ত তেওঁক ভৱিষ্যতৰ নেতা হিচাপে উপস্থাপন কৰা হৈছিল। এই বাসৱৰাজুৰ মূৰৰ দাম আছিল ২ কোটি ২ লাখ টকা। আনহাতে গণেশৰ মূৰৰ দাম এতিয়াও ৩ কোটি টকাতকৈও অধিক। সূত্ৰ অনুসৰি বাসৱৰাজু দীৰ্ঘদিন ধৰি আবুজমাৰৰ গভীৰ বনাঞ্চল আৰু অন্ধ্ৰ-ওড়িশা সীমান্ত অঞ্চলৰ কাৰ্যকলাপৰ সৈতে জড়িত হৈ আছে। কিছুদিন আগলৈকে তেওঁ তাতেই আছিল। নিৰাপত্তা বিশ্লেষকৰ মতে, বাসৱৰাজুৰ নিধনে মাওবাদীৰ নেতৃত্ব ছিন্ন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি প্ৰধানমন্ত্ৰীয়ে মুকলি কৰিব

কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ২২ মে'ত দেশজুৰি ১০৩টা নবীকৃত ৰে'ল ষ্টেচন মুকলি কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই ষ্টেচনসমূহৰ ভিতৰত আছে অসমৰ নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচন। নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচন হৈছে ঐতিহাসিক ৰে'ল ষ্টেচন। ব্ৰিটিছ ৰাজৰ সময়ত নগাঁৱত চাহ উৎপাদন আৰু আধুনিক ভাৰতৰ সৈতে সংযোগ স্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। কয়লা চালকি ইঞ্জিন চালিত হয়বৰগাঁ ষ্টেচনে নতুন ৰূপ পালে। কয়লা চালিত ইঞ্জিনৰ পৰা এতিয়া দ্ৰুত গতিৰ ৰে'ল ৰখোৱা ষ্টেচনলৈ উন্নীত হ'ল হয়বৰগাঁও ষ্টেচন। বয়োজ্যেষ্ঠ নাগৰিকসকলে তাহানিৰ সেই ৰে'ল ষ্টেচনটোৰ কথা স্মৃতি সুঁৱৰি এই পৰিৱৰ্তনত উৎসাহী হোৱা দেখা যায়। কয়লা চালিত ৰে'ল ৰখোৱা ষ্টেচনটো এতিয়া উন্নত সুবিধাযুক্ত কৰি নিৰ্মাণ কৰা হৈছে। ১৮৮৭ চনত নিৰ্মাণ হোৱা ষ্টেচনটো বিশ্বমানৰ কৰিছে কেন্দ্ৰীয় চৰকাৰে। অত্যাধুনিক ব্যৱস্থাৰে সু-সজ্জিত কৰি আধুনিক ৰূপ দিছে। ২০ মে'ত উত্তৰ পূৱ ৰে'লৱেৰ জ্যেষ্ঠ বিষয়াসকলে ষ্টেচনখন পৰিদৰ্শন কৰে। সাধাৰণ জনতাৰ প্ৰতিক্ৰিয়া আছিল অত্যন্ত উৎসাহজনক। যাত্ৰীসকলে ষ্টেচনৰ অভূতপূৰ্ব পৰিৱৰ্তনত আনন্দ প্ৰকাশ কৰিছে। সাধাৰণ ব্যৱস্থাৰ ষ্টেচনটোত বৃহৎ প্ৰৱেশদ্বাৰ, বিশাল চৌহদ, পাৰ্কিং, পৃথক কোঠা, শৌচালয়, টিকট কাউণ্টাৰ আদেৰ নতুন ৰূপ দিয়া হৈছে। হয়বৰগাঁও ষ্টেচনে দেশৰ বৃহৎ ষ্টেচনৰ সৈতে ফেৰ মাৰিব। সৌন্দৰ্য বৰ্ধনৰ বাবে অসমৰ সংস্কৃতি, পৰম্পৰা আৰু ঐতিহ্যৰ ওপৰত আধাৰিত চিত্ৰাংকন আৰু থীমেটিক ভাস্কৰ্য সংযোজন কৰা হৈছে। উল্লেখ্য, অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত অসমৰ বিভিন্ন ঠাইত প্ৰায় ৫০টা ৰেল ষ্টেচনৰ উন্নয়নকাৰ্য পূৰ্ণগতিত চলি আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাহে ৭৫ হাজাৰ টকা দিলেই দেহৰক্ষী

কৰা হয়। বৈঠকৰ পিছত সংবাদমেলযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেটৰ সিদ্ধান্তসমূহ ঘোষণা কৰে। কেবিনেটে 'অসম কনচাৰ্ট পৰ্যটন নীতি' অনুমোদন কৰে। অসমক বিশ্বমানৰ সংগীত আৰু বিনোদন পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। এই নীতিৰ জৰিয়তে উন্নত পোহৰ আৰু শব্দ প্ৰযুক্তিৰ সৈতে কনচাৰ্টৰ স্থান নিৰ্মাণৰ লগতে পৰ্যটন বিভাগৰ পৰা ভি জি এফৰ জৰিয়তে সংগীতানুষ্ঠানৰ বাবে সমৰ্থন আগবঢ়োৱা হ'ব। উল্লেখ্য যে প্ৰতিবছৰে মেঘালয়ত অনুষ্ঠিত হোৱাৰ দৰে এতিয়াৰে পৰা অসমতো কেইবাখনো জিলাত বিশ্বমানৰ গায়কৰ সংগীতানুষ্ঠান অনুষ্ঠিত কৰা হ'ব। এই সংগীতানুষ্ঠানে পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিব বুলি ধাৰণা কৰা হৈছে। কেবিনেটে অসম চাহ নিগমৰ অধীনৰ বাগিচাৰ শ্ৰমিকৰ দৈনিক মজুৰি ২২০ টকাৰ পৰা ২৫০ টকালৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত অহা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হ'ব। 'অসম সৌৰ শক্তি উৎপাদন নীতি ২০২৫' অনুমোদনৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত ৩৫০০ মেগাৱাট সৌৰ শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে অসম কেবিনেটে। এই নীতিয়ে বিনিয়োগ আকৰ্ষণৰ লগতে ১৫,০০০ নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দাবী কৰিছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ উন্নয়নৰ বাবে ২২৯.৪১ কোটি টকাৰ অনুমোদন দিছে অসম কেবিনেটে। অহা দুবছৰৰ ভিতৰত এই টকা ব্যৱহাৰ কৰি একাডেমীখন উন্নত কৰা হ'ব বুলি কেবিনেটে জানিবলৈ দিছে। ডিব্ৰুগড়তো বিধান সভাৰ গৃহ আৰু বিধায়ক আৱাস নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে চৰকাৰে ২৮৪.০৩ কোটি টকা ব্যয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। খনিকৰ ষ্টেডিয়াম উন্নীতকৰণৰ বাবে ২০৯.১৩ কোটি টকাৰ ব্যয়েৰে খনিকৰ ষ্টেডিয়ামৰ আসন ক্ষমতা ৫,০০০ ৰ পৰা ৩৫,০০০ লৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ৬ষ্ঠ সংযোজনৰ অধীনত ৪৭,৩০৬.৩৩ হেক্টৰ এলেকাৰ চূড়ান্ত অধিসূচনাত অনুমোদন জনোৱা হৈছে। হৈছে। উল্লেখ্য যে সম্ভ্ৰান্ত, জীৱনৰ প্ৰতি ভাবুকি থকা লোক, উচ্চ পদস্থ বিষয়া আদি বিভিন্ন ব্যক্তিয়ে ৰাজ্য চৰকাৰক ব্যক্তিগত দেহৰক্ষী বিচাৰে। কিন্তু ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা জীৱনৰ প্ৰতি ভাবুকি থকা ব্যক্তিয়েহে ব্যক্তিগত দেহৰক্ষী লাভ কৰিব। দেহৰক্ষীসকলৰ সকলো খা-খৰচ এতিয়াৰে পৰা দেহৰক্ষী লোৱা ব্যক্তিসকলে বহন কৰাৰ লগতে চৰকাৰক মাহে ৭৫ হাজাৰকৈ টকা দিব লাগিব। ইয়াৰ উপৰি নুমলীগড় তেল শোধনাগাৰত চৰকাৰৰ চতুৰ্থ আৰু চূড়ান্ত ইকুইটি বিনিয়োগৰ বাবে ২০৫.৭২৫ কোটি টকাৰ অনুমোদন দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চুমি বৰাৰ জামিন মঞ্জুৰ আদালতৰ

আহিব বহু বিতৰ্কিত নৃত্য প্ৰশিক্ষক চুমি বৰা। ৮ মাহ ৯ দিনৰ মূৰকত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি চুমি বৰাক জামিন প্ৰদান কৰাত মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হৈছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাৰ অন্তিমটো গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছে। ইতিমধ্যে চিবিআইৰ লগতে আন দুটা গোচৰত জামিন লাভ কৰিছে চুমি বৰাই। তৃতীয়টো গোচৰত আজি জামিন লাভ কৰাৰ পিছতে আজি নিশা তথা কাইলৈ দিনত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি আকাশৰ তলৰ পৰা ওলাব চুমি বৰা। ২০২৪ চনৰ ১২ ছেপ্টেম্বৰত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল চুমি বৰাক। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানা, দুলীয়াজান আৰক্ষা থানাৰ লগতে কেন্দ্ৰীয় তদন্ত সংস্থা চিবিআইয়ে গোচৰ ৰুজু কৰিছিল। চুমি বৰাক জামিন প্ৰদান কৰি আজি উচ্চ ন্যায়ালয়ে কেলেংকাৰীত জড়িত থকাৰ সংযোগৰ প্ৰমাণ নোহোৱাৰ কথা কয়। প্ৰায় ২২০০ কোটি টকাৰ ট্ৰেডিং প্ৰৱঞ্চনা কৰা বিশাল ফুকন আৰু চুমি বৰাৰ স্বামী তাৰ্কিক বৰাই ৩ মে'ত জামিন লাভ কৰিছে। ট্ৰেডিং কেলেংকাৰীৰ মুখ্য অভিযুক্ত বিশাল ফুকনক ডিব্ৰুগড় আৰক্ষীয়ে ২০২৪ চনৰ ২ ছেপ্তেম্বৰত গ্ৰেপ্তাৰ কৰিছিল। বিশাল ফুকনক গ্ৰেপ্তাৰৰ পিছতে মেনেজাৰ বিশাল হাজৰিকাক গ্ৰেপ্তাৰ কৰিছিল। দুয়োজনকে গ্ৰেপ্তাৰৰ পিছতে নাম সাঙোৰ খাইছিল তথাকথিত অভিনেত্ৰী তথা নৃত্যশিল্পী চুমি বৰাৰ নাম। বিশাল ফুকন আছিল চুমি বৰাৰ পাতি লোৱা ভাতৃ। বিশাল ফুকনে ট্ৰেডিঙৰ নামত সংগ্ৰহ কৰা টকা চুমি বৰাৰ নামত খৰচ কৰাৰ অভিযোগ উঠিছিল। বিদেশ ভ্ৰমণ, পাৰ্টী, জয়পুৰত বিয়া পাতি ধন খৰচ কৰাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। বিশাল ফুকনক গ্ৰেপ্তাৰৰ কিছু দিন পিছতে এসপ্তাহ পলাই থকাৰ অন্তত চুমি বৰা আৰু তাৰ্কিক বৰাকো গ্ৰেপ্তাৰ কৰিছিল ডিব্ৰুগড় আৰক্ষীয়ে। ১ মে'ত অন্তিম গোচৰত জামিন লাভ কৰিছিল তাৰ্কিক বৰা আৰু বিশাল ফুকনে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২০২৪ নং গোচৰত দুয়োজনকে জামিন প্ৰদান কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতে। কিন্তু সেই গোচৰত জামিন লাভ কৰা নাছিল চুমিয়ে। ৰাজ্যত সংঘটিত ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত বিশাল, তাৰ্কিক আৰু চুমিৰ বিৰুদ্ধে প্ৰায় ৪ হাজাৰ কোটি টকা লুণ্ঠন কৰাৰ অভিযোগ উঠিছিল। চিকিৎসক, অভিযন্তা, ব্যৱসায়ী, অভিনেতা-অভিনেত্ৰী আদিৰ পৰা কোটি কোটি লৈ সেই টকা ট্ৰেডিঙত ব্যৱহাৰ কৰি দুগুণহাৰত ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল বিশাল ফুকনে। সেই টকাৰে পাতি লোৱা বায়েক চুমি বৰা আৰু চুমিৰ স্বামী ফটোগ্ৰাফাৰ তাৰ্কিক বৰাই বিলাসী জীৱন কটাইছিল বুলি অভিযোগ উঠিছিল। চুমি বৰা আৰু তাৰ্কিক বৰাই জয়পুৰত কোটি কোটি টকা খৰচ কৰি বিয়া পাতিছিল। ডুবাই ভ্ৰমণ কৰি বজাৰ-সামৰ কৰি কোটি কোটি উৰুৱাই দিছিল। ইমানে নহয় চুমি বৰাক পাতি লোৱা ভায়েক বিশালে ২ লাখ টকীয়া টেডী বিয়েৰ উপহাৰ দিছিল। আনৰ পৰা ট্ৰেডিঙৰ নামত সংগ্ৰহ কৰা টকাৰে কোম্পানী স্থাপন কৰিছিল। শেষত যেতিয়া একাংশ লোকক টকা ওভতাই দিব পৰা নাছিল তেতিয়া ডিব্ৰুগড় জিলাত ৰুজু হৈছিল গোচৰ। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, দুলীয়াজান আৰক্ষী থানাত ৰুজু ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছিল ৰাজ্য চৰকাৰে। চুমি বৰাৰ দেওৰ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। কিন্তু চুমি বৰাই আজিহে জামিন লাভ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত বিজেপিৰ বিষয়-ববীয়া সভা

বিজেপি মন্ত্ৰী বিধায়ক,পঞ্চায়ত, জিলা পৰিষদৰ প্ৰতিনিধি আৰু দলীয় কৰ্মীক আগন্তুক দিনত জনতাৰ হৈ কাম কৰিবলৈ নিৰ্দেশ দি ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত ৰণডংকা বজালে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। যোৰহাটত আজি অনুষ্ঠিত হোৱা ৰাজ্যিক বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহকত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ বিজয়ক লৈ এতিয়া আনন্দ কৰাৰ সময় নাই বুলি কৈ জনপ্ৰতিনিধিসকলক আগন্তুক ৮ মাহ পিছতহে আমি প্ৰকৃত বিজয় উৎসৱ পালন কৰিম বুলি উল্লেখ কৰে। আগন্তুক এই আঠমাহত যাতে পৰিবেশ বেয়া নহয় তাৰ বাবে দৃষ্টি ৰাখিবৰ বাবে প্ৰতি গৰাকী বিজেপি কৰ্মীলৈ আহবান জনাই শৰ্মাই আগন্তুক বিধান সভা নিৰ্বাচনত ১০৪ খন আসন যাতে দখল কৰিব পাৰে তাৰ লক্ষ্য স্থিৰ কৰিব লাগিব বুলি উল্লেখ কৰে। দলটো তৃণমুল পৰ্যায়ত শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰি বুথ পৰ্যায়ত বাবে বুথ বাহিনী গঠন কৰাৰ পোষকতা কৰি তেওঁ ইয়াত ২০ জনকৈ যুৱক থাকিব বুলি কয়। পঞ্চায়ত নিৰ্বাচনত ভোট নাকচ হোৱা বিষয়টোত উদ্বেগ প্ৰকাশ কৰি শৰ্মাই এই নাকচ হোৱা ভোটে বিজেপিক ক্ষতি কৰা বুলি উল্লেখ কৰি আগষ্ট মাহত পঞ্চায়ত সন্মিলন অনুষ্ঠিত কৰি বিভিন্ন স্থানত কিয় কম ভোট বিজেপি দলে লাভ কৰিলে তাৰ পৰ্যালোচনা কৰা হ'ব বুলি উল্লেখ কৰে। আগন্তুক বানপানীৰ সময়ত যাতে নেতাসকল বিদেশ ভ্ৰমণলৈ নাযায় তাৰ প্ৰতি আহবান জনাই তেওঁ সংঘবদ্ধভাৱে বান পৰিস্থিতিত ৰাইজক সহায় কৰিবলৈ আহ্বান জনায়। চৰকাৰী আঁচনি ৰূপায়ণত যাতে দুৰ্নীতি-অনিয়ম সংঘটিত নহয় তাৰ বাবে প্ৰতিনিধিসকলক চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়াৰ লগতে অহা ১০ জুনৰ পৰা অৰুণোদয়কে ধৰি বিভিন্ন আঁচনি ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰি প্ৰথম পৰ্যায়ত সভা অনুষ্ঠিত কৰি চেকৰ জৰিয়তে এই ধনৰাশি দিয়া হ'ব বুলি উল্লেখ কৰে। অনুৰূপ ধৰণে চাহ বাগিচাসমূহ এটি কলি দুটি পাত সমিতি গঠন কৰি বাগিছাৰ ৰাইজক উপকৃত কৰা হ'ব বুলি মন্তব্য কৰি শৰ্মাই মহিলা উদ্যমিতা আঁচনি ৰূপায়ণৰ বাবে এজন দিনপঞ্জী প্ৰস্তুত কৰাৰ পোষকতা কৰে। এই দিনপঞ্জী প্ৰস্তুত কৰিবৰ বাবে মন্ত্ৰী পিযুছ হাজৰিকা,জয়ন্ত মল্ল বৰুৱা আৰু নন্দিতা গাৰ্লোচাক দায়িত্ব প্ৰদান কৰে। তদুপৰি প্ৰতিখন জিলা পৰিষদত ছুপাৰ স্পেচিয়ালিটি মেডিকেল কেম্প কৰা হ'ব আৰু এই কাম ছেপ্টেম্বৰৰ পৰা আৰম্ভ হব বুলি কয়। বিধান সভা নিৰ্বাচনত প্ৰাৰ্থিত্বৰ বাবে কোনো প্ৰাৰ্থীত্ব প্ৰয়াসী মুখ্যমন্ত্ৰী অথবা ৰাজ্যিক বিজেপি সভাপতিৰ ওচৰলৈ গৈ লাভ নাই বুলি উল্লেখ কৰি শৰ্মাই কাম-কাজ নিৰূপণ কৰিহে প্ৰাৰ্থিত্ব প্ৰদান কৰা হ'ব বুলি দলীয় সভাখনত উল্লেখ কৰে। চাহ বাগিচাসমূহত ৰাস্তা নিৰ্মাণ কৰি যিমান ভোট লাভ কৰিছিল ইয়াৰ বিপৰীতে ঝুমুৰৰ বাবে বেছি ভোট লাভ কৰা হল।সেয়েহে সাংস্কৃতিক ক্ষেত্ৰতো বিশেষ মনোনিবেশ কৰিবৰ বাবে আহবান জনাই নিৰ্বাচিত প্ৰতিনিধি সকলক। আনহাতে গৌৰৱ গগৈৰ বিজয় এটা দুৰ্ঘটনা আছিল বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইফালে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি সকলক অহংকাৰ মনোভাৱ ত্যাগ কৰি ৰাইজৰ সৈতে মিলি কাম কৰি যোৱাৰ আহবান জনাই ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বাস্তবায়িত কৰিবলৈ আহ্বান জনাই। আজি বিজেপিৰ এই ৰাজ্যিক কাৰ্য নিৰ্বাহকৰ লগত সংগতি ৰাইজে জিলা মহিলা মৰ্চাই যোৰহাট ষ্টেডিয়ামৰ পৰা ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে দেশ মাতৃৰ বাবে যি সকলে প্ৰাণ আহুতি দিলে সেই সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে যি সকল সেনানিয়ে এতিয়াও চিৰ জাগ্ৰত হৈ সেৱাত ব্ৰতী আছে সেই সকলক উৎসাহ জনাই ভাৰত মাতা কি জয় ধ্বনিৰে আকাশ বতাহ কঁপাই তোলে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত আজিৰ বিজেপি ৰাজ্যিক বৰ্ধিত কাৰ্যনিৰ্বাহত দলৰ প্ৰভাৰী হৰিশ দ্বীবেদি,কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা ,ৰাষ্ট্ৰীয় সম্পাদক সাংসদ কামাখ্যা প্ৰসাদ তাছাকে প্ৰমুখ্য কৰি বিজেপিৰ মন্ত্ৰী-বিধায়ক, বিষয়ববীয়া উপস্থিত আছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাকফ ইছলাম ধৰ্মৰ অপৰিহাৰ্য অংগ

শুনানিৰ সময়ত আজি এই যুক্তি আগবঢ়ায় কেন্দ্ৰীয় চৰকাৰে। আদালতত কেন্দ্ৰৰ হৈ উপস্থিত থাকি ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয়, "ৱাকফ এটা ইছলামিক ধাৰণা, ইয়াত কোনো সন্দেহ নাই। কিন্তু ই ইছলামৰ মৌলিক প্ৰথা নহয়। ই কোনো মৌলিক অধিকাৰো নহয়।" চৰকাৰক প্ৰতিনিধিত্ব কৰি ছলিচিটৰ জেনেৰেলে কয় যে চৰকাৰ হৈছে ১৪০ কোটি নাগৰিকৰ সম্পত্তিৰ ৰক্ষক। সেই সম্পত্তিৰ অবৈধ জব্দ ৰোধ কৰাটো চৰকাৰৰ কৰ্তব্য। তেওঁ কয়, "মানুহে নথি-পত্ৰ জমা দিব লাগিব বুলি আৰু ৱাকফৰ সম্পত্তি একেলগে জব্দ কৰা হ'ব বুলি ভুল প্ৰচাৰ চলোৱা হৈছে।" তুষাৰ মেহতাৰ দাবী যে ৱাকফ এটা বিশুদ্ধ দাতব্য সংস্থা আৰু ৱাকফ ব'ৰ্ডে কেৱল ধৰ্মনিৰপেক্ষ কৰ্তব্য পালন কৰে। অমুছলমান সদস্যক ব'ৰ্ডত অন্তৰ্ভুক্ত কৰাৰ বিৰুদ্ধে উত্থাপিত আপত্তিৰ উত্তৰ দি তেওঁ কয় যে, "দুজন অমুছলমান সদস্য থাকিলে কি সলনি হ'ব? ই কোনো ধৰ্মীয় কাম-কাজত হস্তক্ষেপ নকৰে।" লগতে তেওঁ কয় যে দুই এজন আবেদনকাৰীয়ে সমগ্ৰ মুছলমান সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰিব নোৱাৰে। ৯৬ লাখৰো অধিক প্ৰতিনিধিৰ মতামত, সংসদৰ যুটীয়া সমিতিৰ ৩৬ খন বৈঠক, মুছলমান সংগঠনৰ পৰামৰ্শ বিশ্লেষণ কৰি সংশোধনী আইনখন প্ৰস্তুত কৰা হৈছে। সকলো পৰ্যালোচনাৰ অন্তত বিশদ প্ৰতিবেদন দাখিল কৰা হৈছিল, যিটো আলোচনাৰ মাজেৰে গৃহীত কৰা হৈছিল। 'ৱাকফ বাই ইউজাৰ্ছ' সন্দৰ্ভত কেন্দ্ৰই কয় যে ইয়াৰ অৰ্থ হ'ল সম্পত্তিটো আন কাৰোবাৰ মালিকানাধীন, কিন্তু অবিৰত ব্যৱহাৰৰ ভিত্তিত অধিকাৰ দাবী কৰা হৈছে। মেহতাই কয়, "যদি চৰকাৰী অট্টালিকা হয়, তেন্তে চৰকাৰে পৰীক্ষা কৰিব নোৱাৰেনে যে সেইটো তেওঁলোকৰ সম্পত্তি হয় নে নহয়?" চৰকাৰে নিজৰ দাবী নিজেই নিষ্পত্তি কৰি আছে বুলি আবেদনকাৰীৰ দাবী সন্দৰ্ভত মেহতাই কয় যে ৰাজহ বিভাগে মাটিৰ মালিকীস্বত্ব নিৰ্ধাৰণ নকৰে- মাটি চৰকাৰী হয় নে নহয় সেয়াহে বিচাৰ কৰিব পাৰিব। শুনানিৰ সময়ত মুখ্য ন্যায়াধীশ বি আৰ গাভাইয়ে প্ৰশ্ন কৰে, "কালেক্টৰে যদি তদন্ত কৰে তেন্তে সম্পত্তিটো ৱাকফৰ পৰিসৰৰ বাহিৰত পৰিবনে?" ইয়াৰ উত্তৰত মেহতাই কয় যে যদি চৰকাৰে মালিকীস্বত্ব দাবী কৰিব বিচাৰে তেন্তে আদালতত টাইটেল কেছ দাখিল কৰিব লাগিব। মেহতাই বিশদভাৱে কয় যে এজন ব্যক্তিয়ে যদি যোৱা পাঁচ বছৰ ধৰি মুছলমান চৰ্চা কৰি থাকে তেন্তে ৱাকফ দান কৰিব পাৰে। তেওঁ কয়, "শ্বৰীয়তৰ ৩ নং ধাৰাতো উল্লেখ আছে যে নিজকে মুছলমান হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব, ইয়াৰ অৰ্থ এইটো নহয় যে দিনটোত পাঁচবাৰ নামাজ পঢ়িব লাগিব বা মদ্যপানৰ পৰা বিৰত থাকিব লাগিব। কিছুমান ক্ষেত্ৰত ইয়াৰ ফলত জটিলতাৰ সৃষ্টি হৈছে।" হিন্দু ৱাকফ আৰু মুছলমান ৱাকফৰ পাৰ্থক্য ব্যাখ্যা কৰি মেহতাই কয় যে হিন্দু ধৰ্মীয় ট্ৰাষ্টৰ ওপৰত বহুত বেছি নিয়ন্ত্ৰণ আছে। ধৰ্মীয় অনুষ্ঠানৰ উপৰিও মুছলিম ৱাকফত ধৰ্মনিৰপেক্ষ অনুষ্ঠান যেনে স্কুল, মাদ্ৰাছা, অনাথ আশ্ৰম, হস্পিতাল ইত্যাদিও অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ উদাহৰণ দি কয় যে মহাৰাষ্ট্ৰৰ মন্দিৰসমূহ বম্বে পাব্লিক ট্ৰাষ্ট এক্টৰ অধীনত পৰিচালিত হয়, যাৰ অধ্যক্ষ যিকোনো ধৰ্মৰ হ'ব পাৰে। তেওঁ লগতে কয় যে ৱাকফৰ দুটা অংশ আছে - এটা হৈছে 'সাজ্জাদনছিন' (আধ্যাত্মিক মুৰব্বী) আৰু আনটো হৈছে 'মুতাৱাল্লী' (প্ৰশাসনিক মুৰব্বী)। এই সংশোধনীৰ প্ৰশাসনিক অংশহে আইনত প্ৰাসংগিক। ধৰ্ম পালনৰ অধিকাৰ সন্দৰ্ভত সংবিধানৰ ২৫ নং অনুচ্ছেদ উলংঘা কৰা হৈছে নে নাই সেই সন্দৰ্ভত তেওঁ কয়, "১৯৫৬ চনত যেতিয়া হিন্দু সংহিতা বিধেয়ক অনা হৈছিল, তেতিয়া হিন্দু, খ্ৰীষ্টান, বৌদ্ধ, শিখ, জৈনসকলৰ ব্যক্তিগত আইন সলনি হৈছিল। সেই সময়ত কোনেও কোৱা নাছিল যে, এই আইনখন মুছলমানৰ বাবে কিয় নিৰ্মাণ কৰা হোৱা নাই?" তেওঁ লগতে উল্লেখ কৰে যে তামিলনাডু এনডাউমেণ্ট এক্টৰ কৰ্তৃত্বত বিসংগতি হ'লে তেওঁক অপসাৰণ কৰাৰ ক্ষমতা ব'ৰ্ডৰ আছে। "তেন্তে ব'ৰ্ডত এজন বা দুজন অমুছলমান সদস্য থাকিলে সংবিধানৰ ২৫ বা ২৬ অনুচ্ছেদ উলংঘা কৰা বুলি অভিযোগ কিয় উত্থাপন হৈছে?"- মেহতাই প্ৰশ্ন কৰে। আনহাতে, আবেদনকাৰীৰ হৈ হাজিৰ কপিল ছিবালে শুনানিৰ সময়ত কয় যে এই আইনখন আচলতে ৱাকফৰ ভূমি অধিগ্ৰহণৰ বাবেহে। তেওঁ কয়, "এই আইনখনত এনে কিছুমান ব্যৱস্থা আছে যিয়ে কোনো প্ৰক্ৰিয়া অবিহনে সম্পত্তি কাঢ়ি নিব পাৰে।" লগতে তেওঁ কয় যে সংবিধানৰ বিৰোধী ইছলামৰ অনুগামী নহ'লে কোনেও ৱাকফ স্থাপন কৰিব নোৱাৰে। তেওঁ অভিযোগ কৰে যে নতুন আইন অনুসৰি কোনো পঞ্চায়ত বা ব্যক্তিয়ে যদি অভিযোগ দাখিল কৰে তেন্তে সম্পত্তিটো আৰু ৱাকফ নহ'ব। ছিবালে কয়, "ৱাকফ মানে মোৰ সম্পত্তি। ৰাজ্যৰ নহয়। সেই ব্যক্তিগত সম্পত্তি আজি কাঢ়ি লোৱা হৈছে।" তেওঁ আৰু কয়, "ৰাজ্য চৰকাৰে মছজিদ ৰক্ষণাবেক্ষণ কৰিব নোৱাৰে। আনকি কবৰস্থানৰ বাবেও ব্যক্তিগত পদক্ষেপেৰে মাটিৰ ব্যৱস্থা কৰিব লাগিব। সেইবাবেই মানুহে জীৱনৰ শেষত নিজৰ মাটি ৱাকফ হিচাপে দান কৰে। মন্দিৰত যেনেকৈ চাদৰ বা দান নাথাকে, তেনেকৈ মছজিদ বা কবৰস্থানত হাজাৰ কোটি টকীয়া পুঁজি নাই।" এই পৰ্যায়ত মুখ্য ন্যায়াধীশে কয় যে দৰগাহলৈ অনুদান আগবঢ়োৱা হয়। ছিবালে কয় যে তেওঁ কেৱল মছজিদৰ বিষয়টোহে উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বানু মুস্তাকৰ গল্প সংকলন 'হাৰ্ট লেম্প'লৈ

'হাৰ্ট লেম্প' (মূল নাম হৃদয় দীপা)য়ে লাভ কৰিছে ২০২৫ বৰ্ষৰ আন্তৰ্জাতিক বুকাৰ প্ৰাইজ। উল্লেখ্য যে, প্ৰথমবাৰৰ বাবে কানাড়া ভাষাৰ সাহিত্য গ্ৰন্থই লাভ কৰিবলৈ সক্ষম হৈছে এই আন্তৰ্জাতিক স্বীকৃতি। দীপা ভাষ্টিৰ ইংৰাজী অনুবাদত প্ৰকাশিত এই গ্ৰন্থখনে দক্ষিণ ভাৰতৰ মুছলমান সমাজত নাৰীৰ অস্তিত্ব, সংগ্ৰাম, অস্তিত্বৰ গভীৰ ৰাজনৈতিক আৰু মানৱীয় অভিজ্ঞতাক প্ৰতিফলিত কৰিছে। মন কৰিবলগীয়া যে, ১৯৯০ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ৰচিত ১২ টা গল্পৰ এই সংকলনখনে তুলনামূলকভাৱে কম আন্তৰ্জাতিক চৰ্চা লাভ কৰিছিল যদিও বুকাৰ প্ৰাইজ লাভ কৰাৰ পিছতে এই গ্ৰন্থখনি বিশ্ব সাহিত্য জগতৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। লণ্ডনৰ টেট মডাৰ্নত এই বঁটা আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ সময়ত জুৰীৰ মুৰব্বী মেক্স পৰ্টাৰে কয় যে এই গ্ৰন্থখনে ইংৰাজী ভাষী পাঠকসকলৰ মাজত এক নতুন সাহিত্যিক ধাৰাৰ পৰিচয় দিছে। ই কেৱল অনুবাদ নহয়, বৰঞ্চ এক বৈপ্লৱিক সাহিত্য অভিজ্ঞতা।পৰ্টাৰে লগতে কয়, "এই গ্ৰন্থখন সংস্কৃতিৰ মাজত যিমান গভীৰভাৱে শিপাই আছে সিমানেই ইয়াৰ ভাষা আৰু চৰিত্ৰায়ণৰ ক্ষেত্ৰতো অনন্য। ই পশ্চিমীয়া সাহিত্যিক নীতি-নিয়মক প্ৰত্যাহ্বান জনোৱা গল্প কথনৰ এক প্ৰকাৰ।" ইফালে, বুকাৰ প্ৰাইজ লাভ কৰাৰ পিছতে অধিবক্তা, সমাজ কৰ্মী তথা সাহিত্যিক বানু মুস্তাকে কয়, "এই সন্মান কেৱল মোৰ নহয়, এয়া মোৰ ভাষা আৰু মোৰ সমাজখনলৈ স্বীকৃতি। দীৰ্ঘ সময় ধৰি যিসকল নাৰীৰ কাহিনী কোৱা হোৱা নাছিল, এই গ্ৰন্থখনে সেই নাৰীসকলৰ নিৰৱ কণ্ঠক জাগ্ৰত কৰিছে। এই ভাষাৰ সৈতে মোৰ আধ্যাত্মিক সম্পৰ্ক থকাৰ বাবেই মই কানাড়া ভাষাত লিখোঁ।" আনহাতে, গ্ৰন্থখনিৰ অনুবাদক দীপা ভাষ্টিয়ে কয়, "বানু মুস্তাকৰ লেখাৰ সৈতে মোৰ সম্পৰ্ক কেৱল অনুবাদক হিচাপে নহয়, এগৰাকী নাৰীৰ যন্ত্ৰণাক আন এগৰাকীৰ চকুৰে অনুবাদ কৰাৰ প্ৰয়াস হিচাপেহে, এয়া এক প্ৰকাৰৰ আধ্যাত্মিক দায়িত্ব।" লক্ষণীয়ভাৱে, হাৰ্ট লেম্পৰ কাহিনীবোৰ আন্তঃৰাষ্ট্ৰীয় সমালোচকসকলৰ মাজত অতিশয় স্বীকৃত হৈছে। প্ৰণিধানযোগ্য যে ২০২২ চনত গীতাঞ্জলি শ্ৰীয়ে তেওঁৰ হিন্দী উপন্যাস টম্ব অৱ ছেণ্ডৰ বাবে আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰাৰ পিছত এই সন্মান লাভ কৰা দ্বিতীয়গৰাকী ভাৰতীয় লেখিকা হৈছে বানু মুস্তাক আৰু এই বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় অনুবাদক দীপা ভাষ্টি।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বোন্দাজানত জয়ন্ত মল্লৰ ভূমি বেদখল! মীৰা

গুৱাহাটী, ২১ মে': গুৱাহাটীৰ জল নিষ্কাষণৰ অন্যতম জলাহভূমি বোন্দাজানৰ এটা অংশ এতিয়া বিজেপিৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বেদখল কৰি ৰাখিছে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই তেওঁৰ পিতৃ প্ৰয়াত কৈলাসমল্ল বৰুৱাৰ নামত বোন্দাজানৰ মাটি বেদখল কৰি ২৫৪ মিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰিছে আৰু এই পথটো নিৰ্মাণ কৰিবলৈ চৰকাৰী ৰাজকোষৰ পৰা প্ৰায় ৩ কোটি টকা ব্যয় কৰিছে। এই অভিযোগ অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ। আজি প্ৰদেশ কংগ্ৰেছৰ একাংশ নেতা-কৰ্মীক লগত লৈ মীৰা বৰঠাকুৰে বীৰকুছিৰ বোন্দাজান অঞ্চললৈ গৈ ক্ষেত্ৰ পৰিদৰ্শন কৰি অভিযোগ কৰে যে বোন্দাজানৰ এটা অংশ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই সম্পূৰ্ণৰূপে বেদখল কৰিছে। মীৰা বৰঠাকুৰে কয়, যি সময়ত শিলসাঁকোত সাধাৰণ থলুৱা মানুহৰ কষ্টোপাৰ্জিত ধনেৰে নিৰ্মাণ কৰা ঘৰত বুলড'জাৰ চলোৱা হ'ল সেই সময়ত মন্ত্ৰীজনৰ নিজৰ হৃদয় কিয় এবাৰো কঁপি নুঠিল? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধৃতৰাষ্ট্ৰৰ ভূমিকা পালন কৰা বুলি উল্লেখ কৰি বৰঠাকুৰে কয় যে গুৱাহাটীক বানমুক্ত কৰিবৰ বাবে ন্যূনতম সৎ সাহস থাকিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী উন্নয়ন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বীৰকুছিৰ বোন্দাজানত কৰা বেদখলত বুলড'জাৰ চলাওক। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই গুৱাহাটীৰ বান চাবলৈ গৈ বৰ বৰ কথা কৈ গুৱাহাটীবাসীৰ আগত চমক সৃষ্টি কৰিব বিচাৰিছে যদিও তেওঁৰ বাসগৃহটোৰ কথা ঘুণাক্ষৰেও মনলৈ নানিলে। সাহস থাকিলে প্ৰথমে তেওঁ নিজৰ ঘৰ আৰু দেউতাকৰ নামত থকা পথটো উচ্ছেদ কৰি গুৱাহাটীক বানমুক্ত কৰাৰ প্ৰথম পদক্ষেপ গ্ৰহণ কৰক। জিঞ্জাৰ হোটেলত বুলড'জাৰ চলিব, অকেডিত বুলড'জাৰ চলিব জাতীয় বৰ বৰ কথাৰে মানুহৰ মন মুহিবলৈ চেষ্টা কৰা জয়ন্তমল্লৰ দৰে লোকে সমাজৰ উন্নয়ন সাধন কৰিব নোৱাৰে বুলি অভিযোগ কৰি বৰঠাকুৰে কয় যে হিমন্ত বিশ্ব শৰ্মাই যেনেকুৱা ওফাইডাং মৰা কথা কয় তাতকৈ মাত্ৰাধিক বাৰেভচহু কথা কয় মন্ত্ৰী জয়ন্তমল্লই। ইফালে, প্ৰদেশ কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ ৰাতুল কলিতাই অভিযোগ কৰি কয় যে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ দৰে মন্ত্ৰীৰ কোনো নৈতিকতা নাই, যাৰবাবে গুৱাহাটীবাসী ৰাইজক জলাকলা খুৱাই মন্ত্ৰীজনে নিজেই দেউতাকৰ নামত পথ নিৰ্মাণ কৰি জলাহভূমি বেদখল কৰিছে। কেৱল ব্যক্তিগত স্বাৰ্থক গুৰুত্ব প্ৰদান কৰি গুৱাহাটীৰ বান সমস্যা সমাধান কৰিব নোৱাৰে বুলিও কলিতাই উল্লেখ কৰে। কলিতাই কয় যে স্থানীয় ৰাইজে অভিযোগ কৰা মতে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ পৰিয়ালে ৫ বাৰকৈ দেৱাল ভঙা-ছিঙা কৰি পুনৰ নিৰ্মাণ কৰিছে। বোন্দাজান জলাশয়ৰ বহু মাটি তেওঁলোকৰ পৰিয়ালে বেদখল কৰা বুলিও স্থানীয় ৰাইজে অভিযোগ কৰিছে। কংগ্ৰেছ নেতা-নেত্ৰী ক্ৰমে ৰুমী বৰগোহাঁই, ভৱ বৰা, ৰিমঝিম বৰা, পৰেশ ৰংহাং, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখপাত্ৰ ৰূপা কলিতা, হেপী গগৈ আৰু পীতাম্বৰ যোশীকে ধৰি বহুকেইজন লোক উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কামপুৰত পত্নী, প্ৰেমিকক হত্যা স্বামীৰ

খবৰ প্ৰতিদিনে সংবাদ মাধ্যমত প্ৰকাশ হৈ অহাৰ সময়তে নগাঁও জিলাৰ কামপুৰ থানাৰ অন্তৰ্গত পাচনিঝাৰত সংঘটিত হৈছে সভ্য সমাজক লজ্জিত কৰা এক চাঞ্চল্যকৰ হত্যাকাণ্ড। আজি নিশা পৰকীয়া প্ৰেমৰ বাবেই নগাঁৰৰ কামপুৰ পৌৰসভাৰ ৬ নং ৱাৰ্ডৰ পাচনিঝাৰত সংঘটিত হৈছে এই নৃশংস হত্যাকাণ্ডটো। জানিব পৰা মতে, পৰকীয়া প্ৰেমৰ সন্দেহত জয়কান্ত দাস নামৰ লোকজনে তেওঁৰ পত্নী গীতাৰাণী দাস আৰু প্ৰেমিক তথা টেট শিক্ষক ভাস্কৰ নাথক ভাড়াঘৰৰ ভিতৰত চোকা অস্ত্ৰৰে মৰিয়াই হত্যা কৰে। ইয়াৰ পিছতে হত্যাকাৰী স্বামী জয়কান্ত দাসে আত্মসমৰ্পণ কৰে কামপুৰ থানাত। উল্লেখ্য যে কামপুৰৰ ঘিলানী গাঁৱৰ গুৱাহাটিৰ এটা কোম্পানীত এজন ছিকিউৰিটি গাৰ্ড হিচাপে কৰ্মৰত জয়কান্ত দাসে কিছুদিনৰ আগতে কামপুৰৰ ঘিলানী গাঁৱৰ নিজ বাসগৃহৰ পৰা আহি কামপুৰৰ পাচনিঝাৰৰ এটা ভাড়াঘৰত থাকিবলৈ লয়। ইয়াৰ মাজতে দুই সন্তানৰ মাতৃ গীতাৰাণী দাসে মঙলদৈৰ ছিপাঝাৰৰ পৰা আহি কামপুৰৰ পুঠিমাৰী অঞ্চলত এখন বিদ্যালয়ৰ টেট শিক্ষক হিচাপে কাম কৰা ভাস্কৰ নাথৰ লগত অবৈধ প্ৰেমত পৰে। এই কথা গীতাৰাণী দাসৰ স্বামী জয়কান্ত দাসে গম পাই বহুবাৰ গীতাৰাণীৰ লগতে শিক্ষক ভাস্কৰক সাৱধান কৰি আহিছিল। সোমবাৰৰ নিশা জয়কান্ত ঘৰত নথকাৰ সুযোগ গ্ৰহণ কৰি ভাস্কৰ নাথে ঘৰত প্ৰৱেশ কৰে। পিছত জয়কান্ত ঘৰলৈ ঘূৰি আহি দুয়োকে কোঠাৰ ভিতৰত দেখি খঙত অগ্নিশৰ্মা হৈ ৰডেৰে প্ৰহাৰ কৰে। জয়কান্তক উপৰ্যুপৰি প্ৰহাৰত ঢলি পৰে ভাস্কৰ আৰু গীতাৰাণী। ইয়াৰ পিছতে হত্যাকাৰী স্বামী জয়কান্ত দাসে আত্মসমৰ্পণ কৰে কামপুৰ থানাত। নিশাই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰে তদন্ত। আজি আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। এই সমগ্ৰ ঘটনাক লৈ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱৰ জয়লাভ আছিল এক দুৰ্ঘটনা!

পৰাই তীব্ৰ আক্ৰমণ কৰে মুখ্যমন্ত্ৰীয়ে। লোকসভা নিৰ্বাচনৰ সময়ত গৌৰৱ গগৈ জয়লাভ কৰাটো এটা দুৰ্ঘটনা আছিল বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মানুহৰ মনত এটা ধাৰণাৰ সৃষ্টি হৈছিল যে তেওঁ লোকসভাত ভাল বক্তব্য দিয়ে। বিধানসভাত বিজেপিক দিওঁ, লোকসভাত ডেকা ল'ৰাজনক দিওঁ। যোৰহাটৰ মানুহৰ চিন্তা সদায়েই ব্যতিক্ৰম হয়। তেখেতসকলে ভাবিছিল যে সংসদত আমাৰ এজন সবল প্ৰতিনিধি থাকক। বিধানসভাত বিজেপি থাকক। সেই ধৰণৰ এটা চিন্তা আছিল। যোৱা এটা বছৰত যোৰহাটৰ বিষে। এটা কথা সংসদত নকলে। অসমৰ বিষয়ে এটা কথা নক'লে। গোটেই সময়ছোৱাত ভাৰত বিৰোধী কামৰ লগত নিজক জড়িত কৰি ৰাখিলে। মই ভাবো পঞ্চায়ত বিধানসভাত আমি এনেও জিকিলোহেঁতেন। যোৰহাটৰ ৰাইজ আজি খঙত আছে। তেওঁলোক ক্ষোভিত। এটা কথা চাওক যে ঈদ আহিছে। যোৰহাটৰ সাংসদজনে গুৱাহাটীত নামাজ পঢ়িব নে যোৰহাটত নামাজ পঢ়িব। প্ৰথম বিহুৰ দিনটোত লতাশীলত বিহুত আমি আছোই। আপুনি গুৱাহাটীত থাকিব লাগিব। গোটেই বিহুটোত কৰবাত দুটা টকা দিব লাগে বুলিয়েই মানুহৰ পৰা আঁতৰি থাকিলে। এই কথাবিলাক সাধাৰণ মানুহে ধৰিব পাৰক নোৱাৰক বেলেগ কথা। কিন্তু যোৰহাটৰ মানুহে ধৰিব পাৰিছে। লোকসভাৰ নিৰ্বাচন লোকসভা নিৰ্বাচন। বিধানসভাত ৰাইজে বিজেপিক ভোট দিব। এমপিক ভাল পোৱা বেয়া পোৱাটো ২০২৯ চনত হ'ব। বিধানসভা নিৰ্বাচনক লৈ আমি চিন্তিত নহয়। গৌৰৱ গগৈৰ পত্নীৰ পাক ভ্ৰমণৰ কথা সুঁৱৰি মুখ্যমন্ত্ৰীয়ে পাছপ'ৰ্ট বাতিল হ'ব বুলি দাবী কৰে। আনহাতে, পঞ্চায়ত নিৰ্বাচনৰ বিজয়ৰ পিছতে বিজেপিৰ নেতা-কৰ্মীক অহংকাৰী হ'ব নালাগিব বুলিও কয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছাত্ৰনেতা শংকৰ জ্যোতি বৰুৱাৰ হেণ্ডকাফ লগোৱা ঘটনা সন্দৰ্ভত হিমন্ত বিশ্ব শৰ্মাই চৰকাৰৰ পক্ষ পৰিষ্কাৰ কৰে। মুখ্যমন্ত্ৰীয়ে একপ্ৰকাৰ আৰক্ষীক সমৰ্থন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শংকৰজ্যোতি বৰুৱাৰ বিৰুদ্ধে হত্যা চেষ্টাৰ ধাৰাত ভাৰতীয় দণ্ডবিধিৰ ৩০৭ ধাৰাত গোচৰ ৰুজু কৰা হৈছিল। এই ধৰণৰ গোচৰত আৰক্ষীয়ে নিয়ম অনুসৰণ কৰিবই লাগে। হেণ্ডকাফ লগোৱাটো সেই প্ৰক্ৰিয়াৰ অংশ। তথাপি বৰুৱা ছাত্ৰ নেতা হিচাপে ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষকৰ সৈতে কথা পাতি হেণ্ডকাফ নলগাবলৈ অনুৰোধ কৰিছিল। আদালতলৈ নিয়াৰ সময়ত হেণ্ডকাফ লগোৱা হৈছিল যদিও ওভতাৰ সময়ত লগোৱা হোৱা নাছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# পুৰণি জিঅ’ বেগত মাটি ভৰাই ঠিকাদাৰৰ লুণ্ঠনৰাজ

## নলবাৰীত বালিৰে পাগলাদিয়া ৰোধৰ চেষ্টা

**ই-সংবাদ, নলবাৰী', ২১ মে':** নলবাৰী জিলাৰ পাগলাদিয়া নৈ মথাউৰিৰ খহনীয়া ৰোধ আঁচনিত ব্যাপক অনিয়ম হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। জানিব পৰা মতে লাখ টকা ব্যয়ৰে নৈ খনৰ কেইবা ঠাইতো খহনীয়া ৰোধৰ আঁচনি ৰূপায়ণ প্ৰায় শেষাংশ ৯ পৃষ্ঠাত



তিনিচুকীয়া জিলা আয়ুক্তৰ চাহ বাগিছা চিকিৎসালয় পৰিদৰ্শন, ফটোঃ ই-সংবাদ ব্যুৰ', তিনিচুকীয়া

## লোহাজানীত এপষেকেও উদ্ধাৰ নহ’ল অপহৃত নাবালিকা

**ই-সংবাদ, গোলকগঞ্জ, ২১ মে':** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত লোহাজানী গাঁৱৰ পৰা যোৱা ছয় মে’ত অপহৰণ হোৱা এগৰাকী নাবালিকাক আজিলৈকে আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম নোহোৱা ঘটনাই শেষাংশ ৮ পৃষ্ঠাত

## খাৰুপেটীয়াত উদণ্ড যুৱকৰ গুণ্ডাগিৰি

**ই-সংবাদ, খাৰুপেটীয়া, ২১ মে':** দৰং জিলাৰ খাৰুপেটিয়া আৰক্ষী থানাৰ অন্তৰ্গত ছেকাণ্ডলাত ৰেজ্জাক আলী নামৰ উদণ্ড যুৱকজনৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় কাঠ মিস্ত্ৰী বাছেদ আলী। ভুক্তভোগীয়ে ঘটনাত জড়িত পাঁচজনৰ শেষাংশ ৭ পৃষ্ঠাত

## বিটিচিত ১৫ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু জিএছপি

**ই-সংবাদ, মুছলপুৰ, ২১ মে':** বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে এতিয়া সমষ্টিয়ে সমষ্টিয়ে প্ৰতিটো ৰাজনৈতিক দলে ৰাজনৈতিক কুচ-কাৱাজ চলোৱা পৰিলক্ষিত হৈছে। অন্যান্য দলসমূহৰ সমান্তৰালভাৱে কোকৰাঝাৰ লোকসভা সমষ্টিৰ শেষাংশ ৮ পৃষ্ঠাত

## গৌৰৱ গগৈৰ চিন্তাত খীণাইছে হিমন্ত বিশ্ব শৰ্মাঃ ৰকিবুল হুছেইনৰ কটাক্ষ

**ই-সংবাদ, বৰপেটাৰোড, ২১ মে':** এইকেইদিন হিমন্ত বিশ্ব শৰ্মা ক্ষিণাইছে, আৰু কথাৰ জোৰো কমিছে, মই ভাবিলোঁ আজি কালি নতুন কৈ তেওঁ Intermittent fasting কৰি নাখাই-নবৈ খীণাবলৈ চেষ্টা কৰিছে কিন্তু সেয়া নহয়। তেওঁ গৌৰৱ গগৈৰ চিন্তাতহে খীণাইছে। তেওঁ আৰু কয়, মুখ্যমন্ত্ৰীয়ে সপোনতো গৌৰৱ গগৈক দেখা পায় বুলি কয় ধুবুৰীৰ সাংসদ শেষাংশ ৯ পৃষ্ঠাত

### বিটিচি নিৰ্বাচনলৈ তিনিমাহ

## তৎপৰতা বৃদ্ধি ইউপিপিএল-বিপিএফৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২১ মে':** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি দলে বিটিআৰত কাৰো স’তে মিত্ৰতা নকৰি নিজাববীয়াকৈ বিটিচিৰ ২০ ৰ পৰা ২৫ টা সম্ভাৱনাময় সমষ্টিত নিৰ্বাচন খেলিব বুলি প্ৰকাশ কৰাৰ পিছতেই বিটিচিৰ নিৰ্বাচনী অংক ওলট-পালট হৈ শেষাংশ ১১ পৃষ্ঠাত

## কলগাছিয়াত সমজিলাৰ কাৰ্যালয় স্থাপনৰ দাবী ৰাইজৰ

**ই-সংবাদ, কলগাছিয়া, ২১ মে':** অসমত পূৰ্বে ঘোষণা কৰা ৩৯ খন সমজিলাৰ উপৰি চলিত বৰ্ষৰ ১৫ আগষ্টৰ ভিতৰত আন দহখন সমজিলা কাৰ্যক্ষম কৰা হ’ব বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব ১১ পৃষ্ঠাত চাওক



সদৌ অসম গৱেষক ছাত্ৰ সমাজৰ সংবাদমেল

## অৱসৰী অধ্যাপক নিযুক্তিৰ বিৰোধিতা গৱেষক ছাত্ৰ সমাজৰ

**ই-সংবাদ বিশেষ, ২১ মে':** চৰকাৰী আদৰ্শ মহাবিদ্যালয়সমূহত অসম চৰকাৰে অৱসৰী অধ্যাপকক নিযুক্তি দিয়াৰ সিদ্ধান্তক লৈ ৰাজ্যত বিতৰ্ক চলি থকাৰ মাজতে এই সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰিছে সদৌ অসম গৱেষক ছাত্ৰ সমাজে। শেষাংশ ১১ পৃষ্ঠাত

## দুলীয়াজানত ৰাইজৰ ৰুদ্ৰমূৰ্তিত থৰকাছুটি হেৰাল আৰক্ষীৰ

**ই-সংবাদ, ২১ মে':** বিগত ১৫ এপ্ৰিল অৰ্থাৎ ব’হাগ বিহুৰ দিনাই দুলীয়াজানৰ নাওশলীয়া আৰক্ষী চকী আক্ৰমণৰ লগত জড়িত দুষ্কৃতিকাৰীৰ বিৰুদ্ধে প্ৰায় ডেৰ মাহ ধৰি মৌন হৈ বহি থকাৰ অন্তত যোৱানিশা দুলীয়াজান আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে নিজাববীয়াকৈ ৰুজু কৰা গোচৰৰ ভিত্তিত মনোজ ওৱাং, তিলো ওৱাং আৰু অমৰজিত সুৰেনক তিনিচুকীয়াৰ কেহাং চাহ বাগিচা, ইটাখুলি চাহ বাগিচা আৰু নাওহলীয়াৰ পৰা গ্ৰেপ্তাৰ কৰি

### ডেৰমাহে আটক কৰিব নোৱাৰা ব্যক্তিক একেনিশাই গ্ৰেপ্তাৰ

জে’ললৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে নাওহলীয়া আৰক্ষী চকীৰ আক্ৰমণৰ সমান্তৰালকৈ উক্ত দিনাই জ্যেষ্ঠ সাংবাদিক ব্ৰজেন গগৈৰ নাওশলীয়াস্থিত বাসগৃহত আক্ৰমণ কৰি বিস্তৰ ক্ষতি কৰিছিল। কিন্তু প্ৰায় এমাহ উকলি যোৱাৰ পিছতো শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানী গুপ্তচৰ সাংসদ গৌৰৱ গগৈ

ভাবিছিলো যে এইটো এটা সন্তীয়া নিৰ্বাচনী গাজা। এনে সময়তে এটা পুণ্যবান মহলৰ পৰা বিৰোধী পক্ষৰ বিৰুদ্ধে নানা কলঙ্ক ৰটনা হয়েই। দুদিন পাছত নিজে নিজে ঠাণ্ডা হয়।

কিন্তু এইবাৰতো মুখ্যমন্ত্ৰীৰ গেছ বেলুনটোৰ পাম নগ'ল। নতুন নতুন ৰোমহৰ্ষক খুটি-নাটি উলিয়াবলৈ ধৰিলে। অৱশেষত পুৰা আই এছ আইৰ এজেন্ট, সজাইহে এৰিলে। এই অভিযোগৰ সমৰ্থনত ৰঙ বিৰঙৰ মনোহাৰী তথ্য প্ৰতিদিনেই প্ৰকাশ কৰি আছে মুখ্যমন্ত্ৰী জনে। তেওঁ নিজেই গঠন কৰি দিয়া এছআইটি বা বিশেষ তদন্তকাৰী গোটে যোগান ধৰা প্ৰমাণ ৰাইজক দিনৌ জনাই আছে।

তেওঁ বাৰে বাৰে ভাবুকি দিয়াৰ দৰে কৈ আছে যে চেপ্তেম্বৰত সকলো কথা পৰিষ্কাৰ হ'ব। ইঙ্গিত দিছে যে আৰক্ষীয়ে কিবা স্পষ্ট পদক্ষেপ ল'ব। এবাৰ নহয়, বাৰে বাৰে কৈ আছে। ঘাগু ৰাজনীতিবিদ হিচাপে তেওঁ বুজে যে এই ভাবুকি মিছা হ'লে তেওঁৰে ক্ষতি হ'ব।

স্বাভাৱিক হোৱা হ'লে ঘটনাই বেলেগ ৰূপ ললেহেতেন। উচ্চ আসনত থাকি শত্ৰু দেশৰ হৈ কোনোবাই গুপ্তচৰ বৃত্তি কৰি থকা বুলি এজন মুখ্যমন্ত্ৰীয়ে গম পালেই সেইটো কেন্দ্ৰৰ দায়িত্বশীল মহলক গোপনে জাননী দি তাৰ দ্বাৰা যথাযথ তদন্ত, জেৰা, আৰু গ্ৰেপ্তাৰ কৰালেহেতেন। এনে কামৰ বাবে কেন্দ্ৰৰ অধীনত বেলেগ সংস্থা আছে। সেই পিনে নগৈ ৰাজ্যিক আৰক্ষীক লগাই নিজেও চলন্ত ধাৰাভাষ্য দি থকাৰ অৰ্থ কি?

অনুমান হয় যে অসমীয়া মানুহৰ মনত গৌৰৱ গগৈ সম্পৰ্কে কিছু সন্দেহৰ সৃষ্টি কৰাই মুখ্য মন্ত্ৰীৰ ধাৰাভাষ্যৰ অভিপ্ৰায়। যাতে মানুহৰ মনত তাৰ বিৰুদ্ধে সন্দেহ আৰু চেপ্তেম্বৰত গৌৰৱৰ বিৰুদ্ধে সঁচাকৈ এটা ফৰমেল অভিযোগ উত্থাপন কৰা হ'ব পাৰে। অৰ্থাৎ এক সুদূৰপ্ৰসাৰি ষড়যন্ত্ৰ কৰা হৈছে নেকি? সাক্ষ্যপ্ৰমাণ? যদি ধৰা হয় যে সেইবোৰ প্ৰয়োজন অনুসৰি সজাই লোৱা হ'ব, বৰ আচৰিত নহ'ব। আৰক্ষী যে কেতিয়াবা তেনে ষড়যন্ত্ৰত জড়িত হয় যোৱা দশকত তেনে নজিৰ ওলাইছে। প্ৰমাণো এনে যে উচ্চ প্ৰযুক্তি ব্যৱহাৰ অবিহনে তাক বনাই লোৱা সম্ভৱ নহয়।

যদি সেইটোৱেই হয়, ৰাইজ যথাবিহিত সহাৰিৰ বাবে সাজু থাকিব লাগিব। কাৰণ ধাৰণা হয় বিজেপি তথা বৰ্তমান মুখ্যমন্ত্ৰী জনৰ বাবে গৌৰৱ গগৈ ঘোৰ দুশ্চিন্তাৰ কাৰণ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অধ্যাপক আলীক জামিন ছুপ্ৰিম ক'ৰ্টৰ

হাৰিয়ানাত দাখিল কৰা এক গোচৰত উচ্চতম ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে অশোকা বিশ্ববিদ্যালয়ৰ অধ্যাপক আলী খান মেহমুদাবাদক। অৱশ্যে আদালতে তেওঁক এনে বিতৰ্কিত মন্তব্যৰ বাবে তিৰস্কাৰো কৰে। ন্যায়াধীশৰ প্ৰশ্ন, "যেতিয়া দেশত দানৱৰ আক্ৰমণ চলি আছিল, সেই সময়ত ইমান সন্তীয়া প্ৰচাৰৰ লোভ কিয়?" বুধবাৰে গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ সূৰ্য্য কান্ত আৰু ন্যায়াধীশ এন কোটিশ্বৰ সিঙৰ বিভাগীয় বিচাৰপীঠে কয়, "যদিও বাক স্বাধীনতা আছে, এই সময়ত এনে মন্তব্য অপ্ৰয়োজনীয় আৰু দায়িত্বজ্ঞানহীন। এনে ভাষাক ইচ্ছাকৃতভাৱে অপমান আৰু লজ্জিত কৰিবলৈ ব্যৱহাৰ কৰা হৈছে।" উচ্চতম ন্যায়ালয়ে অধ্যাপকগৰাকীৰ বিৰুদ্ধে তদন্ত অব্যাহত থাকিব বুলি স্পষ্ট কৰি তদন্ত চলাবলৈ ২৪ ঘণ্টাৰ ভিতৰত বিশেষ তদন্তকাৰী দল (এছআইটি) গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে আদালতে নিৰ্দেশ দিয়ে যে দিল্লী বা হাৰিয়ানাৰ কোনো বিষয়াই সেই আসন দখল কৰিব নোৱাৰে, আৰু এছআইটিত এগৰাকী মহিলা বিষয়াও উপস্থিত থাকিব লাগিব। উল্লেখ্য যে এই গোচৰৰ মূল প্ৰসংগ হৈছে অপাৰেচন সেন্দূৰৰ সফলতা আৰু কৰ্নেল ছোফিয়া কুৰেশ্বীৰ নেতৃত্ব। জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দি ভাৰতীয় বাহিনীয়ে ৯ টা পাকিস্তানী ঘাটি ধ্বংস কৰে। সেই সময়ত দুগৰাকী মহিলা সেনা বিষয়াই নেতৃত্ব দিছিল ভাৰতৰ সামৰিক অভিযানৰ, তেওঁলোক হৈছে কৰ্ণেল কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ব্যোমিকা সিং। দেশৰ নাৰী আৰু জাতীয় ঐক্যৰ প্ৰতি সন্মানৰ বাবে তেওঁলোকৰ উপস্থিতি আছিল এক প্ৰতীকী বাৰ্তা। অপাৰেচন সেন্দূৰৰ সফলতাৰ পিছতে অধ্যাপক আলী খান মাহমুদাবাদে তেওঁৰ ছ'চিয়েল মিডিয়া পোষ্টত লিখে, "অপাৰেচন সেন্দূৰ এখন নাটক, ই এক শ্ব' অফ পদক্ষেপ।" তেওঁ আৰু লিখে, "আপুনি কৰ্নেল কুৰেশ্বীক প্ৰশংসা কৰিছে, কিন্তু সংখ্যালঘুৰ অত্যাচাৰ, বুলড'জাৰ ব্যৱহাৰ বা ঘৃণাৰ ৰাজনীতিৰ বিৰুদ্ধেও প্ৰতিবাদ কৰিবনে?" এই পোষ্টৰ পিছত হাৰিয়ানা মহিলা আয়োগে তেওঁক এখন জাননী প্ৰেৰণ কৰে আৰু কিছুদিন পূৰ্বে তেওঁক গ্ৰেপ্তাৰ কৰা হয়। অৱশ্যে ছুপ্ৰিম ক'ৰ্টৰ পৰা অধ্যাপক আলী খান মাহমুদাবাৰে অন্তৰ্বৰ্তীকালীন জামিন লাভ কৰিলেও তদন্তৰ পৰা ৰেহাই নাপাব। আদালতৰ নিৰ্দেশ অনুসৰি অনাগত দিনত এছ আই টিৰ প্ৰতিবেদন এই গোচৰত গুৰুত্বপূৰ্ণ হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাজিৰঙাত বনৰক্ষীৰ গুলীত চিকাৰী নিহত

চালনা কৰাত গুলী লাগি নিহত হয় এজন চোৰাং চিকাৰী। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ আগৰতলি ৰেঞ্জত এজন চোৰাং চিকাৰী নিহত হয়। নিশা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰী প্ৰৱেশ কৰাৰ খবৰ লাভ কৰিছিল বন বিভাগে। তাৰ পিছতে অভিযান আৰম্ভ কৰি আৰু সকলো সম্ভাব্য প্ৰস্থান পথ বন্দ কৰি দিয়ে বন বিভাগে। সমগ্ৰ বন শিবিৰসমূহে ঘেৰি লয় উদ্যানখনক। আজি দুপৰীয়া প্ৰায় ১২.৪৫ বজাত ডুৰামাৰী শিবিৰৰ কাষত অস্ত্ৰধাৰী চোৰাং চিকাৰীৰ মুখামুখি হয় বনৰক্ষীৰ দল। তেনে সময়তে বনৰক্ষীয়ে চলোৱা গুলীত নিহত হয় এজন চোৰাং চিকাৰী। চোৰাং চিকাৰীজনৰ পৰা এটা ৩০৩ ৰাইফল, এটা বেগ আৰু এখন কুঠাৰ উদ্ধাৰ হয়। নিহত চোৰাং চিকাৰীজনৰ সহযোগীসকলক বিচাৰি অভিযান অব্যাহত থকা বুলি জানিব পৰা গৈছে। আৰক্ষী, বন বিভাগ আৰু অন্যান্য সংস্থাৰ সহায়ত সমন্বয় গঢ়ি অভিযান চলিছে। নিহত চোৰাং চিকাৰীজনক বৰ্তমানেও চিনাক্ত কৰিব পৰা নাই বুলি জানিব পৰা গৈছে। ইতিমধ্যে বন বিভাগৰ উচ্চপদস্থ বিষয়া, আৰক্ষীৰ দল, স্থানীয় দণ্ডাধীশৰ উপস্থিতিত চিকাৰীজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। বিগত বছৰকেইটাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰীৰ দৌৰাত্ম্য হ্ৰাস পাইছে। পৰ্যটকৰ সংখ্যাও বৃদ্ধি হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# খাৰুপেটীয়াত উদণ্ড যুৱকৰ গুণ্ডাগিৰি

বিৰুদ্ধে এজাহাৰ দাখিল কৰে খাৰুপেটীয়া আৰক্ষী থানাত। জানিব পৰা মতে, কাঠ মিস্ত্ৰীজনে প্ৰায় দুই বছৰ পূৰ্বে ৰেজ্জাক আলীৰ ঘৰত দৰ্জা-খিৰিকীৰ কাম কৰিছিল। সেই অনুসৰি মিস্ত্ৰী বাছেত আলীয়ে ৰেজ্জাক আলীৰ পৰা ৫০০০ টকা পাবলগীয়া আছিল। বিভিন্ন সময়ত মিস্ত্ৰীজনে নিজৰ প্ৰাপ্য ধন বিচৰাত মিস্ত্ৰীজনৰ দোকান জ্বলাই দিয়াৰ ভাবুকি দি আহিছিল ৰেজ্জাক আলীয়ে। আজি মিস্ত্ৰীজনৰ দোকানত সোমাই বাছেত আলীয়ে সেই টকাখিনি ৰেজ্জাক আলীৰ পৰা বিচৰাত প্ৰথমে কথাৰ তৰ্কতৰ্কি হয় আৰু পিছত ৰেজ্জাক আলীয়ে কাঠ মিস্ত্ৰী বাছেত আলীক মূৰৰ লগতে শৰীৰৰ বিভিন্ন স্থানত শীতল পনীয়ৰ কাঁচৰ বটলেৰে প্ৰচণ্ড আক্ৰমণ কৰে। ফলত গুৰুতৰভাৱে আহত হয় মিস্ত্ৰী বাছেত আলী। ঘটনা সন্দৰ্ভত খাৰুপেটীয়া থানাত বাছেদ আলীয়ে মূল অভিযুক্ত ৰেজ্জাক আলীসহ ভয়-ভাবুকি দিয়া ৫ জন লোকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ঘটনা সন্দৰ্ভত খাৰুপেটীয়া আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## অসমবাসীক নিশা ক্ষমা খুজিলে তনুৱে

মে খানেৰালা দালাল হ্যায়' বুলি তুচ্ছ-তাচ্ছিল্য কৰা তথা প্ৰাক্তন আছু নেতা শংকৰজ্যোতি বৰুৱা গ্ৰেপ্তাৰ কাণ্ডৰে নাম সাঙোৰ খাই পৰা দুলীয়াজানৰ বি এন সিং পেট্ৰ'ল পাম্প পৰিচালনাৰে জড়িত তনু শ্বাহীয়ে। নিজকে অসমীয়া বুলি উল্লেখ কৰি আজি নিশাৰ ভাগত এটা ভিডিঅ' মেছেজৰ জৰিয়তে ক্ষমা বিচাৰে বিতৰ্কৰ আৱৰ্তত সোমাই পৰা যুৱতীগৰাকীয়ে। ভিডিঅ'টোত তেওঁ কয়, 'যোৱা ১৭ মে'ত সংঘটিত ঘটনাৰ বাবে মই ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ। কাজিয়া হোৱাৰ সময়ত মোৰ মুখৰ পৰা ওলোৱা শব্দক লৈ মই বহুত দুঃখিত। আৰু মই সেই শব্দবোৰ কোনো অসমীয়া মানুহ, জাতি, দল-সংগঠনক উদ্দেশ্যি কোৱা নাই। এটা পৰিস্থিতিত পৰি ভয়তে কোৱা গ'ল। পেনিক হৈ এইবোৰ শব্দ কোৱা গ'ল। মই এই শব্দবোৰ অসমীয়া জাতিৰ কাৰণে কেতিয়াও কোৱা নাই। কিন্তু, মই এই শব্দবোৰ কাৰো বাবে ক'ব নালাগিছিল। তাৰ বাবে মই দুখপ্ৰকাশ কৰিছোঁ। মোক নিজৰ ছোৱালী বুলি ক্ষমা কৰিবলৈ সকলোকে অনুৰোধ জনাইছোঁ।' উল্লেখ্য যে, অসমৰ দল-সংগঠনক অপমানসূচক মন্তব্যৰে গালি পৰাৰ ভিডিঅ' ভাইৰেল হোৱাৰ পাছত তনুৰ বিৰুদ্ধে ৰাজ্যৰ কেইবাখনো থানাত বীৰ লাচিত সেনা, অজাযুছাপকে ধৰি কেইবাটাও দল-সংগঠনে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰৰ দাবী জনাইছিল। অসমীয়া জাতিক অপমান কৰা তনু শ্বাহীক গ্ৰেপ্তাৰৰ বাবে ৪৮ ঘণ্টাৰ সময়সীমা পৰ্যন্ত বান্ধি দিছিল গোচৰ তৰা দল-সংগঠনসমূহে। ইফালে, ক্ষমা বিচৰা উক্ত ভিডিঅ'টোত প্ৰাক্তন আছু নেতা শংকৰজ্যোতিৰ বিৰুদ্ধে কোনো গোচৰ দিয়া নাছিল বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে তনু শ্বাহীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## হিন্দুকুশ হিমালয়ত জমা হোৱা বৰফৰ

পাইছে আন্তঃৰাষ্ট্ৰীয় সংহত পৰ্বত উন্নয়ন কেন্দ্ৰ (আইচিআইএমঅ'ডি)ই প্ৰকাশ কৰা ২০২৫ চনৰ এইচ কে এইচ স্নো আপডেট ৰিপ'ৰ্টত। এই প্ৰতিবেদনে এতিয়া পৰিৱেশবিদ সকলৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। দিনদিয়েক পূৰ্বে প্ৰকাশ পোৱা স্নো আপডেট ৰিপৰ্টত দাবী কৰা হৈছে যে এই শীতকালত হিন্দু কুশ হিমালয় অঞ্চলৰ ভূপৃষ্ঠত জমা হোৱা বৰফৰ পৰিমাণ স্বাভাৱিকতকৈ ২৩.৬ শতাংশ কম, যিটো বিগত ২৩ বছৰৰ ভিতৰত সৰ্বনিম্ন। প্ৰতিবেদনত কোৱা হৈছে যে এই অঞ্চলত একেৰাহে তিনিটা বছৰ জমা হোৱা বৰফৰ পৰিমাণ স্বাভাৱিকতকৈ হ্ৰাস পাইছে। বিশেষজ্ঞসকলৰ মতে, এই অঞ্চলত বৰফ কমকৈ জমা হোৱাৰ বাবে দক্ষিণ এছিয়াৰ প্ৰায় দুই বিলিয়ন লোকৰ প্ৰতি ভাবুকি আহি পৰিছে। আইচিআইএমঅ'ডিৰ সঞ্চালক প্ৰধান পেমা গামটছ'ই কয় যে, " অত্যধিক কাৰ্বন নিৰ্গমনৰ ফলত ইতিমধ্যে হিন্দুকুশ হিমালয়ত জমা হোৱা বৰফৰ পৰিমাণ হ্ৰাস পাবলৈ আৰম্ভ কৰিছে।" লগতে, প্ৰতিবেদনৰ মুখ্য বিশেষজ্ঞ শ্বেৰ মহম্মদে কয় যে আমি ধাৰাবাহিকভাৱে এই ধৰণৰ নাটনি দেখিবলৈ পাইছো। এয়া এক অতি চিন্তনীয় বিষয়। উল্লেখ্য যে প্ৰতিবেদন অনুসৰি বৰফৰ সঞ্চয় কমি গ'লে গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ অৱবাহিকাতো ইয়াৰ প্ৰভাৱ পৰিব। গংগা আৰু ব্ৰহ্মপুত্ৰ নদী অৱবাহিকাত ক্ৰমে ২৪.১ শতাংশ আৰু ২৭.৯ শতাংশ কমকৈ তুষাৰপাত হৈছে। যিয়ে দুটা দশকৰ ভিতৰত কম তুষাৰপাতৰ অভিলেখ গঢ়িছে। ইয়াৰ ফলত কৃষি আৰু পানী যোগানৰ ক্ষেত্ৰত গুৰুতৰ প্ৰভাৱ পৰিব বুলি আশংকা কৰা হৈছে। কেৱল ভাৰতেই নহয়। ইয়াৰ প্ৰভাৱ চীন আৰু পাকিস্তানো আক্ৰান্ত হ'ব। যদিও ২০২৪ চনৰ তুলনাত ২০২৫ চনত বেছি বৰফ পৰিব, তথাপিও স্বাভাৱিকতকৈ ১৬ শতাংশ কম বৰফ পৰিব বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। আইচিআইএমঅ'ডিয়ে সকীয়াই দিছে যে যদিহে এই ধাৰা অব্যাহত থাকে তেন্তে দক্ষিণ এছিয়াৰ কেইবাখনো দেশত সঘনাই পানীৰ নাটনি হ'ব আৰু খৰাং পৰিস্থিতিৰ সৃষ্টি হ'ব। সংস্থাটোৱে বিভিন্ন দেশৰ চৰকাৰক বৈজ্ঞানিক তথ্যৰ ভিত্তিত দ্ৰুত পানী সংৰক্ষণ কৌশল, খৰাং ব্যৱস্থাপনা, সম্পদ ব্যৱস্থাপনা আদি ৰূপায়ণ কৰিবলৈ আহ্বান জনাইছে। অন্যাথা পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব বুলি আশংকা কৰা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## লোহাজানীত এপষেকেও উদ্ধাৰ নহ'ল

অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বটেৰহাটৰ সোনিয়া ৰায়ৰ পুত্ৰ পংকজ ৰায় সিদিনা প্ৰেমৰ ছলনাৰে নিশা আঠ বজাত নাবালিকাগৰাকীক ঘৰৰ পৰা মাতি নি অপহৰণ কৰে। পিছদিনা পঞ্চায়ত নিৰ্বাচনৰ বাবে ওচৰ চুবুৰীয়া সকলো ব্যস্ত আছিল। সেই সুযোগ গ্ৰহণ কৰে পংকজে। ইফাল-সিফাল আত্মীয়ৰ ঘৰত বিচাৰ-খোচাৰ কৰি সন্ধান নাপাই আঠ মে'ত পৰিয়ালৰ লোকে হালাকুৰা আৰক্ষী তালাচী চকীত পংকজ ৰায়ৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰাৰ এটা পযেক উকলি যোৱা সত্ত্বেও সন্ধান উলিওৱাত ব্যৰ্থ হৈ পৰে হালাকুৰা আৰক্ষী। এই সন্দৰ্ভত পৰিয়ালৰ লোক আৰক্ষী চকীলৈ তাতবাটি কৰিও কোনো সুফল পোৱাৰ বঞ্চিত হৈ আহিছে। ইপিনে, অপহৰণকাৰী পংকজ আৰু পংকজৰ নিৰ্দেশত অপহৃতা নাবালিকাই প্ৰায়ে ফোন কৰি গোচৰ উঠাই ল'বলৈ পৰিয়ালক হেঁচা দি আহিছে। কালি সন্ধিয়াও মাকক ফোন কৰি গোচৰ উঠাই ল'লে ঘৰলৈ উভতি আহিব বুলি প্ৰলোভিত দিছিল। কিন্তু তৎসত্ত্বেও হালাকুৰা আৰক্ষীয়ে ফোন ট্ৰেচ কৰিব নোৱাৰা ঘটনাই আৰক্ষীৰ ভূমিকাৰ ওপৰত স্থানীয় ৰাইজৰ সন্দেহ উপজিছে। নাবালিকা কিশোৰী অপহৰণৰ ক্ষেত্ৰতো আৰক্ষীৰ এনে সোপা-ঢিলা নীতিত স্থানীয় ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰি জিলা আৰক্ষী অধীক্ষকৰ হস্তক্ষেপ দাবী কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

## বিটিচিত ১৫ খন আসনত প্ৰতিদ্বন্দ্বিতা

প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াৰ গণ সুৰক্ষা পাৰ্টী চমুকৈ জিএছপি দলেও ইখনৰ পাছত সিখনকৈ সাংগঠনিক আৰু যোগদান সভা অনুষ্ঠিত কৰিছে। আজি বাক্সাৰ অহোপাত এক যোগদান সভাত উপস্থিত থাকি কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে বিটিচিৰ পাৰিষদ ঘনশ্যাম দাসে। তেওঁ কয় যে, প্ৰমোদ বড়োৰ অকলে নিৰ্বাচন খেলাৰ সাহস নাই। তেওঁ সেই বাবে বিজেপিৰ সৈতে মিত্ৰতাৰে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ বাৰে বাৰে আগ্ৰহ প্ৰকাশ কৰা দেখিবলৈ পাইছো। তেওঁ সম্প্ৰতি থৰক-বৰক অৱস্থাত আছে। ইফালে, আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত নিজৰ দল জিএছপিৰ স্থিতি সম্পৰ্কত তেওঁ কয় যে আমি শক্তি চাই আগবাঢ়িম। যিকেইটা সমষ্টিত জয়ী হোৱাৰ সম্ভাৱনা আছে তাতহে আমি প্ৰতিদ্বন্দ্বিতা আগবঢ়াম। সেই অনুসৰি আমি বৰ্তমান ১৫টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু হৈছো বুলিও মন্তব্য কৰে ঘনশ্যাম দাসে। ইফালে, বিপিএফ দলৰ সৈতে জিএছপিৰ মিত্ৰতা সন্দৰ্ভত আলোচনা চলি থকা বুলিও জানিবলৈ দিয়ে পাৰিষদগৰাকীয়ে। আজিৰ সভাত অবড়ো সুৰক্ষা সমিতিৰ সাধাৰণ সম্পাদক জোন দাস, বাক্সা জিলা জিএছপিৰ সম্পাদক অনন্ত ডেকা, জিলা যুৱ মৰ্চাৰ সভাপতি নিতুল হালৈ, আই টি চেলৰ আহ্বায়ক পৱিত্ৰ নাথ, দিহিৰা ব্লক জিএছপিৰ সভাপতি চন্দ্ৰ মোহন হালৈ, সাধাৰণ সম্পাদক যাদৱ দাস, দিহিৰা মণ্ডল যুৱ মৰ্চাৰ সভাপতি অজয় পাটগিৰি, কাৰ্যকৰী সভাপতি জিতু বড়োও উপস্থিত থাকে। উক্ত সভাতে বিভিন্ন দল-সংগঠনৰ অৰ্ধ শতাধিক পুৰুষ-মহিলাই জিএছপি দলত যোগদান কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পুৰণি জিঅ' বেগত মাটি ভৰাই

সম্পূৰ্ণ হোৱা দেখুওৱা হৈছে যদিও সামান্য বৰষুণতে আঁচনি ৰূপায়ণ কৰা ঠাইত খহিবলৈ লৈছে। আঁচনিৰ কাম অতি বেপেৰুৱা ভাবে পুৰণি জিঅ' বেগতে মাটি ভৰাই খহনীয়া ৰোধৰ চেষ্টা লুণ্ঠনৰাজ চলাইছে কাম আবণ্টন পোৱা ঠিকাদাৰজনে ।পাগলাদিয়াৰ বৰমূৰিকোণাৰ উক্ত আঁচনিখনত কিমান টকা ধাৰ্য কৰা হৈছে, কি 'হেড'ত ধৰা হৈছে আনকি, কোনে ৰূপায়ণ কৰা কৰিছে তাৰ তথ্য লুকুৱাই ৰখা হৈছে। আজিলৈকে জলসম্পদ তথা বিভাগীয় ভাবে কোনো তথ্য ফলক লগোৱা হোৱা নাই। আঁচনিৰ নামত কেৱল পাতলীয়াকৈ তলত পুৰণি জিঅ' বেগতে মাটি ভৰাই ওপৰত নতুন বেগত মাটি দি অধিক মুনাফা লাভৰ লক্ষ্যৰে আভুৱা ভাৰিছে কাম আবণ্টন পোৱা ঠিকাদাৰে। এনে বেপৰোৱাভাৱে খৰহীয়া ৰোধৰ চেষ্টা চলাই চৰকাৰী ধন কুক্ষিগত কৰাৰ পাং পতা হৈছে বুলি ৰাইজৰ মাজত ব্যাপকভাৱে চৰ্চিত হৈছে। লক্ষণীয় যে পাগলাদিয়াৰ বৰমূৰিকোনা দলঙৰ পূবফালে মথাউৰি অংশত যোৱা বাৰিষা তীব্ৰ খহনীয়াৰ সৃষ্টি হৈছিল। খহনীয়া ৰোধৰ বাবে জিলা প্ৰশাসন অস্বস্তিত পৰিছিল।নদী কাষৰীয়া শ শ পৰিয়ালে নিশা উজাগৰে নিশা কটাইছিল। নলবাৰী জলসম্পদ বিভাগে কোনো মতে খহনীয়া ৰোধ কৰিবলৈ সক্ষম হোৱা নাছিল। বাৰিষাৰ পিছতে খৰালি উক্ত বৰমূৰিকোণা অংশত খহনীয়া ৰোধৰ এক ব্যায় বহুল আঁচনি ৰূপায়ন কৰা হয় যদিও আঁচনি ৰূপায়ণত সৃষ্টি হয় পয়মালৰ। সংশ্লিষ্ট ঠিকাদাৰে অলপতে অতি খৰখেদাকৈ পুৰণি জিঅ'বেগ আৰু মাজে মাজে পাম্পিং আকাৰ জিঅ' বেগ দি আঁচনি কাম কৰিছে যদিও জিঅ" বেগ ৰোধৰ বাবে তাঁৰ কাঁটাৰ নেট ব্যৱহাৰ কৰা নাই বুলিও অভিযোগ উত্থাপিত হৈছে।কেইবা শ ফুট দৈৰ্ঘ্যৰ খহনীয়া ৰোধ আঁচনিত মাত্ৰ মাজে দুই এঠাইত নাম মাত্ৰ গুনাৰ নেট ব্যৱহাৰ কৰিয়েই দায়িত্ব পালন কৰিছে ঠিকাদাৰে। আঁচনিৰ কামত অনিয়মৰ অভিযোগ উঠাৰ পিছত নলবাৰী জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা গৰাকীয়ে কোনো তদন্ত নকৰা বুলি অভিযোগ উঠিছে। আঁচনিৰ দায়িত্বত নিয়োজিত অভিযন্তা গৰাকীয়ে ঠিকাদাৰ লগত গোপন বুজাবুজি কৰা বুলি ৰাইজৰ মাজত চৰ্চিত হৈছে। যাৰ বাবে দায়িত্ববাহী অভিযন্তা গৰাকীয়ে আঁচনিৰ কামত ব্যাপক অনিয়ম হোৱাৰ পিছতো ৰহস্যজনক ভূমিকা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত বিভাগীয় এছ এ গৰাকীৰ ওপৰলৈও সন্দেহৰ আঙুঠি টোঁৱাইছে স্থানীয় ক্ষোভিত ৰাইজে। ইয়াক লৈ স্থানীয় ৰাইজ তীব্ৰ অসন্তুষ্ট হৈ পৰিছে। ৰাইজে জিলা আয়ুক্তক উক্ত আঁচনিৰ কামত তদন্তৰ দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দুলীয়াজানত ৰাইজৰ ৰুদ্ৰমূৰ্তিত

ঘটনাৰে জড়িতসকলৰ ওপৰত আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বিপৰীতে প্ৰাক্তন আছু নেতা শংকৰজ্যোতি বৰুৱাক আক্ৰোশমূলকভাৱে গ্ৰেপ্তাৰ কৰাৰ বিৰুদ্ধে দুলীয়াজানত ক্ষোভৰ উদগীৰণ হয়। কালি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনাকে ধৰি কেইবাটাও সংগঠনে দুলীয়াজান উত্তাল কৰাৰ সমান্তৰালকৈ টাই আহোম ছাত্ৰ সন্থা, অসমীয়া মহিলা মঞ্চসহ ১০ টাতকৈও অধিক সংগঠনে ২৩ মে'ত দুলীয়াজান বন্ধৰ আহ্বান কৰিছিল। এই ঘোষণাৰ লগতে দুলীয়াজানত দল-সংগঠনৰ ৰুদ্ৰমূৰ্তি দেখি থৰকাছুটি হেৰুৱাই আৰক্ষী চকী আক্ৰমণৰে জড়িত তিনিজন যুৱকক একেনিশাই গ্ৰেপ্তাৰ কৰে। পূৰ্বে পঞ্জীয়ন হোৱা একে গোচৰৰ ভিত্তিত আন দোষী ব্যক্তিৰ বিৰুদ্ধেও আৰক্ষীয়ে অভিযান অব্যাহত ৰখা বুলি জানিব পৰা গৈছে। কিন্তু সমসাময়িককৈ আৰক্ষী চকী আক্ৰমণ, সাংবাদিকৰ বাসগৃহ ক্ষতিসাধন, গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পিকোৱা আদি দুষ্কাৰ্যৰ বিৰুদ্ধে ইমানদিনে আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰাৰ বিপৰীতে সংগঠনৰ হুংকাৰত একেনিশাই তিনিজনকৈ লোকক গ্ৰেপ্তাৰ কৰা কাৰ্যই আৰক্ষীয়ে কোনো প্ৰভাৱশালী পক্ষৰ হস্তক্ষেপত অথবা ইচ্ছাকৃতভাৱে বিষয়টোৰ প্ৰতি অনীহা প্ৰকাশ কৰি অহাটো স্পষ্ট হৈ পৰিছে। ইফালে, দুলীয়াজানৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠন এক বিশেষ আলোচনা মিলিত হৈ ডিব্ৰুগড় জিলা উপায়ুক্তক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, টাই আহোম যুৱ পৰিষদ, টাই আহোম ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, সোণোৱাল কছাৰী যুৱ মঞ্চ, মটক যুৱ-ছাত্ৰ সন্মিলন, বৃহত্তৰ অসমীয়া নাৰী মঞ্চ, সোণোৱাল কছাৰী যুৱ মঞ্চ, দুলীয়াজান আঞ্চলিক সমিতিৰ বিষয়ববীয়া স্বাক্ষৰিত পত্ৰখনত ১৭ মে'ত দুলীয়াজান আৰক্ষী থানাৰ সমীপৰ বি এন সিং পেট্ৰ'ল পাম্পত সংঘটিত হোৱা ঘটনাৰ উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্ত কৰি দোষীক কঠোৰতকৈ কঠোৰ শাস্তি দিয়াৰ দাবী জনায়। লগতে সামাজিকভাৱে দায়বদ্ধ আটকাধীন ব্যক্তিক হেণ্ডকাফ লগোৱা বন্ধ কৰাৰ দাবী উত্থাপন কৰাৰ উপৰি অইল ইণ্ডিয়াই বি এন সিং পেট্ৰ'ল পাম্পৰ মাটিৰ লগতে আৰু যিমান মাটি লিজত দিছে সেই সকলো লিজ চুক্তি অতি শীঘ্ৰে বাতিল কৰি নতুনকৈ লিজ বা নিবিদা প্ৰদান কৰাৰ ক্ষেত্ৰত স্থানীয় অইল অধ্যুষিত এলেকাৰ লোকক প্ৰথম প্ৰাধান্য দিবলৈও দাবী জনায়। উক্ত দাবীসমূহ অনতিবিলম্বে পূৰণ নকৰিলে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰো হুংকাৰ দিছে সংগঠনকেইটাই। ইফালে, দুলীয়াজান থানাৰ গাতে লাগি থকা বিতৰ্কিত বি এন সিং পেট্ৰ'ল পাম্প কাণ্ডই চতুৰ্থ দিন অতিক্ৰম কৰাৰ পিছতো আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ বাহিৰে আক্ৰমণৰ ঘটনাত অভিযুক্ত আন ব্যক্তিসকলৰ ক্ষেত্ৰত আৰক্ষীয়ে এইপৰ্যন্ত কোনো ব্যৱস্থা নকৰাত প্ৰতিক্ৰিয়া অব্যাহত আছে। ভাইৰেল হোৱা ভিডিঅ'ত প্ৰত্যক্ষ কৰা অনুসৰি মাৰপিটৰ ঘটনাত পোনপটীয়াকৈ জড়িত সকলক কিন্তু আৰক্ষীয়ে বৰ্তমানেও আটক কৰিবলৈ সক্ষম হোৱা নাই। ঘটনাত জড়িত বৰ্তমানেও আটক নোহোৱা এজন প্ৰভাৱশালী নেতাৰ ওপৰত ৰাজনৈতিক ব্যক্তিৰ আশীৰ্বাদ আছে বুলি চৰ্চা চলিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈৰ চিন্তাত খীণাইছে হিমন্ত

ৰকিবুল হুছেইনে। আজি বৰপেটাৰোডত বৰপেটা জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত নৱ নিৰ্বাচিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ দলৰ জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যাসকলৰ সম্বৰ্ধনা অনুষ্ঠানত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীক কটাক্ষ কৰি এইদৰে কয়। আজি বৰপেটা জিলাৰ বিজয়ী কংগ্ৰেছৰ দলৰ জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যাসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অংশ লৈ বিৰোধীৰ সৈতে মিত্ৰতা প্ৰসংগত ধুবুৰী সাংসদ ৰকিবুল হুছেইনৰ কয়, যিসকল বিজেপি বিৰোধী, যিসকল ইউ ডি এফ বিৰোধী সেইসকলৰ লগত মিত্ৰত সম্পৰ্কে কথাত আমাৰ আপত্তি নাই। আমি চিপিআইএমৰ লগত ভৱানীপুৰ-সৰভোগত সন্ধি কৰিছো। জাতীয় পৰিষদ, ৰাইজৰ দলৰ সৈতেও আলোচনা কৰিম বুলি কয়। আমাৰ এলায়েঞ্চ এতিয়াও হোৱা নাই, কথাহে পাতিম। ইপিনে চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই সামাজিক মাধ্যমত কাজিৰঙাৰ গঁড় এটাৰ প্ৰতি লক্ষ্য কৰি কোৱা কথাৰ প্ৰসংগত ৰকিবুল হুছেইনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, ৰকিবুল হুছেইন সাংসদহে। তেওঁ ৰকিবুল হুছেইনক হৰুৱাইছে নেকি। পঞ্চায়ত প্ৰতিনিধিৰ সম্বৰ্ধনা অনুষ্ঠানত অংশ লৈ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে ৰাইজৰ দলৰ সৈতে মিত্ৰতাক লৈ মন্তব্য কৰে। আনহাতে কংগ্ৰেছৰ স'তে মিত্ৰতা প্ৰসংগত অখিল গগৈৰ মন্তব্যৰ প্ৰতিক্ৰিয়াত কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে কয়, কথাত বঁটা পায় কথাত কটা যায়। বঁটা পোৱা কথাবোৰ ক'লে ভাল। বঁটা পোৱা কথাবোৰ ক'লে নিশ্চিতভাৱে এটা স্বাস্হ্যকৰ পৰিবেশত কথা পাতি আমি নিৰ্বাচন খেলিম। অখিল গগৈয়ে বন্ধুৰ নিচিনাকৈ কথা ক'লে বন্ধুত্ব কৰাত আমাৰ আপত্তি নাই। বিজেপি, এজিপি, এ আই ইউ ডি এফক বাদ দি বাকীসকলে বন্ধুৰ দৰে কথা পাতিলে বন্ধুত্ব কৰাত আমাৰ আমাৰ আপত্তি নাই। উক্ত অনুষ্ঠানত উপস্থিত থাকে সাংসদ ৰকিবুল হুছেইন, বিধায়ক জাকিৰ হুছেইন শিকদাৰ, বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি ৰফিকুল হক, দীপ বায়নৰ লগতে ভালে কেইগৰাকী নেতা উপস্থিত থাকে।

## কথমপি ৰক্ষা পৰিল ২২৭ জন যাত্ৰী
# ধুমুহাত ক্ষতিগ্ৰস্ত ইণ্ডিগ'ৰ বিমান

**নতুন দিল্লী, ২১ মে':** দিল্লীৰ পৰা শ্ৰীনগৰ অভিমুখী এখন ইণ্ডিগ' বিমানে আজি অপ্ৰত্যাশিত শিলাবৃষ্টিৰ মাজেৰে যাত্ৰা কৰিবলগীয়া হোৱাৰ ফলত বিমানখনৰ সন্মুখভাগৰ এটা সৰু অংশ ক্ষতিগ্ৰস্ত হয় আৰু যাত্ৰীসকল ব্যাপক টাৰ্বুলেঞ্চৰ সন্মুখীন হয়। ইণ্ডিগ'ৰ ৬ই২১৪২ বিমানখনৰ ভিতৰৰ ভিডিঅ'ত বিমানখন তীব্ৰভাৱে কঁপি থকা আৰু যাত্ৰীসকলে ভয়ত চিঞৰ-বাখৰ কৰা দেখা গৈছে। বিষয়াসকলৰ মতে, অশান্ত বতৰৰ বাবে পাইলটে শ্ৰীনগৰৰ এয়াৰ ট্ৰেফিক কন্ট্ৰ'লক "জৰুৰীকালীন অৱস্থা"ৰ খবৰ দিয়ে। পাছত ২২৭জন যাত্ৰীসহ বিমানখন সন্ধিয়া ৬.৩০ বজাত নিৰাপদে অৱতৰণ কৰে। বিমান সংস্থাটোৱে এক বিবৃতিত কয় যে, "দিল্লীৰ পৰা শ্ৰীনগৰ অভিমুখী ইণ্ডিগ'ৰ ৬ই২১৪২ বিমানখনে বাটত হঠাৎ শিলাবৃষ্টিৰ সন্মুখীন হয়। বিমান আৰু কেবিন ক্ৰুৱে প্ৰট'কল মানি চলি বিমানখন নিৰাপদে শ্ৰীনগৰত



অৱতৰণ কৰে। বিমানবন্দৰৰ দলটোৱে বিমান অহাৰ পিছত যাত্ৰীসকলৰ যত্ন লয়। প্ৰয়োজনীয় পৰিদৰ্শন আৰু ৰক্ষণাবেক্ষণৰ পিছত বিমানখন মুকলি কৰা হ'ব।" বিমান সংস্থাটোৱে কোনো ধৰণৰ ক্ষতিৰ কথা উল্লেখ কৰা নাই যদিও ছ'চিয়েল মিডিয়াত ভাইৰেল ফটোত বিমানখনৰ সন্মুখৰ এটা অংশ ভাঙি যোৱা দেখা গৈছে।



গাজা চহৰত পেলেষ্টাইনীসকলে খাদ্যৰ বাবে অপেক্ষা কৰি থকাৰ দৃশ্য ফটো, বুধবাৰৰ

## ইজৰাইলৰ আক্ৰমণ অব্যাহত
# গাজাত বুধবাৰে সাদিনীয়া নৱজাতকসহ ৪৫ জনৰ মৃত্যু

**গাজা, ২১ মে':** গাজাৰ চিকিৎসালয়সমূহে জনোৱা মতে, ইজৰাইলৰ আক্ৰমণত বৃহস্পতিবাৰে নিশাৰপৰা আজি পুৱাৰ ভিতৰত কেইবাগৰাকীও মহিলা আৰু সাদিনীয়া এটি কেঁচুৱাকে ধৰি কমেও ৪৫ জন লোকৰ মৃত্যু হৈছে। ইজৰাইলৰ বিস্তৃত আক্ৰমণৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় ক্ষোভৰ উত্থান ঘটিলেও হামাছৰ বিৰুদ্ধে ইজৰাইলৰ যুদ্ধৰ তীব্ৰতা কমাৰ লক্ষণ দেখা পোৱা নাই। ইজৰাইলে মঙলবাৰৰ পৰা কেইবাখনো মানৱীয় সাহায্যৰ ট্ৰাক গাজাত প্ৰৱেশৰ অনুমতি দিছিল যদিও সাহায্য এতিয়াও পেলেষ্টাইনীসকলৰ ওচৰ পোৱাগৈ নাই বুলি সাহায্য সংগঠনসমূহে প্ৰকাশ কৰিছে। ইজৰাইলে কয় যে হামাছে সকলো পণবন্দীক ঘৰলৈ ওভতাই পঠিয়ালে আৰু হামাছ পৰাস্ত হ'লে, বা নিৰ্বাসিত হৈ নিৰস্ত্ৰ হ'লে ইজৰাইল যুদ্ধ বন্ধ কৰিবলৈ সাজু। হামাছে কয় যে ইজৰাইলে এই ভূখণ্ডৰ পৰা সম্পূৰ্ণ প্ৰত্যাহাৰ কৰিলে আৰু যুদ্ধৰ অন্ত পেলালে তেওঁলোকে বিনিময়ত পণবন্দীসকলক মুকলি কৰি দিবলৈ সাজু।

## প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে অপমানজনক মন্তব্য
# ইউটিউবাৰ নেহা সিং ৰাথোৰৰ বিৰুদ্ধে আকৌ এজাহাৰ

**বাৰানসী, ২১ মে':** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰি আজি বাৰাণসীৰ সামাজিক সংগঠনে ইউটিউবাৰ নেহা সিং ৰাথোৰৰ বিৰুদ্ধে এফআইআৰ ৰুজু কৰে। শ্ৰী হনুমান সেনা নামৰ এটা সামাজিক সংগঠনৰ সভাপতিৰ অভিযোগত বাৰাণসীৰ লংকা আৰক্ষী থানাত ৰুজু হৈছে এই গোচৰ। বাৰাণসীৰ লংকা আৰক্ষী থানাত পঞ্জীয়ন হোৱা এফআইআৰত অভিযোগকাৰীয়ে ইউটিউবাৰৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক "কাপুৰুষ" আৰু "জেনেৰেল ডায়াৰ" আখ্যা দি অপমানজনক মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰিছে। এফ আই আৰ অনুসৰি এই গোচৰটো ভাৰতীয় ন্যায় সংহিতাৰ (বি এন এছ)ৰ ধাৰা ১৯৭ (১)(ক) আৰু (ঘ), ধাৰা ৩৫৩(২)ৰ অধীনত ৰুজু কৰা হৈছে। ইয়াৰ পূৰ্বেও এপ্ৰিল মাহত নেহা সিং ৰাথোৰৰ বিৰুদ্ধে লক্ষ্ণৌৰ হজৰতগঞ্জ থানাত দেশদ্ৰোহকে ধৰি গুৰুতৰ অভিযোগত গোচৰ ৰুজু হৈছিল। ভাৰতীয় ন্যায় সংহিতা (বিএনএছ), ২০২৩ৰ কেইবাটাও ধাৰাত দাখিল কৰা এই এফআইআৰখন এপ্ৰিল মাহত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত নেহা সিং ৰাথোৰে কৰা মন্তব্যৰ সৈতে জড়িত। ২৩ এপ্ৰিলৰ এক্স পোষ্টত ৰাথোৰে অভিযোগ কৰিছিল যে মোডী নেতৃত্বাধীন চৰকাৰে জাতি আৰু ধৰ্মৰ দোহাই দি ৰাজনীতি চলাইছে।

# বেলুচিস্তানত বিস্ফোৰণ, শিশুসহ ৫ জনৰ মৃত্যু

**ইছলামাবাদ, ২১ মে':** পাকিস্তানৰ দক্ষিণ-পশ্চিম অঞ্চলৰ অশান্ত বেলুচিস্তানত আত্মঘাতী গাড়ী বোমা বিস্ফোৰণে এখন স্কুল বাছত খুন্দা মৰাৰ ফলত তিনিটি শিশুকে ধৰি কমেও পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে ৩৮ জন লোক আহত হয়। স্থানীয় উপায়ুক্ত ইয়াছিৰ ইকবালে সংবাদমাধ্যমক কয় যে বাছখনে শিশুসকলক বিদ্যালয়লৈ লৈ যোৱাৰ সময়ত বেলুচিস্তান প্ৰদেশৰ খুজদাৰ জিলাত এই আক্ৰমণ সংঘটিত হয়। যদিও কোনো গোটে বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই, তথাপিও অঞ্চলটোৰ নিৰাপত্তা বাহিনী আৰু সাধাৰণ নাগৰিকক প্ৰায়ে লক্ষ্য কৰি লোৱা জনগোষ্ঠীয় বেলুচ বিচ্ছিন্নতাবাদীসকলৰ ওপৰত সন্দেহৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, বেলুচিস্তান দীৰ্ঘদিন ধৰি বিদ্ৰোহৰ সাক্ষী হৈ আহিছে, বিএলএকে ধৰি কেইবাটাও গোটে আক্ৰমণ চলাই আহিছে।

# পাক উচ্চায়ুক্তৰ আৰু এজন বিষয়াক বহিষ্কাৰ

**নতুন দিল্লী, ২১ মে':** ভাৰতে বুধবাৰে পাকিস্তান উচ্চায়ুক্তত কৰ্মৰত দ্বিতীয়জন বিষয়াক "চৰকাৰী মৰ্যাদাৰ লগত খাপ নোখোৱা কামত লিপ্ত হোৱা"ৰ বাবে বহিষ্কাৰ কৰে আৰু কৰ্মচাৰীজনক ২৪ ঘণ্টাৰ ভিতৰত দেশ এৰি যাবলৈ নিৰ্দেশ দিয়ে। ১৩ মে'ত ভাৰতত চোৰাংচোৱাগিৰিৰ কৰাৰ অভিযোগত উচ্চায়ুক্তত কৰ্মৰত আন এজন পাক বিষয়া বহিষ্কৃত হৈছিল। পাকিস্তান আৰু ভাৰতৰ দেশৰ মাজত সামৰিক সংঘৰ্ষক লৈ উত্তেজনা বৃদ্ধি পোৱাৰ সময়তে এই কাৰ্য সংঘটিত হৈছে।

# ২০২৪ত ১৮,২০০ হেক্টৰ বনাঞ্চল হেৰুৱালে ভাৰতে

**নতুন দিল্লী, ২১ মে':** ২০২৩ চনত ভাৰতত ১৭,৭০০ হেক্টৰ বনাঞ্চল ধ্বংস হোৱাৰ বিপৰীতে ২০২৪ চনত দেশত ১৮,২০০ হেক্টৰ প্ৰাথমিক বনাঞ্চল নিশ্চিহ্ন হয়। গ্ল'বেল ফৰেষ্ট ৱাচ আৰু মেৰিলেণ্ড বিশ্ববিদ্যালয়ে প্ৰদান কৰা তথ্য অনুসৰি ২০০১ চনৰ পৰা দেশখনত ২৩.১ মিলিয়ন হেক্টৰ গছৰ ক্ষেত্ৰ নোহোৱা হৈছে, যিটো এই সময়ছোৱাত গছৰ আৱৰণ ৭.১ শতাংশ হ্ৰাস আৰু ১.২৯ গিগাটন কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমনৰ সমতুল্য। ভাৰতে ২০০২ চনৰ পৰা ২০২৪ চনলৈকে ৩,৪৮,০০০ হেক্টৰ আৰ্দ্ৰ প্ৰাথমিক বনাঞ্চল (৫.৪ শতাংশ) হেৰুৱাইছিল, যিটো একে সময়ছোৱাত মুঠ গছৰ আৱৰণৰ ক্ষতিৰ ১৫ শতাংশ। ২০২২ চনত ১৬,৯০০ হেক্টৰ, ২০২১ চনত ১৮,৩০০ হেক্টৰ, ২০২০ চনত ১৭,০০০ হেক্টৰ আৰু ২০১৯ চনত ১৪,৫০০ হেক্টৰ অৰণ্য ধ্বংস হৈছে। প্ৰতিটো অঞ্চলৰ বাবে গৱেষকসকলে একোটা লেণ্ডছেট উপগ্ৰহৰ ছবিসমূহক প্ৰাথমিক বন তথ্যত শ্ৰেণীভুক্ত কৰিছিল। শতাধিক সংস্থাৰ সহযোগিতাত ভিত্তিত এই প্ৰতিবেদন প্ৰকাশ কৰা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিটিচি নিৰ্বাচনলৈ তিনিমাহ, তৎপৰতা

পৰিছে। ইতিমধ্যে বিজেপি দলে সমষ্টিসমূহত পৰ্যবেক্ষকৰ দল প্ৰেৰণ কৰাৰ বাবে সাজু হৈছে আৰু পৰ্যবেক্ষক দলৰ প্ৰতিবেদনৰ ভিত্তিত সম্ভাৱনাময় সনষ্টিত বিজেপি দলে প্ৰাৰ্থী থিয় কৰাব বুলি জানিব পৰা গৈছে। বিজেপি দলৰ এনে স্থিতিত ইউপিপিএল আৰু বিপিএফ দলে এতিয়া নিজ নিজ কাৰ্যপন্থা থিৰাং কৰি কঁকালত টঙালি বান্ধিছে। ইউপিপিএল দলে বিটিআৰত ৩২০০ টা বুথ কমিটি গঠন কৰাৰ সমান্তৰালভাৱে ইউপিপিএল মডেলেৰে নিৰ্বাচনী যুঁজৰ বাবে কুচকাৱাজ আৰম্ভ কৰিছে। শান্তি, নিৰাপত্তা আৰু উন্নয়নৰ মূলমন্ত্ৰৰে ইউপিপিএল দলে ভোটাৰৰ কাষ চপা আৰম্ভ কৰিছে। ঘৰে ঘৰে, গাঁৱে গাঁৱে অভিযানেৰে ইউপিপিএল ভোটাৰৰ কাষ চপাৰ চেষ্টা কৰিছে। উল্লেখ্য যে যদিও নিৰ্বাচনত বিজেপিৰ স'তে ইউপিপিএলৰ আসন বুজাপৰা নহ'ব তৎসত্বেও বিজেপিয়ে ইউপিপিএলৰ সতে মধুৰ সম্পৰ্ক ৰাখিব আৰু নিৰ্বাচনৰ পিছতে ইউপিপিএলৰ স'তে লগ লাগি পুনৰ চৰকাৰ গঠন কৰিব বুলি চৰ্চিত হৈছে। আনহাতে বিপিএফ দলেও নিজৰ হেৰোৱা শক্তি পুনৰ ঘূৰাই আনিবলৈ প্ৰচেষ্টা চলাইছে। বিপিএফ দলৰ মূল নেতাসকলৰ প্ৰায়ভাগে ইউপিপিএল দলত যোগদান কৰাত হাগ্ৰামা মহিলাৰী এতিয়া শ'লঠেকত পৰিছে। বিপিএফৰ এনে অৱস্থাৰ মাজতে আজি তিতাগুৰিত এক যোগদান সভা অনুষ্ঠিত হয়। উক্ত যোগদান সভাত ইউপিপিএল দলৰ পৰা ১০০ ৰো অধিক কৰ্মীয়ে বিপিএফ দলত যোগদান কৰে বুলি বিপিএফে দাবী কৰিছে । যোগদান সভাত উপস্থিত থাকি বিপিএফৰ জ্যেষ্ঠ নেতা দেৰহাছাৎ বসুমতাৰীয়ে আগন্তক বিটিচি নিৰ্বাচনত বিপিএফ দলে ২৫ ৰো অধিক আসন দখল কৰি চৰকাৰ গঠন কৰিব বুলি দাবী কৰিছে। তদুপৰি বিটিচিত নিৰ্বাচনত কাৰো সতে বিপিএফৰ মিত্ৰতা নহয় বুলি মন্তব্য কৰি কোনোবাই যদি মিত্ৰতা কৰিব খোজে আমি আলোচনা কৰিম বুলি সদৰি কৰিছে দেৰহাছাৎ বসুমতাৰীয়ে। বিজেপি দলে অকলে খেলিলে নিৰ্বাচনত কিবা প্ৰভাৱ পৰিব নেকি বুলি সাংবাদিকে সোধা এক প্ৰশ্নত্তোৰত দেৰহাসাৎ বসুমতাৰীয়ে কয় যে বিজেপিয়ে অকলে খেলিলেও বিপিএফ দলত একো প্ৰভাৱ নপৰে। আজিৰ যোগদান সভাত প্ৰাক্তন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মও উপস্থিত আছিল আৰু বিপিএফ দলত নতুনকৈ যোগদান কৰা লোকসকলক আৰনাইৰে আদৰণি জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অৱসৰী অধ্যাপক নিযুক্তিৰ বিৰোধিতা

বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত এক সংবাদ মেলযোগে এই সিদ্ধান্তৰ বিৰোধিতা কৰাৰ লগতে চৰকাৰক বিষয়টো পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে সদৌ অসম গৱেষক ছাত্ৰ সমাজে। সদৌ অসম গৱেষক ছাত্ৰ সমাজে সংবাদমেলত উল্লেখ কৰিছে যে চৰকাৰী মহাবিদ্যালয়ত অৱসৰপ্ৰাপ্ত অধ্যাপকক নিযুক্তি দিয়া কাৰ্যই ইউজিচিৰ সকলো নীতি নিৰ্দেশনা ভংগ কৰিব। উল্লেখ্য যে পূৰ্বতে ৬ মাহৰ প্ৰেকটিছৰ পৰিৱৰ্তে নতুন নিযুক্তি প্ৰক্ৰিয়াত সেই সময় ৩ বছৰলৈ বৃদ্ধি কৰা হৈছে। যাৰ বাবে সমস্যাত পৰিছে গৱেষণা কৰি অধ্যাপক হ'ব খোজা গৱেষকসকল। চৰকাৰী সিদ্ধান্ত মতে, চৰকাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপকক নিযুক্তি দিয়া নিযুক্তি বোৰ্ডত স্থানীয় বিধায়কক হস্তক্ষেপৰ কৰ্তৃত্ব দিয়া হৈছে। এই সিদ্ধান্তক লৈও নাৰাজ সদৌ অসম গৱেষক ছাত্ৰ সমাজ। কিয়নো নতুন নিৰ্দেশনা অনুসৰি কাক নিযুক্তি দিব তাৰ সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব থাকিব বিধায়কগৰাকীৰ হাতত। সদৌ অসম গৱেষক ছাত্ৰ সমাজে দাবী কৰিছে যে বিধায়কৰ পৰিৱৰ্তে নিযুক্তি বোৰ্ডত শিক্ষাবিদক অন্তৰ্ভুক্ত কৰিব লাগে। সদৌ অসম গৱেষক ছাত্ৰ সমাজে সংবাদ মেলত ন দি কয় যে মহাবিদ্যালয় সমূহত এক তৃতীয়াংশ অৱসৰপ্ৰাপ্ত অধ্যাপকক নিযুক্তি দিয়াৰ ফলত গৱেষক ছাত্ৰ-ছাত্ৰীৰ মাজত নিবনুৱা সমস্যা বৃদ্ধি হ'ব। ই সমগ্ৰ শৈক্ষিক ক্ষেত্ৰখন বিৰাট প্ৰভাৱ পেলাব। ইয়াৰ উপৰিও দৰমহাৰ গাঁঠনি, নিযুক্তিৰ নিৰাপত্তা আদি বিষয়সমূহো পুনৰ বিবেচনা কৰি ইয়াৰ লগত জড়িত আসোৱাহ সমূহ দূৰ কৰিবলৈ চৰকাৰক দাবী জনাইছে সদৌ অসম গৱেষক ছাত্ৰ সমাজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কলগাছিয়াত সমজিলাৰ কাৰ্যালয়

শৰ্মাই ঘোষণা কৰাৰ পিছতেই কলগাছিয়াত সমজিলাৰ কাৰ্যালয় স্থাপন কৰিবলৈ আশা আৰু উদ্দীপনাৰে মুখ্যমন্ত্ৰীক কাতৰ আহ্বান জনাইছে কলগাছিয়াৰ সচেতন ৰাইজৰ লগতে হিন্দু সমাজে। উল্লেখ্য যে, অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে অহা ১৫ আগষ্টৰ ভিতৰত কামৰূপ জিলাৰ বকো ছয়গাঁও আৰু পলাশবাৰী, শোণিতপুৰ জিলাৰ ৰঙাপাৰা আৰু বৰছলা, যোৰহাট জিলাৰ মৰিয়নি আৰু টিয়ক, তিনিচুকীয়া জিলাৰ মাকুম আৰু ডিগবৈৰ উপৰি কাছাৰৰ ধলাই আৰু গোৱালপাৰাৰ দুধনৈত দহটাকৈ সমজিলা কাৰ্যক্ষম কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। সেয়ে পৰৱৰ্তী তালিকাত বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলৰ দুই লক্ষাধিক লোক আৰু বাঘবৰ ৰাজহ চক্ৰৰ লক্ষাধিক লোকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কলগাছিয়াত সমজিলাৰ কাৰ্যালয় স্থাপন কৰিবলৈ দাবী জনাইছে ৰাইজে। নৱ গঠিত মন্দিয়া সমষ্টিৰ প্ৰায় মাজভাগত অৱস্থিত যাতায়াত আৰু যোগাযোগৰ ফালৰ পৰা সুবিধাজনক, পৰ্যাপ্ত আন্তঃগাথঁনি থকা কলগাছিয়াত সমজিলাৰ কাৰ্যালয় স্থাপন হ'লে সৰ্বস্তৰৰ ৰাইজৰ উপকাৰ হ'ব বুলি ৰাইজে জানিবলৈ দিছে। তদুপৰি ২০১৬ চনৰ ১ জানুৱাৰীত ৩ য় প্ৰস্তাৱিত কলগাছিয়া মহকুমাক বৰপেটা জিলাৰ 'কলগাছিয়া অসামৰিক মহকুমা' হিচাপে চৰকাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰি আধাৰশিলা স্থাপন কৰিছিল যদিও বৰ্তমান চৰকাৰখনে মহকুমা ব্যৱস্থাৰ বিলুপ্তি ঘটাই সমজিলা হিচাপে উন্নীত কৰিছে। সেয়ে কলগাছিয়াবাসীৰ প্ৰায় ৭০ বছৰীয়া মহকুমা স্থাপনৰ দাবীৰ প্ৰতি সন্মান জনাই পৰৱৰ্তী কেবিনেটত সমজিলাৰ কাৰ্যালয় স্থাপনৰ তালিকাখনত কলগাছিয়াৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ বৃহত্তৰ কলগাছিয়া অঞ্চলৰ সচেতন ৰাইজৰ লগতে একাংশ হিন্দু সমাজে দাবী উত্থাপন কৰিছে। তেওঁলোকৰ ভিতৰত জনতাৰ অখিল চন্দ্ৰ ঘোষ, বালাগাঁও-ক্ষুদ্ৰকুছিৰ বাদল চন্দ্ৰ আৰ্য, মইনবৰীৰ খিতিশ চন্দ্ৰ সাহা, খগেন চন্দ্ৰ পাল, ক্ষুদ্ৰকুছিৰ চন্দ্ৰকান্ত আৰ্য্য, কলগাছিয়াৰ কমল ৰায়, শেফালী মালাকাৰ, বালাগাৰৰ সোমা আৰ্য্য, বগুলামাৰীৰ সুশীল কুমাৰ সৰকাৰ, অনিৰুদ্ধ আৰ্য্যৰ উপৰিও অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য এম মোজাম্মেল হুছেইন, অৱসৰপ্ৰাপ্ত অধ্যাপক খন্দকাৰ আব্দুল গফুৰ, সমাজ সেৱিকা ফাহমিদা খান, পাৰবীন মজিদ আদি বিশিষ্ট ব্যক্তিসকলে কলগাছিয়াত সমজিলাৰ কাৰ্যালয় স্থাপন কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীক কাতৰ আহ্বান জনাইছে। মন কৰিবলগীয়া যে, মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মান-আহোমৰ শেষ ৰণস্থলী হাদিৰা চকী, বিখ্যাত কবি শৈলধৰ ৰাজখোৱাৰ মনোমতী উপন্যাসত উল্লিখিত ফুলৰা-চতলাৰ পৰা ভটদেৱৰ জন্মস্থান ভেৰা গাঁওলৈ এই বৃহত্তৰ অঞ্চলেই হ'ল কলগাছিয়া। আনহাতে, কালৰূপী বেঁকী নদীয়ে বৰপেটা সদৰৰ পৰা দুভাগ কৰা, সিফালে মানাহ নদীয়ে অভয়াপুৰীৰ পৰা পৃথক কৰা মাজৰ মাজুলী সদৃশ ভূ-খণ্ডৰ একমাত্ৰ ব্যৱসায়-বাণিজ্য আৰু স্বাস্থ্যসেৱাৰ সুবিধাজনক স্থান হ'ল কলগাছিয়া। সেয়ে কলগাছিয়াক সদৰ কাৰ্যালয় হিচাপে লৈ চৰকাৰে সমজিলাৰ পৰৱৰ্তী তালিকা প্ৰকাশ কৰিব বুলি আশা কৰিছে স্থানীয় ৰাইজে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# চাৰিটা পৰিষদীয় সমষ্টিত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক প্ৰাৰ্থিত্ব প্ৰদানৰ আহ্বান

## কোকৰাঝাৰত আক্ৰাছুৰ সংবাদমেলঃ শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ লগোৱা কাৰ্যক গৰিহণা

**ই-সংবাদ, কোকৰাঝাৰ, ২১ মে':** বিটিচি নিৰ্বাচনৰ দিন-তাৰিখ বৰ্তমানলৈকে ৰাজ্যিক নিৰ্বাচন আয়োগে ঘোষণা কৰা নাই যদিও অহা ছেপ্টেম্বৰ মাহত বিটিচিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰাৰ পিছতে ৰাজনৈতিক দল আৰু সংগঠনসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। বিটিচিৰ নিৰ্বাচনক লৈ দল-সংগঠনসমূহৰ মাজত তৎপৰতা বৃদ্ধি পোৱাৰ সময়তে আজি আক্ৰাছুৱে কোকৰাঝাৰ প্ৰেছ ক্লাবত এক সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মনে আগন্তুক বিটিচি নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিটিচি অঞ্চলত বসবাস কৰা কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লগতে প্ৰতিটো ভূমিপুত্ৰ খিলঞ্জীয়া জনগোষ্ঠীৰ ৰাজনৈতিক অধিকাৰ সুনিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। বিটিচিত কোঁচ-ৰাজবংশী জনগোষ্ঠীক ৰাজনৈতিকভাৱে পংগু কৰা হৈছে বুলি মন্তব্য কৰি বলোৰাম বৰ্মনে অনাগত বিটিচি নিৰ্বাচনত প্ৰতিজন খিলঞ্জীয়া নাগৰিকক খিলঞ্জীয়া প্ৰতিনিধিক ভোট প্ৰদান কৰি ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ বাবে আহবান জনায়। আগন্তুক বিটিচি নিৰ্বাচনত অজনজাতীয় আৰু মুকলি সমষ্টিসমূহত বিশেষকৈ ফকিৰাগ্ৰাম, গুমা, থুৰিবাৰী আৰু মথনগুৰি পৰিষদীয় সমষ্টিত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ সকলো ৰাজনৈতিক দললৈ আহবান জনাইছে। এইক্ষেত্ৰত জাতি-মাটি-ভেটি ৰক্ষাৰ কথা কোৱা বিজেপি দলকে ধৰি আন ৰাজনৈতিক দলসমূহে কাৰ্যকাৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল আৰু বিজেপি দলত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ বহু লোকে সক্ৰিয়ভাৱে কাম কৰি থকাৰ পিছতো বিটিচি পৰিষদীয় চৰকাৰত এজনো কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিনিধি নিৰ্বাচিত নোহোৱা তথা মনোনীত নকৰাত ক্ষোভ প্ৰকাশ কৰি আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মনে এইবাৰ যাতে এনে পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ প্ৰতি সচেতন হোৱাৰ আহ্বান জনাইছে। জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য পুনৰগঠনৰ দাবীত আক্ৰাছু অটল হৈ আছে। আৰু কোঁচ-ৰাজবংশীৰ আৱেগ-অনুভূতিক লৈ খেলা কৰিলে ইয়াৰ প্ৰত্যুত্তৰ এইবেলি নিৰ্বাচনত দিব বুলি মন্তব্য কৰি বলোৰাম বৰ্মনে কয় যে কোঁচ-ৰাজবংশী অধ্যুষিত অজনজাতীয় বা মুকলি সমষ্টিত এইবাৰ স্ব-জাতীয় প্ৰাৰ্থী দিয়াৰ ক্ষেত্ৰত কোঁচ-ৰাজবংশী জনতা ঐক্যবদ্ধ হৈছে। তদুপৰি বৰ্তমানৰ ফকিৰাগ্ৰাম সমষ্টিৰ নিৰ্বাচিত সদস্য তথা কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ বিৰুদ্ধে আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মনে বিষোদগাৰ প্ৰকাশ কৰিছে। আনহাতে, আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক আৰক্ষীয়ে আটক কৰি হাতত হেণ্ডকাফ লগোৱা কাৰ্যক গৰিহণা দি আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মনে খিলঞ্জীয়া বৰ্তমান সকলোতে নিৰ্যাতিত হোৱা বুলি মন্তব্য কৰে। আজিৰ এই সংবাদমেলত আক্ৰাছুৰ উপ-সভাপতি দ্বীপেন পাঠক, সোণা ডেকা, সহঃ সাধাৰণ সম্পাদক ৰত্নেশ্বৰ পাটোৱাৰী, যুটীয়া সম্পাদক ভামষজ্যোতি দাস, চন্দন ৰায়, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল চৌধুৰী আৰু চিলাৰায় সেনাৰ ৰাজু কুমাৰ ৰায় উপস্থিত থাকে।

# মুকালমুৱা কালদি লাউপাৰা গাঁৱৰ এগৰাকী অসহায় বৃদ্ধাৰ কৰুণ কাহিনী



**ই-সংবাদ, মুকালমুৱা, ২১ মে'ঃ** মুকালমুৱা কালদি গাঁৱৰ পুৰ্ণিমা কলিতাৰ কৰুণ জীৱন গাঁথা। অকলশৰীয়া বৃদ্ধাগৰাকীৰ ঘৰৰ পৰিৱেশ দেখিলে চকু সেমেকিব আপোনাৰো। দুই পুত্ৰ থকাৰ পাছতো অসহায় বৃদ্ধাগৰাকী দুজনকৈ পুত্ৰ সন্তানৰ এজন মানসিকভাৱে বিকাৰগ্ৰস্ত। আনহাতে আন এজন কৰ্মসূত্ৰে পৰিয়ালসহ থাকে গুৱাহাটীত। মাতৃৰ খবৰ লবলৈ সময় নাই পুত্ৰৰ। বৃদ্ধাগৰাকীৰ থাকিবলৈ নাই উপযুক্ত বাসগৃহ। ধুমুহা-বৰষুণত বিচনাৰ তলতে থাকিব লগা হয় বৃদ্ধাগৰাকী। ৰাজ্যত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ লাখ লাখ হিতাধিকাৰী সৃষ্টি হ'ল যদিও আৱাস যোজনাৰ তালিকাত নাম নাহিল বৃদ্ধা আইতাৰ। কেকান কাপলাবড়ি গাঁও পঞ্চায়তৰ সভাপতিৰ লগতে পঞ্চায়তখনৰ সদস্যাৰ ৫ বছৰে খবৰ ল'বলৈ আহৰি নহ'ল বৃদ্ধাগৰাকীৰ। মাজে-সময়ে দিনৰ দিনটো খাবলৈ এমুঠি অন্ন নাপায় আইতাই। কেইদিনমান আগতে গাঁওখনৰ যুৱককেইজনমানৰ সৈতে ৰূপাঞ্জলি দাস লগতে প্ৰীতম গোস্বামীয়ে মহিলাগৰাকীক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। সংবাদ মাধ্যমৰ জৰিয়তেই অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কান্দি কান্দি এটি ঘৰ দিবলৈ অনুৰোধ জনালে আইতাই।

# নগাঁৱত নিচাযুক্ত ঔষধসহ ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ, বেবেজীয়া, ২১ মে':** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি নিচাযুক্ত সামগ্ৰীৰ বেহা গোপনে অব্যাহত ৰখাৰ সময়তে সোমবাৰে নিশা বৃহৎ পৰিমাণৰ নিচাযুক্ত ঔষধসহ আৰক্ষীৰ জালত পৰে এটা কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে নগাঁও চহৰৰ পাৰ্শ্ববৰ্তী বেঙেনাআটিৰ মইনুল হক ওৰফে ভাই। আচলতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত অতৰ্কিতে মৰিকলং আৰক্ষী পহৰা চকীৰ আৰক্ষীৰ দলে চলাইছিল এই সফল অভিযান। এই অভিযানত বেঙেনাআটিৰ পৰা মৰিকলং আৰক্ষীয়ে আটক কৰে কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক। অভিযান কালত আৰক্ষীয়ে সৰবৰাহকাৰীটোয়ে মজুত কৰি ৰখা ২০ হাজাৰ নিচাযুক্ত টেবলেট আৰু বুজন পৰিমাণৰ কফ ছিৰাপৰ বটল জব্দ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী মইনুল হক ওৰফে ভাইয়ে আৰক্ষীৰ চকুত ধূলি দি দীৰ্ঘদিনৰে পৰা এই অসাধু বেহা ৰমৰমীয়াকৈ চলাই আহিছিল। ঘাইকৈ নগাঁৱৰ বহু স্কুল-কলেজৰ ছাত্ৰক ড্ৰাগছ যোগান ধৰি আহিছিল বুলি জানিব পৰা গৈছে।

# কলগাছিয়াত এটিএম জালিয়াতি কৰি ১.২৫ লাখ টকা লুট দুষ্ট চক্ৰৰ

**ই-সংবাদ, কলগাছিয়া, ২১ মে':** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত দেউকুৰা গাঁৱৰ শামচুল হক নামৰ এজন বৃদ্ধ ব্যক্তিৰ ভাৰতীয় ষ্টেট বেংকৰ কলগাছিয়া শাখাৰ এটি এম কাৰ্ডখন জালিয়াতিৰে পৰিৱৰ্তন কৰি দুষ্ট চক্ৰই দুদিনত ১ লাখ ২৫ হাজাৰ টকা একাউণ্টৰ পৰা উলিয়াই লৈ যোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ফলত বৃদ্ধগৰাকীয়ে ন্যায় বিচাৰি কলগাছিয়া আৰক্ষী থানাত অভিযোগ দাখিল কৰিছে যদিও কোনো সুফল লাভ কৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে ভুক্তভোগীয়ে। উল্লেখ্য যে, শামচুল হক নামৰ বৃদ্ধগৰাকীয়ে চলিত মাহৰ ১০ তাৰিখে কলগাছিয়া পাট বজাৰৰ কাষত অৱস্থিত ভাৰতীয় ষ্টেট বেংকৰ এটিএমৰ পৰা টকা উঠাবলৈ আহিছিল যদিও কাষতে থিয় হৈ থকা এজন অচিনাকি যুৱকে মানুহজনক টকা উলিওৱাত সহায় কৰি দিব বুলি কৈ চতুৰালিৰে এটি এম কাৰ্ডখন পৰিৱৰ্তন কৰি লয়। পিছত এ টি এম জালিয়াতিৰে বৃদ্ধ মোঃ শামচুল হকৰ বেংক একাউণ্টৰ পৰা উক্ত দিনটোতেই খৰিচালা বজাৰৰ এছ বি আই, এ টি এমৰ পৰা দহ হাজাৰ কৈ মুঠ ৪০,০০০ টকা দুষ্ট চক্ৰটোৱে উলিয়াই লয়। পিছদিনা ১১ মে'ত বৰপেটাৰোড এটিএমৰ পৰা দহ হাজাৰ কৈ মুঠ ৩০,০০০ টকা উঠাই লয় দুষ্ট চক্ৰটোৱে। লগতে সিদিনাই গুৱাহাটীস্থিত ৰতনলাল জুৱেলাৰী এ টি এমৰ পৰা ক্ৰমে ৩৪,০০০ আৰু ১১,০০০ টকা উঠাই লয়। এইদৰে বৃদ্ধগৰাকীৰ একাউণ্টৰ পৰা এ টি এম জালিয়াতিৰে দুষ্ট চক্ৰই মুঠ ১.১৫ লাখ টকা লুট কৰি নিয়াত মূৰে-কপালে হাত দিব লগীয়া হৈছে বৃদ্ধগৰাকীয়ে। ফলত ন্যায় বিচাৰি ভুক্তভোগীয়ে কলগাছিয়া আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে যদিও কোনো সুফল লাভ কৰা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। উক্ত ঘটনা সন্দৰ্ভত ইতিমধ্যে ভাৰতীয় ষ্টেট বেংক কৰ্তৃপক্ষক অৱগত কৰাৰ লগতে আৰক্ষী প্ৰশাসনক অভিযোগ দাখিল কৰিছে যদিও এতিয়ালৈ এ টি এমৰ চি চি টি ভি পৰীক্ষা কৰি দুষ্ট চক্ৰটোক কৰায়ত্ত কৰিবলৈ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই বুলি অভিযোগ উত্থাপন কৰিছে বৃদ্ধগৰাকীয়ে। সেয়ে ঘটনাৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক কাতৰ আহ্বান জনাইছে ভুক্তভোগীয়ে।

# গাঁঠিৰ ধনেৰে নৱ-নিৰ্বাচিত ৱাৰ্ড সদস্যই নিৰ্মাণ কৰিলে পথ

**ই-সংবাদ, কলগাছিয়া, ২১ মে':** বৰপেটা জিলাৰ কলগাছিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪২ নং টাপেশ্বৰা গাঁও পঞ্চায়তৰ দাৰনদিয়া গাঁৱৰ এটা ৰাস্তা দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ আৰু বোকাপানীৰে যাতায়াতৰ অনুপযোগী হৈ থকাত স্থানীয় ৰাইজে যমৰ যাতনা ভুগিব লগা হৈছিল। গাঁওখনৰ ১০ নং খণ্ডৰ নৱ নিৰ্বাচিত সদস্য মৰ্জিনা খাতুনে সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ সভাত তেওঁ জয়ী হ'লে উক্ত ৰাস্তাটো মেৰামতি কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। সেয়ে নিৰ্বাচনত জয়ী হৈ গাঁঠিৰ ধন খৰচ কৰি শিল-বালি পেলাই উক্ত ভঙা ৰাস্তাটো মেৰামতি কৰিবলৈ হাতে-কামে লাগি পৰে নৱ নিৰ্বাচিত ৱাৰ্ড মেম্বৰ মৰ্জিনা খাতুন। যি সময়ত টকাৰ লোভত একাংশ ৱাৰ্ড সদস্যই ঘোঁৰাৰ দামত বিক্ৰী হৈ ৰাইজক ৰাম ঠগন দি আহিছে, তেনে সময়তে ৰাইজৰ কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে দাৰনদিয়া গাঁৱৰ ১০ নং খণ্ডৰ সদস্য মৰ্জিনা খাতুন। নিৰ্বাচনত জয়ী হৈ শপত গ্ৰহণ কৰাৰ পূৰ্বেই স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে শ শ লোকৰ সুবিধাৰ বাবে গাঁঠিৰ ধন খৰচ কৰি দাৰনদিয়া গাঁৱৰ ৰাস্তাটো মেৰামতি কৰি দিয়াৰ বাবে নৱ নিৰ্বাচিত ৱাৰ্ড সদস্যগৰাকীৰ ভোটাৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# কামৰূপ জিলাত অৰুণোদয় ৩.০ৰ পৰ্যালোচনা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২১ মে':** ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত অৰুণোদয় ৩.০ৰ বাবে গঠিত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠকত সভাপতিত্ব কৰে। বৈঠকত অৰুণোদয় ৩.০ৰ অধীনত কামৰূপ জিলাৰ ১,৬৬,৩৮০ গৰাকী হিতাধিকাৰীক সামৰি লোৱাৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। বিশেষকৈ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই লক্ষ্যত উপনীত হোৱাৰ দিশত অতিকৈ গুৰুত্বপূৰ্ণ হিতাধিকাৰীৰ আবেদন পত্ৰ ডিজিটাইজেচনৰ ক্ষেত্ৰত জিলাখনত উন্নয়ন খণ্ড পৰ্যায়ত চলি থকা কামৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত উপস্থিত থকা সকলো খণ্ড উন্নয়ন বিষয়াক প্ৰ-পত্ৰ ডিজিটাইজেচনৰ কাম সম্পূৰ্ণ কৰাৰ বাবে নিৰ্ধাৰিত ৩০ মে'ৰ ভিতৰত সকলোখিনি প্ৰ-পত্ৰ যাতে ডিজিটাইজ কৰি তোলা হয় তাৰ বাবে গুৰুত্বসহকাৰে কাম কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ লগতে অৰুণোদয় ৩.০ ৰ ৰূপায়নৰ বাবে থকা ডি আই ডি এছ প'ৰ্টেলত হিতাধিকাৰীৰ তথ্য আপলোডৰ সময়ত তথ্যৰ শুদ্ধতা নিশ্চিত কৰা, এটা পৰিয়ালৰ পৰা যাতে এজনতকৈ অধিক হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্তি নহয় আদি দিশসমূহতো নজৰ ৰাখিবলৈ খণ্ড উন্নয়ন বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসৰ লগতে সাংসদ-বিধায়কসকলৰ প্ৰতিনিধিসকল উপস্থিত থকা বৈঠকত প্ৰথমেই অৰুণোদয় ৩.০ৰ অধীনত কামৰূপ জিলাত চলি থকা কামৰ অগ্ৰগতিৰ ওপৰত ব্যাখ্যা আগবঢ়ায় কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই। বৈঠকত ৰঙিয়া সমজিলাৰ সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, সহকাৰী আয়ুক্ত পাৰ্থ প্ৰতীম চৌধুৰী, বিভিন্ন উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

# নগাঁৱৰ খালৈগাঁৱত ব্ৰইলাৰ ফাৰ্মত ভয়ংকৰ অগ্নিকাণ্ড

## লক্ষাধিক টকাৰ ক্ষতিসাধন

**ই-সংবাদ, বেবেজীয়া, ২১ মে':** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন খালৈগাঁৱত সোমবাৰে নিশা ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। স্থানীয় মনোৰঞ্জন শইকীয়া নামৰ এজন ব্যক্তিৰ ব্ৰয়লাৰ ফাৰ্মত এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, আকস্মিকভাৱে জ্বলি উঠা জুইৰ লেলিহান শিখাই নিমিষতে ফাৰ্মখনৰ চৌপাশ আগুৰি ধৰি সকলো পুৰি পেলায়। ঘটনাৰ আকস্মিকতাত সমগ্ৰ অঞ্চলটোতে হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বহুলোক সমবেত হৈ স্থানীয় আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। অগ্নিকাণ্ডৰ ফলত গোটেই ফাৰ্মখনৰ লগতে তাত থকা ১৬০০ টা ব্ৰইলাৰ মুৰ্গী আৰু বিভিন্ন সামগ্ৰী জুইত সম্পূৰ্ণৰূপে ভস্মিভূত হয়। অগ্নিকাণ্ডত লক্ষাধিক টকাৰ ক্ষতিসাধন হয়। অৱশ্যে দপদপাই জ্বলি উঠা জুইৰ পৰা কাষতে থকা চৰ্দাৰ বল্লভভাই পেটেল খালৈগাঁও প্ৰাথমিক বিদ্যালয়খন কথমপি ৰক্ষা পৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ অদ্যপি জানিব পৰা হোৱা নাই যদিও বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ বাবেই এই বিধ্বংসী অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ সন্দেহ ব্যক্ত কৰিছে স্থানীয় সচেতন মহলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নলবাৰীত দুই প্ৰয়াত ব্যক্তিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**ই-সংবাদ, বাঁহজানী, ২১ মে':** নলবাৰী জিলাৰ জনপ্ৰিয় কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ, বিশিষ্ট সমাজকৰ্মী, প্ৰজ্ঞা ফাউণ্ডেচন নলবাৰীৰ কাৰ্যকৰ্তা, দক্ষিণ নলবাৰী কলেজৰ প্ৰবক্তা তথা বিশ্ব হিন্দু পৰিষদ বজৰংগ দলৰ এগৰাকী অতি শুভাকাংক্ষী শ্ৰদ্ধাৰ অমৰ কিৰণে(দিপন) কালি ইহলীলা সম্বৰণ কৰে। আন এগৰাকী শুভাকাংক্ষী অমৰ নাথ ভোলে সেৱা দলৰ সভাপতি সদ্য প্ৰয়াত বিষ্ণু সূত্ৰধৰ। এওঁলোক দুয়োজনৰে মৃত্যুত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিশ্ব হিন্দু পৰিষদ বজৰংগ দল নলবাৰী জিলাৰ ফালৰ পৰা আজি সন্ধিয়া ৫.৩০ বজাত নলবাৰী গোলপাৰ্কত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত কৰা হয়। উক্ত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত বিশ্ব হিন্দু পৰিষদ বজৰংগ দলৰ উত্তৰ প্ৰান্তৰ সহঃ ধৰ্ম প্ৰচাৰ প্ৰমুখ অনুপ দাস, বিশ্ব হিন্দু পৰিষদ নলবাৰী জিলাৰ সম্পাদক ভাস্কৰ ডেকা, সহঃ সম্পাদক বিজু দত্ত, উপ-সভাপতি মানস পাটগিৰি, বজৰংগ দলৰ সংযোজক নয়ন তালুকদাৰ, মিলন কেন্দ্ৰ প্ৰমুখ মিলন তালুকদাৰ, অমৰনাথ ভোলে সেৱা দলৰ সভাপতি গোকুল মহন্ত, উপ-সভাপতি অতুল বৰ্মন, মহাৰুদ্ৰ কাৰাবীয়া সংঘৰ সম্পাদক ৰাজীৱ চৌধুৰী, যুৱ নেতা দিগন্ত মিশ্ৰ, অনুপম ডেকা, জিনেন্দ্ৰ জৈনকে ধৰি শতাধিক লোক উপস্থিত থাকে।

# তিনিচুকীয়া জিলা আয়ুক্তৰ চিকিৎসালয় পৰিদৰ্শন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ মে':** আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস হোৱাৰ লগতে নিয়মীয়া প্ৰতিষেধক প্ৰদানৰ দিন। এই উপলক্ষে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি জিলাখনৰ দিয়ামুলি আৰু বাঘজান চাহ বাগিচা চিকিৎসালয় পৰিদৰ্শন কৰে। তেওঁ চিকিৎসালয়ৰ অৱস্থাৰ বুজ লোৱাৰ লগতে চিকিৎসা কৰ্মী, আশা কৰ্মী আৰু সেৱা গ্ৰহণকাৰী ৰাইজৰ সৈতে বাৰ্তালাপ কৰে। জিলা আয়ুক্তগৰাকীয়ে মূলতঃ চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনি, মিছন ইন্দ্ৰধনুশৰ অধীনত শিশুসকলৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান আঁচনি, শিশুৰ পৰিপুষ্টিৰ বাবে পোষণ ২.০ আঁচনি, প্ৰসূতিৰ পৰিপুষ্টিৰ বাবে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আদি আঁচনিৰ বিষয়ে চাহ বনুৱাসকলক বুজাই কয় আৰু ইয়াৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীৰ সৈতে স্বাস্থ্য আৰু সমাজ কল্যাণ বিভাগৰ বিষয়াও উপস্থিত থাকে।

# মৰিয়নি পৌৰসভাৰ ভূমিত নীতি বহিঃভূতভাৱে গৃহ নিৰ্মাণ, প্ৰতিবাদ

**ই-সংবাদ, মৰিয়নি, ২১ মে':** মৰিয়নি নগৰৰ ৬ নম্বৰ ৱাৰ্ডত এগৰাকী বহিৰাগত বণিয়াই মৰিয়নি পৌৰসভাৰ এটা নলা দখল কৰি গৃহ নিৰ্মাণ আৰম্ভ কৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সাধুকুটিৰ সমীপৰ পৌৰ কাৰ্যালয়ৰ সন্মুখৰ দিশত অৱস্থিত উক্ত নলাটো সম্পূৰ্ণৰূপে দখল কৰি জনৈক চাহানী উপাধিৰ বণিয়াগৰাকীয়ে নিজৰ চাৰিসীমা নিৰ্ধাৰণ কৰি আৰ.চি.চি. গৃহ নিৰ্মাণ অব্যাহত ৰাখিছে। ইয়াৰ ফলত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, পৌৰপতি গৰাকীয়ে গৃহ নিৰ্মাণৰ কাম বন্ধ ৰখাৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই পৌৰসভাৰ এগৰাকী অভিযন্তাৰে গোপনে বুজাবুজি কৰি নিৰ্মাণ কাম চলাই আছে বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত পৌৰপতিৰ আদেশ উপেক্ষা কৰি বহিৰাগত বণিয়াগৰাকীয়ে কেনেদৰে পৌৰসভাৰ নলাৰ ওপৰত অবৈধভাৱে গৃহ নিৰ্মাণ কৰিবলৈ সক্ষম হ'ল, তাক লৈ স্থানীয় সচেতন মহলে প্ৰশ্ন উত্থাপন কৰিছে। নলাটো বন্ধ কৰি ৰখাৰ ফলত বৰষুণৰ দিনত নগৰখনৰ পানী সঠিকভাৱে নিষ্কাশন নহ'লে নগৰবাসীয়ে অনাকাংক্ষিত সমস্যাৰ সন্মুখীন হোৱাৰো সম্ভাৱনা বৃদ্ধি পাইছে। এনে উদ্বেগজনক পৰিস্থিতিতো বিভাগীয় কৰ্তৃপক্ষই বিষয়টোত বিশেষ মনোযোগ দিয়া পৰিলক্ষিত হোৱা নাই। আনহাতে, বণিয়াগৰাকীয়ে নিৰ্মাণ কৰি থকা গৃহটোৰ ওপৰেৰে কেৱল ১০ মিটাৰ উচ্চতাত ১১ হাজাৰ ভল্টৰ বিদ্যুৎ তাৰ পাৰ হৈ যোৱাৰ দৰে বিপজ্জনক পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পাছতো, কোনো নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। স্থানীয় ৰাইজে এই অনিয়ম আৰু বেদখলকাৰীৰ বিৰুদ্ধে তৎকালীন ব্যৱস্থা গ্ৰহণৰ দাবী আৰু সংশ্লিষ্ট বিভাগক সজাগ হোৱাৰ আহ্বান জনাইছে।

# কপিলী জলবিদ্যুৎ প্ৰকল্পৰ গে'ট খুলিছে নীপক'ৰে, মধ্য অসমত বানৰ আশংকা

**ই-সংবাদ, কামপুৰ, ২১ মে':** ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ খান্দং (Khandong) বান্ধৰ ৭টাকৈ গেট খুলি দিয়াৰ ফলত যোৱা নিশাৰ পৰা নগাঁও আৰু মৰিগাঁও জিলাৰ মাজেৰে বৈ যোৱা কপিলী নদীৰ জলপৃষ্ঠ ক্ৰমশঃ বৃদ্ধি পাইছে। ডিমা হাচাওৰ খান্দং বান্ধ, কপিলী হাইড্ৰ পাৱাৰ ষ্টেচনৰ ৰিজাৰ্ভাৰত পানীৰ উচ্চতা বৃদ্ধি হোৱাত এই গেটকেইখন খুলি দিয়া হৈছে বুলি জানিব পৰা গৈছে। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ ৭ খন গেটেৰে পানী বৈ অহাত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈছে। বিগত কেবাদিন ধৰি হৈ থকা বৰষুণৰ বাবে জলবিদ্যুৎ প্ৰকল্পৰ গেট মুকলি কৰি ৰাখিব লগা হৈছে। ডিমা হাচাও আৰু মেঘালয়ত বৰষুণ হৈ থাকিলে কপিলী নৈৰ জলপৃষ্ঠ অধিক বৃদ্ধি পাব বুলি জানিব পৰা গৈছে। ইপিনে, কামপুৰত যোৱা নিশাৰ পৰা কপিলীৰ জলপৃষ্ঠ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যাৰ বাবে কপিলী নদীৰ লগত সংলগ্ন যমুনা, হাৰিয়া আদি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কপিলী নৈৰ পানী বাগৰিলে বকুলগুৰি, পদুমণি, কলনি, যমুনামুখ, কচুৱা, কামপুৰ, চাংচকী, গাৰোখুন্দা আদিকে ধৰি মধ্য অসমৰ বহু অঞ্চল বানপানীৰ কবলত পৰাৰ সম্ভাৱনা আছে। ইতিমধ্যে, নগাঁও জিলা প্ৰশাসনে কপিলী নৈ পৰীয়া লোকক সতৰ্ক হৈ থাকিবৰ বাবে জাননী জাৰি কৰিছে। বাতৰি লিখাৰ সময়ত কামপুৰত বৰষুণ কমিছে যদিও কপিলীৰ জলপৃষ্ঠ বৃদ্ধি হৈ আছে। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ এক সূত্ৰ মতে, খান্দং বান্ধৰ ৭ খন গেট মুকলি হৈ থকাত পানীৰ গতি প্ৰাকৃতিক অৱস্থাত আছে।

# কাৰ্বি আংলঙৰ যমুনাগাঁও নিৱাসী নিৰুপ্ৰভা দাস লস্কৰৰ আদ্যশ্ৰাদ্ধ সম্পন্ন

**ই-সংবাদ, হাওৰাঘাট, ২১ মে':** ঘূৰি নহা বাটেৰে চিৰদিনৰ বাবে গুচি গ'ল চিৰসেউজ কাৰ্বি আংলং জিলাৰ হাওৰাঘাট থানাৰ অন্তৰ্গত যমুনা গাঁও নিবাসী তথা পণ্ডিতঘাটৰ যমুনাপাগলা থান নিৱাসী শংকৰ লস্কৰৰ সহধৰ্মিনী স্বৰ্গীয় নিৰু প্ৰভা দাস লস্কৰ। আজি তেওঁৰ মাংগলিক আদ্যশ্ৰাদ্ধ সম্পন্ন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগৰে পৰা শংকৰ সংঘৰ পৰম্পৰাগত সামাজিক ৰীতি-নীতিৰে ভকত-বৈষ্ণৱ, বাপসকলৰ দ্বাৰা নাম-প্ৰসংগ, পুথি পাঠ, হৰি নাম আদি কাৰ্যসূচী হাতত লোৱা হয়। স্বৰ্গীয় নিৰুপ্ৰভা দাস লস্কৰ ধিঙৰ ১ নং আটগাঁৱৰ জীয়ৰী আৰু কাৰ্বি আংলঙৰ যমুনাগাঁৱৰ বোৱাৰী। সহজ-সৰল, সু-শিক্ষিতা, মানৱ দৰদী, শান্ত মনৰ অধিকাৰী সমাজ হিতৈশী, স্বৰ্গীয় নিৰু প্ৰভা দাস লস্কৰে যোৱা ১১ মে'ত পণ্ডিতঘাট-যমুনাপাগলাথানৰ নিজা বাসগৃহত পুৱা ৩.৪৫ মিনিটত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ আনুমানিক বয়স আছিল ৫২ বছৰ। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ লগতে দুই পুত্ৰ-কন্যাক এৰি থৈ যায়। দীৰ্ঘদিন ধৰি তেওঁ এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। ইফালে, যমুনা গাঁৱৰ মিলিজুলি আত্মসহায়ক গোটৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আৰু পণ্ডিতঘাট প্ৰাক প্ৰাথমিক বিদ্যালয়ত বিগত দুটা বছৰে সেৱিকা হিচাপে শিক্ষাদান দিয়া নিৰুপ্ৰভা দাস লস্কৰৰ মৃত্যুত বিদ্যালয়খনত ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

# গোৱালপাৰাৰ দুধনৈ নদীত মাছ ধৰিবলৈ গৈ ছাত্ৰ সন্ধানহীন

**ই-সংবাদ, শিমলীতোলা, ২১ মে':** গোৱালপাৰা জিলাৰ দুধনৈ নৈত পৰি দশম শ্ৰেণীৰ এজন ছাত্ৰ সন্ধানহীন হোৱাক লৈ ছাত্ৰজনৰ পৰিয়ালৰ লগতে আত্মীয়সকলৰ মাজত হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হয়। জানিব পৰা মতে, ছাত্ৰ জন মাটিয়া থানাৰ অন্তৰ্গত গাৰোপাৰাৰ মিকছেং কে মাৰাকৰ পুত্ৰ ক্ৰছফিল্ড চাংমা। দুধনৈ নৈত কেবাজন লগৰীয়াৰ সৈতে মাছ মাৰিবলৈ গৈ সন্ধিয়াৰ সময়ত সাঁতুৰি নৈ পাৰ হৈ ঘৰলৈ আহি থকা অৱস্থাত নৈৰ বুকুত ছাত্ৰজন নিৰুদ্দেশ হৈ পৰে। সমগ্ৰ ঘটনা লগৰীয়াসকলে প্ৰত্যক্ষ কৰে। ছাত্ৰজন S T Sebastian's School, মাটিয়াত অধ্যয়নৰত বুলি জানিব পৰা গৈছে। এনে এক হৃদয় বিদাৰক ঘটনাত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য সৃষ্টি হয়। ইতিমধ্যে SDRFয়ে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে যদিও বাতৰি সংগ্ৰহ কৰা সময়লৈকে ছাত্ৰজনক উদ্ধাৰ কৰিব পৰা নাই।

## যৌতুকৰ ধন নিদিয়াৰ বাবে পৰিকল্পিত হত্যাৰ অভিযোগ

# নগাঁৱৰ জাৰামাৰীত বোৱাৰীৰ ৰহস্যজনক আত্মহত্যাক লৈ চাঞ্চল্য

**ই-সংবাদ, বেবেজীয়া, ২১ মে':** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ জাৰামাৰীত সংঘটিত হৈছে বোৱাৰীৰ ৰহস্যজনক আত্মহত্যাৰ ঘটনা। সোমবাৰে নিশা ঘৰৰ ভিতৰতে চিপ লৈ আত্মহত্যা কৰে এগৰাকী এটি সন্তানৰ মাতৃয়ে। যাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্য অব্যাহত আছে জাৰামাৰী অঞ্চলত। প্ৰাপ্ত খবৰ মতে, জাৰামাৰীৰ ৰুফুল আমিনৰ পত্নী আজবিনা খাতুনে নিশা নিজৰ দুবছৰীয়া কণমানি সন্তানক কাষত ৰাখি বিছনাৰ ওপৰত থকা চিলিং ফেনত চিপ লৈ আত্মহত্যা কৰে। পিছদিনা পুৱা কণমানি শিশুটিৰে পেটৰ ভোকত বহু সময় চিঞৰি থকাত পৰিয়ালৰ লোকে কোঠাৰ ভিতৰলৈ গৈ মহিলাগৰাকীয়ে ঘৰৰ ভিতৰতে চিপ লৈ থকা প্ৰত্যক্ষ কৰে। লগে লগে এক হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত ধিং আৰু ডুমডুমীয়া আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ঘটনা সন্দৰ্ভত তদন্তত নামি পৰে। ইফালে, বোৱাৰীগৰাকীৰ পৰিয়ালৰ লোকে এয়া এক পৰিকল্পিত হত্যাকাণ্ডৰ ঘটনা বুলিহে অভিযোগ তোলাত ঘটনাটো অধিক ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে। বোৱাৰীগৰাকীৰ পিতৃগৃহৰ পৰিয়ালে অভিযোগ কৰা মতে, স্বামী ৰুফুল আমিনে পত্নী আজবিনা খাতুন পিতৃ গৃহৰ পৰা যৌতুক হিচাপে বিছাৰিছিল এক লাখ টকা। স্বামীৰ দাবীৰ প্ৰতি সঁহাৰি জনাই আজবিনা খাতুনেও ফোনযোগে মাতৃ আৰু ভাতৃক স্বামীয়ে যৌতুক হিচাপে বিচৰা এক লাখ টকাৰ কথা অৱগত কৰিছিল। কিন্তু স্বামী ৰুফুল আমিনে যৌতুক হিচাপে বিচৰা এক লাখ টকা দিব নোপোৱাৰ বাবেই পত্নীক মানসিক হাৰাশাস্তি কৰি আহিছিল। সেয়ে স্বামীৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লোৱা বুলি আজবিনা খাতুনৰ পৰিয়ালৰ লোকে অভিযোগ তোলাৰ বিপৰীতে স্বামী ৰুফুল আমিনে বিচৰা ধন নিদিয়াৰ বাবেই পত্নীক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলোৱা বুলিও অভিযোগ ব্যক্ত কৰিছে। পিছে এয়া হত্যা নে আত্মহত্যা সেয়া মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পিছত আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব।

# নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২১ মে':** নগাঁও জিলা সাহিত্য সভাৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা জিলা সাহিত্য সভাৰ কমলাদেৱী টোডী স্মৃতি ভৱনত অনুষ্ঠিত হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ সঞ্চালনাত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাই কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ লগতে জিলা সাহিত্য সভাই ৰূপায়ণ কৰিবলগীয়া কৰ্মসূচীও গ্ৰহণ কৰে। জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত জিলা সাহিত্য সভাৰ উপ-সভাপতি মৃণাল হাজৰিকাই অসম সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতিৰ দায়িত্ব লাভ কৰাত অসম সাহিত্য সভাৰ এক পদ এক ব্যক্তি নীতি অনুসৰি তেওঁ জিলা সাহিত্য সভাৰ উপ সভাপতিৰ পদৰ পৰা পদত্যাগ কৰে আৰু সভাই পদত্যাগ গ্ৰহণ কৰি কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নবীন বৰঠাকুৰক নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতিৰ দায়িত্ব অৰ্পণ কৰে । লগতে নগাঁও জিলা সাহিত্য সভাৰ যিসকল লোকে এতিয়াও অসম সাহিত্য সভাৰ উক্ত নীতিক সন্মান জনাই পদত্যাগ কৰা নাই সেইসকলক অনতিপলমে মৃণাল হাজৰিকাৰ দৰে জিলা সাহিত্য সভাৰ পদবীৰ পৰা পদত্যাগ কৰিবলৈ আহ্বান জনাইও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত পোনপ্ৰথমবাৰৰ বাবে জিলাৰ ভিতৰত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্ব্বোচ্চ নম্বৰ পোৱা শিক্ষাৰ্থীক সন্মানিত কৰাৰ অৰ্থে শেৱালি কবি ৰত্নকান্ত বৰকাকতি স্মাৰক কৃতী শিক্ষাৰ্থী বঁটা আৰু সংশ্লিষ্ট বিষয়ৰ শিক্ষকজনক শিক্ষাবিদ গোলাপ চন্দ্ৰ কলিতা স্মাৰক কৃতী শিক্ষক বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । তদুপৰি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসটি অহা ২০ জুনত বঢ়মপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত বঢ়মপুৰত আৰু ৬ জুলাইত সাহিত্যাচাৰ্য মহিম বৰাৰ স্মৃতি দিৱসটি কুজিদাঁহত উদযাপন কৰাৰ সিদ্ধান্ত সভাত গ্ৰহণ কৰা হয়। ঠিক সেইদৰে নগাঁও জিলা সাহিত্য সভাৰ বাৰ্ষিক কৰ্মসূচীৰ পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশ কাৰ্যকৰণ, চাহ বাগিচাত সাহিত্য সভাৰ শাখা খুলি চাহ বাগিচা সমাৰোহ অনুষ্ঠিত কৰা আৰু নৈপৰীয়া অঞ্চলত সাহিত্য সভাক গণমুখী কৰাৰ লগতে অসমীয়া ভাষা সংস্কৃতিৰ উত্তৰণৰ বাবে অভিৰৰ্তন আয়োজনৰ বাবে সিদ্ধান্তৰে সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত জিলা সাহিত্য সভাৰ সভাপতি ড০ শৰৎ বৰকটকীয়ে নগাঁও জিলা সাহিত্য সভাক অধিক জনমুখী কৰি তুলিবলৈ হাতত লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কয় যে সমাজৰ সকলো স্তৰৰ লোকৰ মাজত অসম সাহিত্য সভাৰ সুবাস বিলাব লাগিব। তেওঁ লগতে কয় যে নগাঁও জিলা সাহিত্য সভাই চাহ বাগিচা এলেকাত চাহ বাগিচা সমাৰোহ অনুষ্ঠিত কৰাৰ পদক্ষেপ লৈছে। এই সমাৰোহ নগাঁৱৰ প্ৰধান চাহ জনগোষ্ঠীৰ বসতিস্থল শালনা চাহ বাগিচাত অনুষ্ঠিত কৰা হ'ব। তদুপৰি চৰ অঞ্চলত নগাঁও জিলা সাহিত্য সভাই এখন অভিৰৰ্তন অনুষ্ঠিত কৰিব বুলি ড০ বৰকটকীয়ে উল্লেখ কৰে। উক্ত সভাতে সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ব্ৰেত কুমাৰ হাজৰিকাই অহা জুনৰ পৰা তিনিদিনীয়াকৈ অসম সাহিত্য সভাই নগাঁৱত আয়োজনৰ দিহা কৰা লেখক শিবিৰ সফল কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। সভাত নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্ত, ৰতিমোহন নাথ, বৰ্তমানৰ সহকাৰী সম্পাদক মৃগাংক বৰা, জিলা সাহিত্য সভাৰ ঐতিহ্য সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ আহ্বায়িকা শিৰোমণি হাজৰিকা, জিতেন শৰ্মা আদিয়েও বক্তব্য প্ৰদান কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# নগাঁৱত অবিনশ্বৰ গোষ্ঠীৰ নাটক 'তলসৰা এজাক তৰা বুটলি'ৰ সফল মঞ্চায়ন

**ই-সংবাদ, বেৰেজীয়া, ২১ মে':** নগাঁৱৰ 'অবিনশ্বৰ গোষ্ঠী'ৰ দ্বাৰা নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত যোৱা ১৯ মে'ৰ নিশা "তলসৰা এজাক তৰা বুটলি" নামৰ এখনি সামাজিক নাটক মঞ্চস্থ কৰা হয়। এক সুন্দৰ বিষয়বস্তুক লৈ নাটখন ৰছনা কৰিছে যুৱ প্ৰজন্মৰ এগৰাকী সফল অভিনেত্ৰী তথা ইতিপূৰ্বে পাঁচখনকৈ নাট ৰচনাৰে নাট্যপ্ৰেমীসকলৰ মাজত পৰিচিত হৈ পৰা তুহিনকন্যা বৰাই। নাট্যকাৰগৰাকীয়ে নিজেই পৰিচালনা কৰা নাটখনি বাস্তৱধৰ্মী হ'লেও প্ৰকাশভংগী বা প্ৰতিটো দৃশ্য উপস্থাপন শৈলী কিছু সুকীয়া দেখিবলৈ পোৱা যায়। একেটা দৃশ্যসজ্জাতে নাটখন মঞ্চস্থ কৰি মনৰ উদ্ভাৱনী শক্তিৰ কৌশল প্ৰয়োগ কৰিছে। নাটখনিৰ বিষয়ে ক'বলৈ গ'লে নিবিৰ আৰু কঁহুৱা নামৰ এহাল ডেকা-গাভৰু জীৱনৰ সন্ধানত একেটি পথত লগ হয়। তেওঁলোকৰ অন্তৰ্নিহিত পৰিচয়ৰ সন্ধান আৰু অতীতৰ সৈতে ইয়াৰ যুগসূত্ৰ স্থাপন কৰাৰ চেষ্টাই নাটখনিৰ মূল উদ্দেশ্য। নাটখনত মানুহৰ জীৱনৰ অৰ্থ, অতীতক আলিংগন কৰাৰ সাহস, জীৱনৰ প্ৰকৃত সত্যৰ সন্মুখীন হোৱাৰ অভিজ্ঞতা আৰু অনুভৱ উদ্ভাসিত হৈছে। সাধাৰণ দৰ্শকৰ দৃষ্টিকোণেৰে চাবলৈ গ'লে নাটখনিৰ মাজেৰে মানৱ জীৱনত সচৰাচৰ সংঘটিত কিছুমান ঘটনা-পৰিঘটনাক একো একোটা বিষয় হিচাপে তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। নাটখনিৰ চৰিত্ৰ মাত্ৰ দুটা। ইয়াৰে এটা চৰিত্ৰত অভিনয় কৰিছে নাট্যকাৰ তুহিনকন্যা বৰাই আৰু আনটো চৰিত্ৰত হৃদয়দ্বীপ গগৈয়ে। সঁচা অৰ্থত দুয়োৰে অভিনয় নিখুঁত হৈছে। সুন্দৰ পৰিকল্পনাৰে সজোৱা নাটখনিৰ সহকাৰী পৰিচালক হিচাপেও আছিল পৰিকল্পক প্ৰাঞ্জল প্ৰতীম মহন্ত । সংগীত সংৰচনা আৰু প্ৰয়োগত হৃদয় কৈলাশ(নীল) সফল হৈছে বুলিব পাৰি। সংগীত ব্যৱস্থাপনা নিশান কাশ্যপৰ। নাটখনিৰ আৱহ সংগীতত কণ্ঠ নিগৰাইছে অনুৰাগ বৰুৱা (নিয়ৰ), নিলোৎপল বৰ্মন আৰু পৰিনান্দি জিমা চুলতানাই। পোহৰ পৰিকল্পনা আৰু নিয়ন্ত্ৰণ সোনমণি শৰ্মাৰ। সঠিক পোহৰ পৰিকল্পনা আৰু মসৃণ নিয়ন্ত্ৰণে নাটখনি ছবিময় কৰি তুলিছে। সাজ-সজ্জা লয়ন ৰঞ্জন শইকীয়া আৰু প্ৰত্যাশা শৰ্মাৰ। নেপথ্যত সহায় কৰিছে বেদান্ত নেওগ আৰু প্ৰজ্ঞানব্ৰত কলিতাই। নাটখনিৰ কলা-কুশলীসকলৰ মাজত নাম নাথাকিলেও নাটখনি মঞ্চস্থৰ বেলিকা প্ৰধান অৰিহণা আছে 'অবিনশ্বৰ গোষ্ঠী'ৰ সাধাৰণ সম্পাদক, বিশিষ্ট নাট্যশিল্পী দীপক বৰাৰ। তিনি শতাধিক নাট্যপ্ৰেমী দৰ্শকেৰে পৰিপূৰ্ণ প্ৰেক্ষাগৃহটোৰ সমূহ দৰ্শকেই ১ ঘণ্টা ২০ মিনিট দৈৰ্ঘ্যৰ নাটখনি মনোযোগেৰে উপভোগ কৰে। দৰ্শকৰ দৃষ্টিকোণেৰে চাবলৈ গ'লে এগৰাকী যুৱ নাট্যকাৰ হিচাপে তুহিন কন্যা বৰাৰ উজ্জ্বল ভৱিষ্যতৰ ছবি পৰিস্ফুট হৈ পৰিছে। দৰ্শকৰ ৰুচিবোধ আৰু সাম্প্ৰতিক সময়ৰ নাটকৰ ধাৰাৰ প্ৰতি লক্ষ্য ৰাখি বিষয়বস্তু উপস্থাপনৰ কৌশল, যথা সময়ত উপযুক্ত সংলাপ সৃষ্টি, প্ৰয়োজনবোধে অতিৰিক্ত চৰিত্ৰ সংযোজন আদি দিশ সমূহে স্বাভাৱিকতে নাটক এখনি পৰিপূৰ্ণ কৰি তোলাত সহায়ক হয় আৰু সেয়া উদীয়মান নাট্যকাৰ গৰাকীয়ে নিশ্চয়কৈ অনুভৱ কৰিছে বুলিব পাৰি। কিন্তু নাটখনিত ভাবনাক বেছি অগ্ৰাধিকাৰ দিয়া বাবে দুটি চৰিত্ৰৰ মাজেৰে বিষয়বস্তুয়ে গতি কৰাত কোনো কোনো ক্ষেত্ৰত যেন উজুটি খাবলগা হৈছে। সীমিত সা-সুবিধাৰ মাজেৰে তথা সময়ৰ প্ৰতি লক্ষ্য ৰাখি হয়তো এটা 'ছেটিংছ'তে নাটখনি সম্পন্ন কৰা হ'ল বুলি ভবাৰ থল আছে। যিয়েই নহওক, সামগ্ৰিকভাৱে নাটখনিয়ে দৰ্শকক সন্মোহিত কৰিব পাৰিছে। শেষত ক'ব পাৰি দৰ্শকে এখন ভাল নাটক উপহাৰ পালে আৰু নাটখনি মঞ্চস্থৰ বেলিকা যি দুই-এক সৰু-সুৰা খুঁটি-নাটি ৰৈ গৈছে সেয়া ভালকৈ মন দিলে অধিক মনোৰম হ'ব।

## উত্তম সুন্দৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক খগেন্দ্ৰ নাথ বৰ্মনক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, চামতা, ২১ মে':** পশ্চিম নলবাৰীৰ চামতাৰ কুলবিল উত্তম সুন্দৰী মজলীয়া বিদ্যালয়ত আজি সদ্য অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষক খগেন্দ্ৰ নাথ বৰ্মনক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনত আজি দুপৰীয়া অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বলেন কুমাৰ গোস্বামীয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী পখিলা বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সুদীৰ্ঘ ৩৭ বছৰ ৭ মাহ শিক্ষকতাৰ চাকৰি কৰি চলিত বছৰৰ শেষ এপ্ৰিলত অৱসৰ গ্ৰহণ কৰা শিক্ষক খগেন্দ্ৰ নাথ বৰ্মনক বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, বিদ্যালয় পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোচা, পিতলৰ শৰাই, পিতলৰ জাপি, ছাতি, ধৰ্মগ্ৰন্থ, বস্ত্ৰ আৰু এখন মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী বিনীতা তিলুকদাৰ আৰু শিক্ষক হেমেন বৰ্মনে আঁত ধৰা সভাত শিক্ষয়িত্ৰী ববিতা বৰ্মনে সতীৰ্থ শিক্ষক বৰ্মনৰ বিদায়ক লৈ নিজে ৰচনা কৰা এটি কবিতা পাঠ কৰাৰ লগতে শিক্ষক গিৰিশ কলিতা, বনজিৎ দাস, শিক্ষয়িত্ৰী তৰুলতা দেৱী, কেইমাহ মান আগতে অৱসৰ গ্ৰহণ কৰা শিক্ষক ৰৌচান আলী, কাঞ্চন বৰ্মন, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা ৫৪৭ নং সাহপুৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ৰাজেন বৈশ্যই বিদায় শিক্ষক বৰ্মনৰ শিক্ষকতা জীৱনৰ ওপৰত আলোকপাত কৰি ভাষণ প্ৰদান কৰে। সভাত বিদ্যালয়খনৰ একাংশ ছাত্ৰ-ছাত্ৰী আৰু দুগৰাকী আমন্ত্ৰিত মহিলাইও চমু ভাষণ প্ৰদান কৰে। সভাত বিদ্যালয়খনৰ শিক্ষয়িত্ৰী নিভা বৰ্মন, মৃদুলা মজুমদাৰ, দিজুচমিতা মেধি আৰু শেষ মুহূৰ্তত পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মঞ্জুৰাণী দেৱী উপস্থিত থাকি কৃতী শিক্ষক বৰ্মনৰ সুস্বাস্থ্যৰ আৰু ভৱিষ্যত জীৱনৰ উজ্জ্বল কামনা কৰে। বিদায় সম্বৰ্ধনা গ্ৰহণ কৰি বৰ্মনে তেওঁৰ ভাষণত চামতা অঞ্চলৰে তিনিখন বিদ্যালয়ত শিক্ষকতা কৰাৰ পিছত শেষৰ অংশ কুলবিল উত্তম সুন্দৰী মজলীয়া বিদ্যালয় আতিবাহিত কৰাৰ মধুৰ স্মৃতি বৰ্ণনা কৰি আৱেগিক হৈ পৰে। ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধা, ভক্তি, সহকৰ্মীসকলৰ আদৰ, সন্মান তেওঁ জীৱনত কেতিয়াও পাহৰিব নোৱাৰিব বুলি কৈ বিদ্যালয়খনৰ আৰু কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

## মৰিগাঁও গাৰ্লছ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অতিৰিক্ত জিলা আয়ুক্তৰ আকস্মিক পৰিদৰ্শন

**ই-সংবাদ, লাহৰীঘাট, ২১ মে':** মৰিগাঁও গাৰ্লছ উচ্চতৰ মাধ্যমিক বিদ্যালয় আকস্মিকভাৱে পৰিদৰ্শন কৰে মৰিগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) নিতিশা বৰাই। এই পৰিদৰ্শনকালত তেওঁ বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসহ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। চলিত শিক্ষাবৰ্ষত বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ৪১ শতাংশলৈ হ্ৰাস পোৱাৰ বিষয়টোক লৈ তেওঁ গভীৰ উদ্বেগ প্ৰকাশ কৰে। উল্লেখ্য যে বিগত শিক্ষাবৰ্ষত এই ফলাফল ৯৫ শতাংশ আছিল। ফলাফল উন্নত কৰাৰ বাবে তেওঁ বিদ্যালয়ত সঘনাই অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ গৃহ ভ্ৰমণৰ পৰামৰ্শ দিয়ে। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি আৰু শিক্ষকসকলৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ বিদ্যালয়ৰ শিক্ষাৰ গুণগত মান উন্নত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবেও আহ্বান জনায়।

# লোহিত খাবলুৰ ললিতি মৰাঙত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ই-সংবাদ বিশেষ, মাজুলী, ২১ মে':** মাজুলী জিলাৰ লোহিত খাবলু গাঁও পঞ্চায়তৰ ললিতি মৰাঙত আজি ললিতি মৰাং টি এম পি কে গাঁও সভাৰ উদ্যোগত অঞ্চলটোৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। ললিতি মৰাং অঞ্চলৰ পৰা চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক আজি স্থানীয় টি এম পি কে'ৰ গাঁও সভাই উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে আজি দুপৰীয়া ললিতি কুলামুৱা প্ৰাথমিক বিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। ললিতি মৰাং টি এম পি কেৰ সভাপতি ফুকন মৰাঙৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাৰ আঁতধৰে টি এম পি কে'ৰ লোহিত খাবলু আঞ্চলিক সমিতিৰ সদস্য বিকাশ দলেয়ে। সভাত বিশিষ্ট অতিথি হিচাপে টি এম পি কে'ৰ লোহিত খাবলু আঞ্চলিক সমিতিৰ সভাপতি আনন্দ পেগু, এম এম কে লোহিত খাবলু আঞ্চলিক সমিতিৰ সভাপতি জিতেন মিলি আৰু সম্পাদক ৰনোজ পেগু, ললিতি কুলামুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সৰ্বানন্দ মৰাং, যোগীবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক নীলকান্ত দলে, লোহিত খাবলু গাঁও পঞ্চায়তৰ ৫ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য অনিল মিলি, উক্ত ৱাৰ্ডৰ সভাপতি বিশ্বজিৎ মৰাং, ললিতি মৰাঙৰ জ্যেষ্ঠ নাগৰিক মোহন দলে, ললিতি মৰাং এম এম কে' গাঁও সভাৰ সভাপতি মনোৰঞ্জন মৰাং, সম্পাদক ৰাজীৱ দলে, টি এম পি কে' গাঁও সভাৰ সম্পাদক ইন্দ্ৰজিৎ দলে, টি এম পি কে লোহিত খাবলু আঞ্চলিক সমিতিৰ ৰনোজ কুলি আৰু বিজু কুমাৰ মৰাঙে অংশগ্ৰহণ কৰি কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। উক্ত সম্বৰ্ধনা অনুষ্ঠানত ললিতি মৰাং অঞ্চলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা চাৰিগৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা পাঁচগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা পত্ৰ, শৈক্ষিক সমল, অংগ বস্ত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলেও সম্বৰ্ধনা গ্ৰহণ কৰি সভাত নিজৰ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিশ্বজিৎ মৰাঙে।



নগাঁৱত অবিনশ্বৰ গোষ্ঠীৰ সফল মুঞ্চায়ণ 'তলসৰা এজাক তৰা বুটলি'ৰ এটি দৃশ্য

# ৭৫ সংখ্যক জন্ম জয়ন্তীত হাঁহচৰা শাখা সাহিত্য সভাৰ আনন্দৰাম বৰুৱাক স্মৰণ

**ই-সংবাদ, মৰিয়নি, ২১ মে':** আজি অসমৰ বিদগ্ধ পণ্ডিত আনন্দৰাম বৰুৱাৰ ৭৫ সংখ্যক জন্ম জয়ন্তী অসমৰ বিভিন্ন প্ৰান্তৰৰ লগতে জাঁজী হাঁহচৰা শাখা সাহিত্য সভাৰ উদ্যোগত বামুণপুখুৰী গোহাঁই গাঁও প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত পালন কৰা হয়। শাখা সম্পাদক মদন মোহন পাগবন্ধাই আঁত ধৰা শাখাৰ সভানেত্ৰী অৰ্পনা চুতীয়াই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক অঞ্জন বৰুৱাই। উক্ত অনুষ্ঠানতেই সমল বক্তা হিচাপে উপস্থিত থাকি তামুলীচিগা ঘনকান্ত বৰা মহাবিদ্যালয় শৈক্ষিক উপাধ্যক্ষ ৰঞ্জিত বৰুৱাই আনন্দৰাম বৰুৱাৰ সাহিত্য কৃতি, তেওঁৰ জাতীয় চেতনাৰ সাম্প্ৰতিক সময়ত প্ৰাসংগিকতা সম্পৰ্কীয় এক সাৱলীল ভাষণ প্ৰদান কৰে। ইয়াৰ লগতেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গীত, কবিতা আবৃত্তি পৰিৱেশন কৰে। অনুষ্ঠানটোত হাঁহচৰা শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক দেৱবিকাশ দত্ত, ৰামধেনুৰ আহ্বায়িকা কৰবী ফুকন, কুঁহিৰ আহ্বায়িকা বৰ্ণালী পাঁচনি, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল বুঢ়াগোহাঁই, মনিমোহন বুঢ়াগোহাঁই, বৰ্তমানৰ সভাপতি প্ৰণৱ বুঢ়াগোহাঁই, উপ-সভানেত্ৰী পলী বৰা, মাতৃ গোটৰ নৱনীতা বুঢ়াগোহাঁই, শিক্ষক নয়ন জ্যোতি গগৈৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, অভিভাৱক-অভিভাৱিকা, হাঁহচৰা শাখা সাহিত্য সভাৰ বিষয়ববীয়াৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ স্থানীয় ব্যক্তি উপস্থিত থাকে।

# পিএমশ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, মোৰাঝাৰ, ২১ মে':** হোজাই জিলাৰ আগশাৰীৰ শিক্ষাপ্ৰতিষ্ঠান পিএমশ্ৰী নীলবগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ড০ এ পি জে আব্দুল কালাম অডিটৰিয়ামত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে ২০২৫ বৰ্ষৰ মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ৯৭ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়খনৰ ২০২৫ বৰ্ষৰ নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ শিক্ষা বিভাগৰ শিক্ষয়িত্ৰী ড০ সংগীতা বৰাই পৰিচালনা কৰা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই। বন্তি প্ৰজ্বলন আৰু সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত প্ৰায় এহেজাৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত তেজপুৰ গেইট মাল্টি স্পিচিয়েলিটি হাস্পতালৰ বিশিষ্ট চিকিৎসক তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ড০ কৌছৰ আহমেদ বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে বিদ্যালয় পৰিচলনা আৰু উন্নয়ন সমিতিৰ সভাপতি আলা উদ্দিন আহমেদসহ কেইবাগৰাকী গণ্য মান্য ব্যক্তি উপস্থিতি থাকে। আজিৰ সভাত এই বৰ্ষত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ মুঠ ৯৭ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকক বিপুল সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত শ্ৰেষ্ঠ স্থান লাভ কৰা চালমা বেগম, তামান্না ইয়াস্মিন আৰু আছিয়া বেগমে নিজৰ সফলতাৰ যাত্ৰা বৰ্ণনা কৰাৰ লগতে আপোন বিদ্যালয়খনৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। অনুষ্ঠানৰ প্ৰথমাংশত বিদ্যালয়ত নতুনকৈ নাম ভৰ্তি কৰা ষষ্ঠ, নৱম আৰু একাদশ শ্ৰেণীৰ তিনিশৰো অধিক নৱাগত ছাত্ৰ-ছাত্ৰীক বিপুল আদৰণি জনোৱা হয়। বিশিষ্ট অতিথি ড০ কৌছৰ আহমেদে তেওঁৰ বক্তব্যত এইখন বিদ্যালয়ত অধ্যয়ন কৰা দিনবোৰৰ কথা সোঁৱৰণ কৰি কয়, "এই বিদ্যালয়খনেই মোৰ জীৱনৰ ভেটি স্থাপন কৰি দিলে।" তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ পৰিশ্ৰম আৰু নিয়মিত অধ্যয়ন কৰাৰ বিকল্প নাই। তেওঁ আৰু কয় যে, পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ প্ৰতি সদায় সন্মান প্ৰদৰ্শন কৰিব লাগে, কাৰণ তেখেতসকলৰ আশীৰ্বাদ অবিহনে সফলতা সম্ভৱ নহয়। সভাৰ সভাপতিৰ মন্তব্য আৰু ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# আগন্তুক বিটিচি নিৰ্বাচনক লৈ তৎপৰ অগপ

**ই-সংবাদ, তামুলপুৰ, ২১ মে':** আগন্তুক ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে এতিয়া প্ৰতিটো ৰাজনৈতিক দলৰ বিটিআৰ দখল কৰাৰ কুচ-কাৱাজৰ আৰম্ভ হৈছে। আন আন ৰাজনৈতিক দলসমূহৰ সমান্তৰালকৈ অসম গণ পৰিষদে বিটিচি পৰিষদীয় নিৰ্বাচনত দলটোৰ সৰ্বশক্তি প্ৰয়োগ কৰি বিটিআৰৰ গাদী দখলৰ ৰণকৌশল প্ৰস্তুত কৰি থকা পৰিলক্ষিত হৈছে। তদুপলক্ষে আজি তামুলপুৰ জিলাৰ লাউপাৰাত অঞ্চলটোৰ যুৱ সমাজকৰ্মী নীলমণি ৰাজবংশীৰ বাসগৃহত অগপৰ সদৌ অসম কৃষক পৰিষদৰ সভাপতি তথা বিটিচি পৰিষদীয় নিৰ্বাচনৰ সম্পাদক পৰেশ বৈশ্যৰ উপস্থিতিত দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাৰ সৈতে নিৰ্বাচনৰ ৰণকৌশল নীতি প্ৰস্তুত সম্পৰ্কত এখন ৰুদ্ধদ্বাৰ বৈঠক অনুষ্ঠিত হয়। অসম গণ পৰিষদ তামুলপুৰ জিলাৰ সভাপতি ভৰেন ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত ৰুদ্ধদ্বাৰ বৈঠকখনত আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত 'একলা চলো' নীতিৰে অগপ দলে আগবঢ়াৰ কথা আলোচনা কৰে। এইক্ষেত্ৰত বিটিআৰৰ নাগ্ৰীজুলি, গোৰেশ্বৰ, দিহিৰা সমষ্টিকে আদি কৰি বৰ্তমানলৈ ১০টা পৰিষদীয় সমষ্টিত অগপৰ প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰাটো নিশ্চিত কৰে। আগন্তুক ১ জুনৰ পৰা বিটিআৰৰ বিভিন্ন অঞ্চলত অগপ দলে সভা অনুষ্ঠিত কৰি বিটিচিৰ ৪০ টা পৰিষদীয় সমষ্টিৰ ভিতৰত সৰ্বমুঠ কিমানটা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব। তদুপৰি বিটিচিৰ ৰাজনৈতিক পটভূমিত বিটিচিৰ জনসাধাৰণে ৰাষ্ট্ৰীয় দলৰ পৰিৱৰ্তে আঞ্চলিক দলক প্ৰাধান্য দিয়া কথাটোও আজিৰ এই ৰুদ্ধদ্বাৰ বৈঠকত আলোচনাৰ মুখ্য বিষয় হিচাপে স্থান লাভ কৰা বুলিও বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা গৈছে। এইক্ষেত্ৰত অগপ দলক বিটিচিৰ জনসাধাৰণে আঁকোৱালি ল'ব বুলিও দৃঢ় বিশ্বাসী দলটোৰ কেন্দ্ৰীয় তথা অঞ্চলটোৰ জ্যেষ্ঠ নেতাসকল। আজিৰ এই সভাখনত অসম কৃষক পৰিষদ তামুলপুৰ জিলাৰ সভাপতি সতীশ কোঁৱৰ, গোৰেশ্বৰ সমষ্টিৰ উপদেষ্টা নীলকণ্ঠ ডেকা, উপ-সভাপতি বৈকুণ্ঠ ডেকা, অগপ গোৰেশ্বৰ বিধান পৰিষদৰ সভাপতি দুলাল দাস, কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য মীন ডেউৰী, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য কুতুবুদ্দিন আহমেদসহ অগপ দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা-কৰ্মী উপস্থিত থাকে।



যোৰহাটত বিজেপিৰ কাৰ্যনিৰ্বাহক সভাত উপস্থিতসকলৰ একাংশ, বুধবাৰে

# বি এইচ বি মহাবিদ্যালয়ত নাৰ্ছিং ক'ৰ্চ সম্পৰ্কীয় সজাগতা সভা সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ২১ মে':** আজি বি এইচ বি মহাবিদ্যালয়ৰ কেৰিয়াৰ পৰামৰ্শদান কোষৰ অধীনত নাৰ্ছিং ক'ৰ্চ সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। কোষৰ সদস্য তথা শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা হিৰণ্ময়ী কলিতাই আঁত ধৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে এছিয়ান ইনষ্টিটিউড অফ নাৰ্ছিং এডুকেচনৰ অধ্যাপক ক্ৰমে পিংকী বৰ্মন আৰু বিউটি বৰ্মন। দুয়োগৰাকীয়ে নাৰ্ছিং বিষয়ত অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰীসকলে কিদৰে নিজকে আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰে, সেই সম্পৰ্কে অৱগত কৰে। লগতে এই ক'ৰ্চত নামভৰ্তিৰ বাবে কি কি অৰ্হতাৰ প্ৰয়োজন সেই সম্পৰ্কে জনাই জি এন এম, এন পি চি চি, পি বি বি এইচ চি নাৰ্ছিং, এম এচ চি নাৰ্ছিং ক'ৰ্চৰ লগতে এই বিষয়ত পি এইচ ডি ডিগ্ৰী গ্ৰহণ কৰিব পৰা সম্পৰ্কেও বিশদভাৱে অৱগত কৰে। অনুষ্ঠানটোত উপস্থিত থাকে এছিয়ান ইনষ্টিটিউড অফ নাৰ্ছিঙৰ মাৰ্কেটিং বিভাগৰ কাৰ্যবাহী বিষয়া জ্ঞানোৎপল চেতিয়া। দুয়োগৰাকী সমল ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত উদয় হোৱা বিভিন্ন প্ৰশ্নৰ উত্তৰো দিয়ে। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# বিশ্ব ধঁপাতবিৰোধী দিৱসৰ পযেকজোৰা কাৰ্যসূচী

**ই-সংবাদ, লাহৰীঘাট, ২১ মে':** মৰিগাঁৱৰ জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত বিশ্ব ধঁপাতবিৰোধী দিৱসৰ পযেকজোৰা (২০ মে'ৰ পৰা ৫ জুনলৈ) কাৰ্যসূচীৰ আৰম্ভণি হিচাপে কালি জিলাখনৰ এছ এছ বি শিবিৰত থকা জোৱানসকলৰ মাজত ধঁপাত আৰু অন্যান্য নিচাযুক্ত দ্ৰব্যৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ সন্দৰ্ভত এক সজাগতামূলক কাৰ্যসূচী আৰু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ জিলা ন'ডেল বিষয়া ডাঃ জয়া বড়োৱে ধঁপাত ব্যৱহাৰৰ অপকাৰিতা আৰু কটপা আইন, ২০০৩ সন্দৰ্ভত এটা বিতং অডিঅ'-ভিজুৱেল প্ৰেজেণ্টেচন আগবঢ়ায়। তেওঁ কয় যে, সেনাৰ বিভিন্ন শাখাত কৰ্মৰত জোৱানসকলৰ মাজত ধঁপাত ব্যৱহাৰৰ হাৰ যথেষ্ট উদ্বেগজনক। তেওঁ জোৱানসকলক ধঁপাত ব্যৱহাৰৰ অভ্যাস ত্যাগ কৰাৰ বাবে চিকিৎসা তথা প্ৰশিক্ষিত পৰামৰ্শদাতাৰ সহায় লোৱাৰ বাবে আহ্বান জনায়। অনুষ্ঠানৰ অন্তত সকলো অংশগ্ৰহণকাৰীয়ে ধঁপাতবিৰোধী শপতবাক্য পাঠ কৰে। অনুষ্ঠানটোত এছ এছ বি, মৰিগাঁৱৰ কমাণ্ডেণ্ট মালা সিঙে উদ্বোধনী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত এছ এছ বিৰ বিষয়া ফণীন্দ্ৰ চেতিয়া, আন বিষয়া আৰু জোৱানসকলৰ লগতে স্বাস্থ্য বিভাগৰ কৰ্মচাৰী আৰমান আলী, পূৰৱী ভৰালী, নৃপেন কলিতা, ধ্ৰুৱজ্যোতি বৰুৱা আদিও উপস্থিত থাকে। ডাঃ বড়োৱে জানিবলৈ দিয়ে যে, ৫ জুনলৈ জিলাখনৰ বিভিন্ন ঠাইত সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হ'ব, যাৰ জৰিয়তে ধঁপাতৰ অপকাৰিতা আৰু স্বাস্থ্য, সমাজ তথা পৰিৱেশৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস চলোৱা হ'ব।

# ডিব্ৰুগড়ত কাঠফুলা খোৱাত নিষেধাজ্ঞা আৰোপ

**ই-সংবাদ, ডিব্ৰুগড় ২১ মে':** বৰ্তমান বাৰিষা কালত হাবিয়ে-বননিয়ে পোৱা বিভিন্ন বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়া হোৱাৰ ঘটনা পৰিলক্ষিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাইজক হাবি-বননিত পোৱা কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে। বাৰিষা কালত বাটে-ঘাটে, হাবি-জংঘলে পোৱা কাঠফুলাত বিভিন্ন ক্ষতিকাৰক বিষাক্ত পদাৰ্থ থাকে আৰু তাক সেৱনৰ ফলত মৃত্যু পৰ্যন্ত হয়। এই বিষাক্ত কাঠফুলা খোৱাৰ ফলত পেটৰ বিষ, বমি, পনীয়া শৌচ, মূৰৰ বিষ আৰু জ্বৰৰ দৰে বিভিন্ন লক্ষণে দেখা দিয়ে। যদিহে কোনো ব্যক্তিয়ে/পৰিয়ালে বিষাক্ত কাঠফুলা খোৱা বুলি সন্দেহ কৰে, তেন্তে উপসৰ্গসমূহ দেখা দিয়া লৈ অপেক্ষা নকৰি অনতিপলমে নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিবলৈ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। তদুপৰি বিষাক্ত কাঠফুলা সম্পৰ্কে চলি থকা কিছুমান ভ্ৰান্ত ধাৰণা যেনে- সকলো বিষাক্ত কাঠফুলাৰ ৰং উজ্জ্বল আৰু জিলিকি থকা, হাবি-বননিত পোৱা কাঠফুলা ফ্ৰীজত, ৰ'দত শুকুৱাই বা বৰফত থৈ ৰান্ধি খালে নিৰাপদ হয়, বিষাক্ত কাঠফুলাৰ গোন্ধ আৰু সোৱাদ অতি উগ্ৰ-ইত্যাদি ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ ৰাইজক বিষাক্ত কাঠফুলা খোৱাৰ পৰা বিৰত থাকিবলৈ জিলাখনৰ স্বাস্থ্য বিভাগৰ পৰা আহ্বান জনোৱা হৈছে। ইতিমধ্যে, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিষাক্ত কাঠফুলা সেৱনৰ বিৰুদ্ধে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।



জয় আই অসম

দেশ বুলিলে আদেশ নালাগে

শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থা

Simaluguri Regional Students' Union

মুখ্য কাৰ্য্যালয় - শ্বহীদ ভৱন, শিমলুগুৰি, শিৱসাগৰ - ৭৮৫৬৮৬ (অসম)

Head Office- Swahid Bhawan, Simaluguri, Sivasagar - 785686 (Assam)

প্ৰসঙ্গ নং ..................

দিনাংক ২১-০৫-২০২৫

**ঐতিহাসিক লাকুৱা ৰাজগড় পথ পুনৰ নিৰ্মাণৰ দাবীত পথ অৱৰোধ**

**শিমলুগুৰি ২১ মে' :** শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সীমাত অৱস্থিত লাকুৱা ৰাজগড় পথটো আজি দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ পৰাত এই পথটোৰে যাতায়ত কৰা একেবাৰে অনুপযোগী হৈ পৰাত সৰ্বসাধাৰণ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হোৱাৰ লগতে জৰুৰীকালীন সেৱাসমূহৰ বাবে এই পথটো অনুপযোগী হৈ পৰিছে। তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ ONGC ৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ এই পথটোৰে দৈনিক ONGC ৰ শ শ গধুৰ যান বাহনৰ লগতে অন্যান্য বাহন চলাচল কৰে যদিও পথটো পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত তেল আৰু প্ৰাকৃতিক গেছ নিগমেই হওক বা লোকনিৰ্মাণ বিভাগেও আজিলৈকে কোনো পদক্ষেপ অথবা ব্যৱস্থা গ্ৰহণ নকৰাত শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। পথটোৰ এই দুৰৱস্থাৰ বিষয়ে অৱগত কৰি আৰু শীঘ্ৰে পথটো পুনৰ নিৰ্মাণৰ দাবীৰে যোৱা ইংৰাজী ২৮ নৱেম্বৰ ২০২৪ তাৰিখে শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ এটা

# লাকুৱা ৰাজগড় পথ পুনৰ নিৰ্মাণৰ দাবীত ২৪ মে'ত আছুৰ পথ অৱৰোধ কাৰ্যসূচী

**ই-সংবাদ, মথুৰাপুৰ, ২১ মে':** শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সীমাত অৱস্থিত লাকুৱা ৰাজগড় পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজ দীৰ্ঘদিন ধৰি দুৰ্ভোগ ভুগিবলগীয়া হোৱাৰ লগতে জৰুৰীকালীন সেৱাসমূহৰ বাবে এই পথটো অনুপযোগী হৈ পৰিছে। তেল আৰু প্ৰাকৃতিক নিগম চমুকৈ অ'এনজিচিৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ এই পথটোৰে দৈনিক অ'এনজিচিৰ বহু গধুৰ যান-বাহনৰ লগতে অন্যান্য বাহন চলাচল কৰে যদিও পথটো পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত অ'এনজিচি-এ হওক বা লোকনিৰ্মাণ বিভাগেও আজিলৈকে কোনো পদক্ষেপ অথবা ব্যৱস্থা গ্ৰহণ নকৰাত শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। পথটোৰ এই দুৰৱস্থাৰ বিষয়ে অৱগত কৰি আৰু শীঘ্ৰে পথটো পুণৰ নিৰ্মাণ দাবীৰে বিগত ২৮ নৱেম্বৰত শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ এটা সজাতি দলে নাজিৰা সমজিলা আয়ুক্তক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। কিন্তু তাৰপিছতো বিভাগীয় কৰ্তৃপক্ষই চৰম হেমাহি আৰু বিষয়টো আওকান কৰি আজিলৈকে পথটো নিৰ্মাণৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতিদ্বয়ে মতপোষণ কৰে। ইয়াৰ লগতে এই পথটোৰে লাকুৱা কলনী আৰু লাকুৱা জিচিবি তিনিআলিলৈকে প্ৰায় ৫ কিলোমিটাৰ এটি অংশ ইতিমধ্যে পুণৰ নিৰ্মাণৰ বাবে ঠিকাদাৰক ঠিকা প্ৰদান কৰাৰ পাছত ঠিকাদাৰে উক্ত পথছোৱা সময়মতে কাম নকৰাৰ পাছতো বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল বুলি জানিবলৈ দিয়ে। গতিকে ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ ৰাখি অতি শীঘ্ৰে লাকুৱা ৰাজগড় সমগ্ৰ পথছোৱা পুনৰ নিৰ্মাণৰ দাবীত অহা ২৪ মে'ত শনিবাৰে শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাই যৌথভাৱে লাকুৱা ৰাজগড় পথ অৱৰোধ কাৰ্যসূচী হাতত লোৱা হ'ব বুলি এক প্ৰেছ বিবৃতি যোগে শিমলুগুৰি আৰু লাকুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ক্ৰমে সুশান্ত শইকীয়া আৰু জোন ৰাজকোঁৱৰে জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ২১ মে':** ডিব্ৰুগড় মহানগৰত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে 'আসাম বট লিফ টি মেনুফেকচাৰ্ছ এছ'চিয়েচন'ৰ উদ্যোগত মহানগৰখনৰ বিভিন্ন ঠাইত সৰ্বসাধাৰণ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক চাহ সেৱনত গুৰুত্ব প্ৰদান কৰা হয়। সংস্থাৰ সভাপতি চান্দ কুমাৰ গোহাঁয়ে চৌকিডিঙী খেলপথাৰৰ মূল গেটৰ সন্মুখত চাহৰ যোগান ধৰাৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয় আৰু জিলা ন্যায়ালয়ৰ সন্মুখত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে চাহ খাবলৈ উৎসাহিত কৰি চাহ পৰিৱেশনৰ ব্যৱস্থা কৰে।

ডিব্ৰুগড়ৰ বৈৰাগীমঠত থকা শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস পালন কৰা হয়।এই অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হলিৰাম ফুকনে চাহৰ গুণাগুণৰ ওপৰত ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈয়ে আঁত ধৰা এই অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ মুখ্য শৈক্ষিক বিষয়া ড০ দীপা গোস্বামী, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ মুখ্য শৈক্ষিক বিষয়া যাদৱ গগৈকে ধৰি অধ্যাপক-অধ্যাপিকা, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানত উপস্থিত সকলোকে চাহ পৰিৱেশন কৰিবলৈ দিয়া হয়।

# দুমুনিচকীৰ ৰেজিনাই দেখুৱাইছে কৰ্ম-সংস্কৃতিৰ নিদৰ্শন

**ই-সংবাদ, দুমুনিচকী, ২১ মে':** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ ৰেজিনা বেগম নামৰ অবিবাহিত মহিলাগৰাকীয়ে দেখুৱাইছে কৰ্ম-সংস্কৃতিৰ অনুকৰণীয় নিদৰ্শন। বিগত পঁচিশ বছৰে দুমুনিচকী চাৰি চকৰ পদপথত পাচলি ব্যৱসায় কৰি পৰিয়াল পোহপাল দি আহিছে অবিবাহিতা মহিলা ৰেজিনাই। উল্লেখ্য যে, ব্যৱসায়ৰ দিশত ৰেজিনা বেগমে প্ৰথমে কিছু অসুবিধা পাইছিল যদিও পিছলৈ ৰাইজৰ ফালৰ পৰা যথেষ্ট সহায়-সহযোগ লাভ কৰে। দুমুনিচকীৰ গধূলি বজাৰত পাচলি বিক্ৰী কৰি পোৱা লাভৰ পইচাৰে মাতৃ, ভাতৃৰ লগতে নিজৰ বাবে দুমুঠি অন্নৰ ব্যৱস্থা কৰিব পাৰিছে। সেয়ে দুমুনিচকীৰ ৰেজিনা আজি বহুতৰ বাবে আদৰ্শ হৈ পৰিছে। বৰ্তমান সময়ত ৰেজিনা বেগম গ্ৰাম্য অৰ্থনৈতিক সমাজ জীৱনত দেখুৱাইছে কৰ্ম-সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন। নিজৰ ভাগ্যক বিশ্বাস কৰি পাচলি ব্যৱসায়ত নমা ৰেজিনা বেগমে আজিলৈকে কোনো চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিবলৈ সক্ষম নহ'ল। জানিব পৰা মতে, ৰেজিনা বেগমে দৈনিক খাৰুপেটীয়াৰ পৰা পাচলি আনি বিক্ৰি কৰে দুমুনিচকীৰ গধূলি বজাৰত। বতৰৰ পাচলি বিলাক আনি বজাৰত বিক্ৰী কৰাত সুবিধা হৈছে স্থানীয় ৰাইজৰ। এটি জুপুৰী সদৃশ ঘৰত মাতৃ,একমাত্ৰ ভায়েক আৰু অনাথ ভাগিনীয়েকৰ সৈতে বাস কৰা ৰেজিনাই আজিও লাভ কৰা নাই প্ৰধানমন্ত্ৰী আবাস যোজনাৰ চৰকাৰী গৃহ। বহু আবেদন-নিবেদন কৰিও বিফল হৈছ ৰেজিনা বেগম। তথাপি মনত কাৰো প্ৰতি আক্ষেপ নাই তেওঁৰ। অসম চৰকাৰৰ অৰুণোদয় আঁচনিৰ আওঁতাতো নপৰিল কৰ্মকে ধৰ্ম জ্ঞান কৰি অহা ৰেজিনা বেগম। তথাপি আক্ষেপ নাই পাচলিৰ ব্যৱসায়েৰে ৰূপালী জয়ন্তী গৰকা দুমুনিচকীৰ ৰেজিনা বেগমৰ। উল্লেখ্য যে, প্ৰতিদিনে পুৱাই খাৰুপেটীয়া অথবা বালুগাঁৱৰ পৰা পাচলি আনি দুমুনিচকীৰ পদপথত বিক্ৰী কৰি অহা ৰেজিনাই প্ৰতিকুল বতৰত অসুবিধা ভোগ কৰে যদিও স্থানীয় লোকসকলে ৰেজিনাক পৰ্যাপ্ত সহায়ৰ হাত আগবঢ়াই আহিছে। যাৰ বাবে নানা বাধা নেওচি আপোন কৰ্মটিকে বুকুত সাৱটি জীৱন সংগ্ৰাম চলাই গৈ আছে। এগৰাকী মহিলা হৈও পাচলিৰ ব্যৱসায়েৰে স্বাৱলম্বিতাৰ নিদৰ্শন দেখুৱাই অহা ৰেজিনা বেগমক চৰকাৰী সা-সুবিধাসমূহ পোৱাৰ ক্ষেত্ৰত স্থানীয় বিধায়কগৰাকীৰ লগতে দৰং জিলা প্ৰশাসনক সহায় কৰিবলৈ আহ্বান জনাইছে স্থানীয় সচেতন মহলে।

# প্ৰাপ্য ধন বিচৰাটোৱে হ'ল অপৰাধ, ছেকান্তলাত কাঠমিস্ত্ৰী প্ৰহৃত

**ই-সংবাদ, দলগাঁও, ২১ মে':** খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ছেকান্তলাত ৰেজ্জাক আলী নামৰ এজন যুৱকৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় কাঠ মিস্ত্ৰী বাছেদ আলী। ঘটনাত জড়িত পাঁচজনৰ বিৰুদ্ধে এজাহাৰ দাখিল খাৰুপেটীয়া আৰক্ষী থানাত। জানিব পৰা মতে দৰঙৰ খাৰুপেটীয়াৰ ছেকান্তলাৰ কাঠ মিস্ত্ৰীজনে প্ৰায় দুবছৰ পূৰ্বে ৰেজ্জাক আলীৰ ঘৰত দৰ্জা-খিৰিকীৰ কাম কৰিছিল। সেই অনুসৰি মিস্ত্ৰী বাছেত আলীয়ে ৰেজ্জাক আলীৰ পৰা ৫০০০ টকা পাবলগীয়া আছিল। আজি মিস্ত্ৰী জনৰ দোকানত ৰেজ্জাক আলী নামৰ মানুহজনৰ পৰা সেই পাবলগীয়া টকাখিনি বিচৰাত প্ৰথমে কথাৰ কটাকটি হয়। পিছত ৰেজ্জাক আলীয়ে কাঠ মিস্ত্ৰী বাছেত আলীক মূৰৰ লগতে শৰীৰৰ ভিন্ন স্থানত শীতল পানীয়ৰ কাঁচৰ বটলেৰে আক্ৰমণ কৰে। ফলত আহত হয় মিস্ত্ৰী বাছেত আলী।

# চাহ নগৰী ডুমডুমাত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উদযাপন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ মে':** সমগ্ৰ বিশ্বৰ লগতে আজি তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাতো আজি আন্ত:ৰাষ্ট্ৰীয় চাহ দিৱস পালন কৰা হয়। ডুমডুমা নগৰত অৱস্থিত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যালয় "মণিৰাম দেৱান ভৱন"ত তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উদ্যোগত আৰু আন্তৰ্জাতিক সামাজিক সংগঠন চলিডাৰীডেড এছিয়াৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উদযাপন কৰা হ'য়।

এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰাণা মৰাণে। সভাত চলিডাৰীডেডৰ কাৰ্যসূচী প্ৰবন্ধক মোক্ষদেৱ দাসে নিজৰ বক্তব্যত বৰ্তমানৰ বিশ্বৰ প্ৰতিযোগিতামূলক চাহৰ বজাৰৰ সৈতে ক্ষুদ্ৰ চাহ খেতিয়কে ফেৰ মাৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে বুলি কয়। সভাত বটলিফ ফেক্টৰী সন্থাৰ ৰামধন আগৰৱালা, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ জিলা উপদেষ্টা পূণ্য ৰাজখোৱা, মহম্মদ আমিন, কেন্দ্ৰীয় সমিতিৰ সদস্য

হাইদৰ আলি, উপ-সভাপতি ভবেশ মেধি, গাভৰুভেটি আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি সঞ্জীৱ বৰা, কংকণজ্যোতি গোস্বামী, টিৰাপ আঞ্চলিক সমিতিৰ দিল্লীৰাম শৰ্মা, বৰহাপজান আঞ্চলিক সমিতিৰ শিবানন্দ দুৱৰা আদিয়ে আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়নৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। জিলা সমিতিৰ সম্পাদক অজিত গগৈয়ে আঁত ধৰা সভাখনিত জিলাখনৰ শতাধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰে।

## এজেৱাইচিপিৰ উত্তৰ দৰং আঞ্চলিক সমিতিৰ কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, দুমুনিচকী, ২১ মে':** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উত্তৰ দৰং আঞ্চলিক সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আজি ঢেঁঙাবাৰী গাঁও পঞ্চায়ত প্ৰাংগণত অনুষ্ঠিত হয়। উত্তৰ দৰং আঞ্চলিক সমিতিৰ সভাপতি ৰত্নেশ্বৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাত যুৱ ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল চহৰীয়া, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ভৰেশ কাকতি, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দিগন্ত ডেকা, দৰং জিলাৰ বিত্তীয় সম্পাদক অৰুপ চহৰীয়া, দৰং জিলাৰ সহকাৰী সম্পাদক দীনেশ বনয়া, উত্তৰ দৰং আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক অখিল চৌধুৰীয়ে আঁত ধৰা সভাখনত উত্তৰ দৰং আঞ্চলিক সমিতিৰ শতাধিক সদস্যই অংশগ্ৰহণ কৰে। সমান্তৰালভাৱে যুৱ ব্যৱসায়ী প্ৰবীণ ডেকাৰ আকস্মিক বিয়োগত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সদস্যসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## বৰপেটাৰোড আৰক্ষীৰ জালত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ সৰবৰাহকাৰী

**ই-সংবাদ, বৰপেটাৰোড, ২১ মে':** আজি বৰপেটাৰোড আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। আবেলি বৰপেটাৰোড আৰক্ষীয়ে খেদি খেদি ধৰিলে ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ড্ৰাগছসহ এজন সৰবৰাহকাৰী বৰপেটাৰোডৰ সমীপৰ নিচুকাৰ মৃত ফাৰ্মান আলীৰ পুত্ৰ ছাইদুল ইছলাম (২১) যুৱকজনৰ পৰা চাৰিটা কৈ প্লাষ্টিকৰ চাবোন বাকচত বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে। জব্দ কৰা ড্ৰাগছখিনিৰ মূল্য প্ৰায় চাৰি লক্ষাধিক টকা হ'ব বুলি অনুমান কৰিছে। বৰপেটাৰোড আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই বৰপেটাৰোডৰ সমীপৰ বেলতলা তাৰাবাৰীত খেদি খেদি ছাইদুল ইছলামক আটক কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰী গৰাকীৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহযুক্ত হেৰ'ইনৰ পেকেট চাৰিটা চাবোন কেচসহ কেইবাটাও কন্টেইনাৰ জব্দ কৰে। সম্প্ৰতি আৰু অধিক তথ্যৰ বাবে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে বৰপেটাৰোড আৰক্ষীয়ে।

## বৰপথাৰত একে নিশাই দুখন বাইক চুৰি

**ই-সংবাদ, সৰুপথাৰ, ২১ মে'':** সৰুপথাৰৰ সমজিলাৰ বৰপথাৰত পুনৰ মটৰ চাইকেল চোৰৰ এক চক্ৰ সক্ৰিয় হৈ পৰাত বিভিন্ন জন শংকিত হৈ পৰিছে। জানিব পৰা মতে আজি পুৱতি নিশা বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত চাংপুল গাঁৱৰ ৰুবুল গগৈ আৰু দিঘলীপথাৰ গাঁৱৰ ৰঞ্জিত দাসৰ ঘৰৰ পৰা পৃথকে পৃথকে দুখনকৈ মটৰ চাইকেল চুৰি হয়। দুয়োঘৰ লোকৰ চৌহদৰ পৰা চোৰে লৈ উধাও হোৱা বাইক দুখনৰ এখন হৈছে এ এছ ০৫ আৰ ৭৭০৪ নম্বৰৰ পালচাৰ-১২৫ আৰু আনখন হৈছে এ এছ ০৩ ডাব্লিউ ৪৫৩৬ নম্বৰৰ চুপাৰ স্প্লেণ্ডাৰ। ইতিমধ্যে বৰপথাৰ আৰক্ষী ঘটনা স্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত বাহন দুখনৰ কোনো শুং সূত্ৰ পোৱা হোৱা নাই বুলি প্ৰকাশ।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


## বৈঠালাংছ'ত চিআৰপিএফ ১২৮ নং বেটেলিয়নৰ ডেল্টা কোম্পানীৰ বৃক্ষৰোপণ কাৰ্যসূচী



**ই-সংবাদ, বৈঠালাংছ', ২১ মে' :** পশ্চিম কাৰ্বি আংলং জিলাৰ লেঙেৰীস্থিত ডেল্টা/১২৮ বি এন চিআৰপিএফ কেম্পৰ উদ্যোগত বৈঠালাংছ'ৰ বিভিন্ন বিদ্যালয়ৰ চৌহদত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয়। গুৱাহাটী নুনমাটিৰ কামাণ্ডেণ্ট যতিন্দ্ৰ নাথ ৰায়ৰ নেতৃত্বত আৰু লেঙেৰীস্থিত ১২৮ নং চিআৰপিএফৰ ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথৰ সহযোগত এই বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয়। পাহাৰীয়া জিলাখনৰ বৈঠালাংছ'ৰ ৰঙাগড়াস্থিত কৰা-এৰপী মধ্য ইংৰাজী বিদ্যালয় আৰু স্বামী বিবেকানন্দ ইংৰাজী বিদ্যালয়ৰ লগতে আন দুখন মধ্য আৰু প্ৰাথমিক বিদ্যালয়ত নিম, তামোল, আজাৰ, নাহৰৰ লগতে বিভিন্ন ফল-মূলৰ প্ৰায় পোন্ধৰ শ গছপুলি ৰোপণ কৰে। এই বৃক্ষৰোপনৰ জৰিয়তে বিদ্যালয় কেইখনৰ শৈক্ষিক বাতাবৰণ পৰিৱেশ অনুকূল হোৱাৰ লগতে ভৱিষ্যতে বিদ্যালয় কেইখনলৈ কিছু আৰ্থিক সহাৰ্য আগবঢ়াব বুলিও লেঙেৰীস্থিত ১২৮ নং চিআৰপিএফৰ ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথে জানিবলৈ দিয়ে । উল্লেখ্য যে বিদ্যালয় সমূহত বৃক্ষৰোপণৰ দৰে এটা মহান কাম হাতত লোৱা বাবে লেঙেৰীস্থিত দেলতা/১২৮ নং বিএন চিআৰপিএফৰ ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথক এখন কাৰ্বি জনগোষ্ঠীৰ প'হ'ৰে(গামোচা) সম্বৰ্ধনা জ্ঞাপন কৰে ক'ৰা ইৰপি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাতুল নাথে।

# বৰভেটি সমন্বিত শতদল শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস-অধিৱেশন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২১ মে':** অসম সাহিত্য সভাৰ কাৰ্যালয়সমূহত বিষয়ববীয়া-কৰ্মীসকল বহি থাকিলেই সভাৰ উন্নতি নহয়। ১৯১৭ চনতে প্ৰতিষ্ঠা কৰা অসম সাহিত্য সভাই ১০৮ বছৰত কি কৰিলে? উত্তৰ-পূৰ্বাঞ্চলৰ সকলোৱেই পূৰ্বতে অসমীয়াতে কথা পাতিছিল। আজিকালি পাতেনে? ৰাজ্যৰ শিক্ষানুষ্ঠানত মাধ্যম অসমীয়া হোৱাৰ পাছতো অ'তবোৰ শিক্ষানুষ্ঠান বন্ধ হ'ল কিয়? অসমীয়া ভাষা এতিয়া খিচিৰি ভাষা হৈ পৰিছে।- এই মন্তব্য কবি, লেখক ৰুদ্ৰ গগৈৰ। যোৰহাট মালৌপথাৰস্থিত বৰভেটি সমন্বিত শতদল শাখা সাহিত্য সভাৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসৰ লগতে প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত উপস্থিত থাকি এনেদৰে কয় ডিব্ৰুগড়ৰ কবি, লেখক ৰুদ্ৰ গগৈয়ে। শাখা সভাখনৰ সম্পাদক ডক্টৰ সূৰ্যেন্দ্ৰ নাথ বৰুৱাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখন উদ্বোধন কৰে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ নাথ হাজৰিকাই। 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে সদস্যাসকলে আৰম্ভণি কৰা সভাখনত সভাপতিত্ব কৰে পূৰ্ণকান্ত বৰাই। শাখাৰ সদস্য বন্তিছায়া বৰুৱাই লেখা 'অণুস্মৃতি' কবিতা সংকলনখন উন্মোচন কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডক্টৰ জ্যোতিৰেখা হাজৰিকাই। ঘনশ্যাম চন্দ্ৰ দেৱ (শুক্ল চন্দ্ৰ) গোস্বামী আৰু বন্তিছায়া বৰুৱাক সম্বৰ্ধনা জনোৱা সভাখনত যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভব গোস্বামী, বৰ্তমানৰ উপ-সভাপতি মাধৱ মহন্ত, দেউৰী সাহিত্য সভাৰ নৃপেন দেউৰী, যোৰহাট পৰিৱেশ মঞ্চৰ সভাপতি ডক্টৰ প্ৰমোদ চন্দ্ৰ নেওগ, অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ বৰুৱাই বক্তব্য আগবঢ়ায়। কৃষ্ণ বাহাদুৰ ছেত্ৰীৰ, পলী বৰবৰুৱাৰ লগতে ১০৪ গৰাকী আজীৱন সভ্য সাহিত্য প্ৰেমী আৰু শুভাকাংক্ষীসকল উপস্থিত থকা সভাখনত অনিৰুদ্ধ দেৱৰ গীত পৰিৱেশন কৰে পূৰবী দাসে, পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত পৰিৱেশন কৰে অধ্যাপিকা মেঘালী হাজৰিকাই। বিদগ্ধ পণ্ডিত আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্মদিন ২১ মে' উদযাপনৰ লগত সংগতি ৰাখি সমগ্ৰ ৰাজ্যতে পালন কৰাৰ লগতে গীত উন্মোচনৰ অনুষ্ঠান শাখা সভাখনতো পালন কৰা হয়। ডক্টৰ জ্যোতিৰেখা হাজৰিকাই গীতটো তথ্য-প্ৰযুক্তিৰ জৰিয়তে উপস্থিতসকলক শুনায়। সমগ্ৰ ৰাজ্যৰ লগতে উক্ত সভাখনতে দিনৰ ১ বজাত গীতটো মুকলি কৰা হয়। ডক্টৰ সূৰ্যেন্দ্ৰ নাথ বৰুৱাই দুবছৰীয়া কাৰ্যকালৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে কোষাধ্যক্ষ ৰামনাথ দাসে আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ দাখিল কৰে। পূৰ্বৰ সমিতিখন ভংগ কৰি ডক্টৰ লক্ষ্মীকান্ত হাজৰিকাক সভাপতি, হৰেন চন্দ্ৰ দাস, লোহিত চন্দ্ৰ দত্তক উপ-সভাপতি, প্ৰতাপ চন্দ্ৰ শৰ্মাক সম্পাদক, আনন্দ দাস, বলীন দাস, বলোৰাম দাস, বিপিন চন্দ্ৰ দাসক সহকাৰী সম্পাদক, নবীনচন্দ্ৰ পাত্ৰক প্ৰকাশন, বন্তিছায়া বৰুৱাক পত্ৰিকা, মেঘালী হাজৰিকাক সাংস্কৃতিক, পৱন বৰাক সাংগঠনিক, পুলিন চন্দ্ৰ দাসক প্ৰচাৰ, গান্ধিৰা দাসক কুঁহিৰ সম্পাদকৰ লগতে ভালেকেইগৰাকীক সদস্যৰূপে লৈ আগন্তুক দুবছৰ শাখা সাহিত্য সভাখন পৰিচালনা কৰিবলৈ সমিতিখন গঠন কৰে।

## দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ বাবে প্ৰস্তুতি, জিলা আয়ুক্তৰ নিৰ্দেশ

# তিনিচুকীয়াত ৩মাহৰ চাউল একেলগে পাব ৰেচন কাৰ্ডৰ হিতাধিকাৰীয়ে

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ মে' :** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্নসেৱা যোজনাৰ চাউল তিনিচুকীয়া জিলাতো এইবাৰ একেলগে অহা তিনি মাহৰ বাবে প্ৰদান কৰা হ'ব। জিলাখনৰ ২,৯৩,২৩৮ টা পৰিয়ালক অহা জুন, জুলাই আৰু আগষ্ট মাহৰ বাবে একেলগে চাউল প্ৰদান কৰা হ'ব। আজি জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত বিভাগৰ এখন পৰ্যালোচনা সভাত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'য়। আবণ্টিত তিনি মাহৰ চাউল অহা ১-১০ জুন তাৰিখলৈকে উদযাপন হব লগা অন্ন সেৱা দিনৰ মাজতে সুচাৰুৰূপে বিতৰণ কৰাৰ বাবে জিলা আয়ুক্ত স্বপ্নীল পালে যোগান বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। কোনো কাৰণতে এই সুবিধা পোৱাৰ ক্ষেত্ৰত হিতাধিকাৰীসকল যাতে অসুবিধাৰ সন্মুখীন হব লগা নহয় আৰু সুলভ মুল্যৰ দোকানীয়ে যাতে ইয়াৰ সুযোগ গ্ৰহণ কৰি দুখীয়া গ্ৰাহকক বঞ্চিত কৰিব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগৰ বিষয়াসকলক আহ্বান জনায়। উক্ত সময়চোৱাত কোনো সুলভ মূল্যৰ দোকানীৰ বিৰুদ্ধে যদি অভিযোগ আহে, তেন্তে তেনে অভিযোগৰ সত্যাসত্যতা নিৰূপণৰ বাবে তৎকালীনভাৱে বিভাগীয় তদন্ত আৰম্ভ কৰি অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৯৫ ৰ জৰিয়তে অপৰাধমূলক গোচৰ ৰজু কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগৰ সংশ্লিষ্ট পৰিদৰ্শকসকলক জিলা আয়ুক্ত পালে নিৰ্দেশ দিয়ে। সকলো গ্ৰাহককে নিজৰ নিজৰ সুলভ মূল্যৰ দোকানৰ পৰা নিজৰ প্ৰমাণিকৃত আঙুলিৰ চাপ দি e-pos মেচিনৰ জৰিয়তে নিজৰ নিজৰ আবণ্টিত চাউল সংগ্ৰহ কৰিবলৈ আয়ুক্ত পালে আহবান জনায়। উল্লেখ্য যে, এইবাৰ প্ৰথমবাৰৰ বাবে আগন্তুক বান আদি দুৰ্যোগজনিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলক একেলগে তিনিমাহৰ চাউল প্ৰদান কৰিবলৈ লোৱা হৈছে। সেয়ে কোনো দুষ্ট চক্ৰৰ কবলত পৰি গ্ৰাহকসকলে যাতে তেখেতসকলৰ প্ৰাপ্যৰ পৰা বঞ্চিত নহয় বা একেলগে অধিক পৰিমাণৰ চাউল পাই দোকানত বিক্ৰী কৰি নিদিয়ে তাৰ প্ৰতিও চোকা নজৰ দিবলৈ যোগান বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত গ্ৰাহকসকলে তেখেতসকলৰ আবণ্টিত সামগ্ৰী সংগ্ৰহ কৰি গোপনে বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হ'লে তেনে গ্ৰাহকসকলৰ ক্ষেত্ৰতো যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে আয়ুক্ত পালে। আচঁনিখনৰ সফল ৰূপায়নৰ বাবে বিস্তাৰিতভাৱে প্ৰচাৰ কৰাৰ বাবে গাওঁপ্ৰধানসকলৰ জৰিয়তে সকলো গ্ৰাহকক অৱগত কৰাৰ ব্যৱস্থা ল'বলৈও জিলা অতিৰিক্ত আয়ুক্ত (ৰাজহ) ক নিৰ্দেশ দিয়ে। লগতে সকলো সুলভ মুল্যৰ দোকানৰ সন্মুখত সকলো গ্ৰাহকৰ বোধগম্য হোৱাকৈ এখন জাননী ফলক আঁৰি ৰখাটো বাধ্যতামূলক কৰিবলৈ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়াৰ লগতে ৰেচনকাৰ্ডৰ প্ৰকৃত হিতাধিকাৰীসকলে খোৱাৰ উপযোগী চাউল সঠিক মাত্ৰাত লাভ কৰাটো নিশ্চিত কৰিবলৈও জিলা আয়ুক্তই যোগান বিভাগৰ পৰিদৰ্শকসকলক নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত জিলাখনৰ সকলো সুলভ মূল্যৰ দোকানী আৰু গ্ৰাহকক নিজৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি চৰকাৰে আগবঢ়োৱা সেৱাৰ সফল ৰূপায়ণত সহায় কৰিবলৈ জিলা আয়ুক্ত স্বপ্নীল পালে এক জাননীযোগে অনুৰোধ জনাইছে। আজিৰ সভাত অতিৰিক্ত আয়ুক্ত লীনা পাৰে, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক বিৰিঞ্চি কুমাৰ দত্তকে আদি কৰি বিভাগৰ সকলো বিষয়া উপস্থিত থাকে।

# শুৱালকুছিৰ ধৃতিস্মা দাসৰ সফলতাত উৎফুল্লিত শিক্ষক-শিক্ষয়িত্ৰী

ই-সংবাদ, শুৱালকুছি, ২১ মে' : যি সময়ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বাবে চৰকাৰী বিদ্যালয় সংকটৰ সন্মুখীন হ'বলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে তেনে সময়তে কামৰূপৰ শুৱালকুছি সনাতন বালিকা  প্ৰাথমিক বিদ্যালয়ে প্ৰত্যাহবান জনাইছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ আগ্ৰাসনক। প্ৰতিবছৰে এই বিদ্যালয়খনে বৃত্তি পৰীক্ষাত সফলতা লাভ কৰি আহিছে। বিদ্যালয়খনৰ শৈক্ষিক পৰিবেশে আকৰ্ষিত কৰিছে অভিভাৱকসকলক। প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীৰ হাতেলিখা আলোচনী প্ৰকাশ কৰাৰ লগতে এখন প্ৰাচীৰ পত্ৰিকাও প্ৰকাশ কৰি আহিছে বিদ্যালয়খনে। তেনে সময়তে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ২০২৪-২৫ চনৰ বাবে আয়োজন কৰা প্ৰজ্ঞান প্ৰতিভাসন্ধানী পৰীক্ষাত শুৱালকুছি সনাতন বালিকা প্ৰাথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী ধৃতিস্মা দাসে গুৱাহাটী মহকুমা ভিত্তিত প্ৰথম পুৰস্কাৰ লাভ কৰি বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছে। ছাত্ৰীগৰাকীৰ এই সফলতাত শিক্ষক-শিক্ষয়িত্ৰীসকল উৎফুল্লিত হৈ পৰিছে। আনহাতে বিদ্যালয়খনৰ বহু মেধা শিক্ষাৰ্থীয়ে নৱোদয় বিদ্যালয়ত অধ্যয়নৰ বাবে স্থান পাবলৈ সক্ষম হৈছে। চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ এই সফলতাত শৈক্ষিক সমাজে ভূয়সী প্ৰশংসা কৰিছে।

# ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক বঁটা প্ৰদান

**ই-সংবাদ, ভৱানীপুৰ, ২১ মে' :** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কেবাগৰাকীও কৃতী শিক্ষাৰ্থীক আজি বঁটা প্ৰদান কৰা হয়। এই উদ্দেশ্যে ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় কেন্দ্ৰৰ কৰ্তৃপক্ষই বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ভৱানীপুৰ কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি টুতুন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি তথা সম্বৰ্ধনা সভাত কেন্দ্ৰৰ তত্বাৱধায়ক অশোক দাসে উদ্দেশ্য ব্যাখ্যা কৰে আৰু বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী তৰালী দাসে আঁত ধৰে। মুকলি তথা সম্বৰ্ধনা সভাত প্ৰাক্তন অভিযন্তা তথা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ গৱৰ্নিং ব'ডিৰ সভাপতি ধনীৰাম তালুকদাৰ, অসম সত্ৰ মহাসভাৰ উপ-সভাপতি প্ৰসেনজিৎ মেধি, অৱসৰী কৃতী শিক্ষক ক্ৰমে-উপেন্দ্ৰনাথ তালুকদাৰ, পুলেন কুমাৰ দাস, খনীন্দ্ৰ পাটোৱাৰী, সৰুপেটাৰ আৰ্যভট্ট একাডেমি ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী মিতালী দাস, ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপাল বায়ন, গ্ৰীনলেণ্ড ইংলিছ স্কুলৰ শিক্ষয়িত্ৰী গীতাঞ্জলি দিহিঙিয়াই অতিথিৰূপে বক্তৃতা প্ৰদান কৰে। সভাত সাংস্কৃতিককৰ্মী ৰবীন দাস, অৱসৰী কৃতী শিক্ষক বাবুল ডেকা, মিনু দাস, ৰবীন কলিতা, শিক্ষক ৰণ্টু কুমাৰ দাস, অচিন্ত্য কুমাৰ দাস, আব্দুল বাৰেক, ছাইফুল ইছলাম, গলিয়া পঞ্চায়তৰ নৱ নিৰ্বাচিত কাউন্সিলৰ অকন কুমাৰ ডেকাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে নিমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভৱানীপুৰ কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ মিহিৰ কলিতাক "ভাৰত চন্দ্ৰ মেধি সোঁৱৰণী বঁটা", সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী জ্যোতিস্মিতা দাসক "সৰোজিনী মেধি সোঁৱৰণী বঁটা" প্ৰদান কৰা হয়। ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিয়মীয়া প্ৰাৰ্থীৰূপে সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী অনিন্দিতা দাস আৰু কৃষ্টি দাসক "আদ্যনাথ পাটোৱাৰী সোঁৱৰণী বঁটা", ভৱানীপুৰ পৰীক্ষা কেন্দ্ৰৰ ভিতৰত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী মিহিৰ কলিতা আৰু জ্যোতিস্মিতা দাসক "ড° নিবেদিতা দাস সোঁৱৰণী বঁটা" আৰু উক্ত দুয়োগৰাকী শিক্ষাৰ্থীকে "প্ৰমীলা বালা তালুকদাৰ সোঁৱৰণী বঁটা", ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত গণিত বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত মৌচম তালুকদাৰ আৰু বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত কৃষ্টি দাসক "থলীধৰ দিহিঙিয়া সোঁৱৰণী বঁটা", ভৱানীপুৰ পৰীক্ষা কেন্দ্ৰৰ ভিতৰত গণিত বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত মানস কাকতি আৰু বিজ্ঞান বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত মিহিৰ কলিতাক "সূৰ্যকান্ত বায়ন সোঁৱৰণী বঁটা", কেন্দ্ৰটোৰ ভিতৰত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত হিমজ্যোতি দাস আৰু জ্যোতিস্মিতা দাসক "বংশীধৰ চৌধুৰী সোঁৱৰণী বঁটা",ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত নিয়মীয়া প্ৰাৰ্থীৰূপে অৱতীৰ্ণ হোৱা অনিন্দিতা দাস আৰু কৃষ্টি দাসক "টিকেন্দ্ৰজিৎ চৌধুৰী সোঁৱৰণী বঁটা" প্ৰদান কৰা হয়।

## কাম তৰান্বিত! কাগজৰ ব্যৱহাৰ প্ৰায় ৮০ শতাংশ হ্ৰাস

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত প্ৰশাসনিক কাম-কাজত কাগজবিহীন ব্যৱস্থা

**ই-সংবাদ, ডিব্ৰুগড়, ২১ মে':** ১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰা মহবিদ্যালয়খনে ১৯৫০ চনত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (চমুকৈ ডি এইচ এছ কানৈ মহাবিদ্যালয়) আৰু ২০২৫ চনৰ ১৭ এপ্ৰিলত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বায়ত্বশাসিত মহবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে। ১৯৪৫ চনৰ পৰা ২০২৫ চনলৈ ৮০ বছৰ গৰকে মহাবিদ্যালয়খনিয়ে। মহাবিদ্যালয়খনত প্ৰযুক্তিৰ উত্তৰণত বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। ২০১৫ চনৰ ১৯ জুনত মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে ড° শশীকান্ত শইকীয়াই যোগদান কৰাৰ পিছত শৈক্ষিক, প্ৰশাসনিক আৰু আন্তঃগাঁথনিৰ আমোল পৰিৱৰ্তন হয়। বিশেষকৈ প্ৰশাসনিক দিশত স্বচ্ছতা বজাই ৰাখিবলৈ মহাবিদ্যালয়খনত ন-ন প্ৰযুক্তিৰ সা-সুবিধা ব্যৱহাৰ কৰা হয়। পাঠদানত শিক্ষাৰ্থীৰ উপস্থিতি অনলাইন মাধ্যমেৰে লোৱাৰ ব্যৱস্থাৰ লগতে ছাত্ৰ একতা সভাৰ নিৰ্বাচনো অনলাইন পদ্ধতিৰে অনুষ্ঠিত হৈ আহিছে মহাবিদ্যালয়খনিত। শেহতীয়াকৈ মহাবিদ্যালয়ৰ প্ৰশাসনিক ক্ষেত্ৰত সকলো কাম কাজ এল এম এছ ছফটৱেৰৰ পদ্ধতিৰে কাগজবিহীনভাৱে পৰিচালনা কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত মহাবিদ্যালয়খনত প্ৰশাসনিক ক্ষেত্ৰত কাগজৰ ব্যৱহাৰ প্ৰায় ৮০ শতাংশ হ্ৰাস হৈছে। মহাবিদ্যালয়খনৰ প্ৰশাসনিক ক্ষেত্ৰত সকলো চৰকাৰী নথি পত্ৰ এল এম এছ ছফটৱেৰৰ পদ্ধতিৰে আদান-প্ৰদান কৰাৰ ফলত প্ৰশাসনিক ক্ষেত্ৰত স্বচ্ছতা বজাই ৰাখিবলৈ সক্ষম হৈছে। আনহাতে সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত 'জেম' পদ্ধতিৰে ক্ৰয় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ ফলত মহাবিদ্যালয়খনত কাম কাজ কৰাত যথেষ্ট সহজ হৈ পৰিছে। এল এম এছ ছফটৱেৰৰ যোগেদি প্ৰশাসনিক কাম কাজ পৰিচালনা কৰাৰ ফলত কামৰ গতি পূৰ্বতকৈ অধিক ত্বৰান্বিত আৰু খৰতকীয়া হৈছে। মহাবিদ্যালয়খনত এনে প্ৰযুক্তিৰে প্ৰশাসনিক কাম কাজ পৰিচালনা কৰাত মহাবিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল আনন্দিত হোৱাৰ লগতে অভিভাৱকসকলেও সন্তোষ প্ৰকাশ কৰিছে। উল্লেখ্যযে স্বায়ত্বশাসিত মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰাৰ পিছত মহাবিদ্যালয়খনত চাৰিটাকৈ নতুন বিষয়ৰ পাঠ্যক্ৰম ক্ৰমে 'বায়'টেকন'লজি', 'জাৰ্নেলিজিম আৰু মাচ কমিউনিকেশ্যন', 'পাৰফৰমিং আৰ্ট', 'টি এন্ড এগ্ৰ' ষ্টাডিজ' নতুনকৈ সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ যোগেদি তেনে বিষয়ৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি জানিব পৰা গৈছে।

# পশ্চিম কাৰ্বি আংলঙত ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজয়নাথ বাছফৰ

**ই-সংবাদ, বৈঠালাংছ', ২১ মে':** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰাণালয়ৰ অন্তৰ্গত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজয়নাথ বাছফৰে বুধবাৰে পশ্চিম কাৰ্বি আংলঙৰ হামৰেণত উপস্থিত হৈ জিলাখনৰ চাফাই কৰ্মচাৰীৰ সৈতেৰ এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় । উক্ত বৈঠকত পশ্চিম কাৰ্বি আংলঙৰ জিলা প্ৰশাসন, বৈঠালাংছ', হামৰেণ আৰু ডংকা পৌৰসভাৰ নৱনিৰ্বাচিত তদৰ্থ সমিতিখন আৰু প্ৰতিগৰাকী চাফাই কৰ্মচাৰী উপস্থিত থাকে। বৈঠকত পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাও উপস্থিত থাকি পৌৰসভাখনিৰ অন্তৰ্গত প্ৰতিটো অঞ্চল পৰিষ্কাৰ-পৰিচন্নতাৰে ৰখাৰ লগতে চাফাই কৰ্মৰ সৈতে জড়িত চাফাইকৰ্মীসকলৰ বিভিন্ন সা-সুবিধা, নুন্যতম পাৰিশ্ৰমিক, সামাজিক সুৰক্ষা, যৌন নিৰ্যাতনৰ বিষয়সমূহৰ লগতে সুৰক্ষা সামগ্ৰীৰসমূহ প্ৰদানৰ ওপৰতো বিশদ আলোচনাত মিলিত হয় । আনহাতে, বৈঠকত অংশগ্ৰহণ কৰি অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰাণালয়ৰ অন্তৰ্গত অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজয়নাথ বাচফৰে কয় যে- অসমৰ আদৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমত পোনপ্ৰথমবাৰৰ বাবে অসম



ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ নিয়োগ কৰিছে। ইতিমধ্যে কুৰিখন জিলাৰ চাফাই কৰ্মচাৰীৰ লগত মিলিত হৈ বিভিন্ন অভাৱ অভিযোগৰ বুজ লৈ আহিছোঁ। আজি পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণৰ আৰৱৰ্ত ভৱনত পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্তৰ লগতে বৈঠালাংছ', হামৰেণ আৰু ডংকা পৌৰসভাৰ নৱনিৰ্বাচিত তদৰ্থ সমিতিখন আৰু প্ৰতিগৰাকী চাফাই কৰ্মচাৰীৰ লগত মুখামুখি এক পৰ্যালোচনাত মিলিত হৈ আপ্লুত হৈ পৰে। জিলা আয়ুক্ত সাৰঙ্গপানী শৰ্মাৰ তৎপৰতা আৰু কৰ্ম দক্ষতাত ভুয়সী প্ৰশংসা কৰি চাফাই কৰ্মচাৰীসকলৰ ভিন্ন আসোঁৱাহবোৰ তাৎক্ষণিকভাৱে সমাধান উলিয়াই সিবোৰ দূৰ কৰাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হয় বুলি জানিবলৈ দিয়ে অধ্যক্ষ বৈজয়নাথ বাছফৰে।

# কোন হ'ব বৰমপুৰ পঞ্চায়তৰ সভাপতি? চৰ্চাৰ শীৰ্ষত বিনয় ডেকা

**ই-সংবাদ, দুনী, ২০ মে':** দৰং জিলা ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰমপুৰ পঞ্চায়তখন জিলাখনৰ ভিতৰতে অন্যতম। ১০ গৰাকী ৱাৰ্ড সদস্যৰে গঠিত হ'বলগীয়া পঞ্চায়তখনৰ সভাপতি হিচাপে কোন নিৰ্বাচিত হ'ব ইয়াকে লৈ উৎসুক হৈ পৰিছে জনতা। ৩ নম্বৰ সৰাবাৰী বৰমপুৰ অংশৰ সদস্য হিচাপে বিনয় ডেকাই বিপুল ভোটৰ ব্যৱধানত বিজয়ী হৈছে। ইতিমধ্যে নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুযায়ী নিৰ্বাচিত পঞ্চায়তৰ সদস্যসকলৰ পৰাই নিৰ্বাচিত বা মনোনীত হ'ব সভাপতিগৰাকী। ১০ গৰাকী সদস্যৰে গঠিত হ'বলগীয়া বৰমপুৰ পঞ্চায়তৰ সভাপতিৰ আসনত বহিব কোন? কোন সেই ভাগ্যৱান ব্যক্তিগৰাকী? ইয়াকে লৈ ৰাইজৰ মাজত সঘনে চলিছে গুণাগুঁথা । অৱশ্যে সভাপতি হিচাপে সঘনে চৰ্চিত হৈ আছে বিনয় ডেকাৰ নাম। জল্পনা কল্পনাৰ শীৰ্ষত আছে বিনয় ডেকা। ছাত্ৰ নেতাৰ পৰা ৰাজনৈতিক পথাৰখনলৈ এক দীঘলীয়া যাত্ৰাৰে বিনয় ডেকাই সামাজিক ক্ষেত্ৰখনত এক অনবদ্য অৱদান আগবঢ়াই আহিছে। ২১ নং বৰমপুৰ পঞ্চায়ত সদস্য হিচাবে নিৰ্বাচিত লোকসকল ক্ৰমে বিনয় ডেকা, ৩নং সাৰাবাৰী বৰমপুৰ,পল্লৱী ডেকা, বানেইকুছি (খ) অংশ, অমৰেন্দ্ৰ হাজৰিকা, বানেইকুছি (ক) অংশ, জোনমণি শইকীয়া, পোটাপুখুৰী (ক) অংশ, চাৰু চহৰীয়া বড়া, পোটাপুখুৰী (খ) অংশ, মনিন্দ্ৰ দাস, হীৰাপাৰা, মঃ জাহিদুল হক, আঠকুৰীয়া, ঘিলাকুৰী অংশ, মিছ নিৰুচা বেগম, নিজ বৰমপুৰ অংশ, ৰুমিবেগম, ঘিলাকুৰী অংশ আৰু নাজমিন চুলতানা বেগম, অঠকুৰীয়া। ১০ গৰাকী নৱ নিৰ্বাচিত সদস্যৰ ভিতৰত কেইবাগৰাকীও সভাপতি পদৰ বাবে যোগ্য ব্যক্তি আছে যদিও বিনয় ডেকাৰ নাম বহুলভাৱে চৰ্চাৰ শীৰ্ষত আছে। উল্লেখ্য যে বিনয় ডেকাই সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ (আক্ৰাছু) প্ৰাক্তন সম্পাদক (২০২২-২০২৪) চনলৈ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন আঞ্চলিক নেতা, দৰঙী বহুমুখী কৃষি সমবায় সমিতিৰ কাৰ্যালয় সম্পাদক, বৰমপুৰ জাতীয় বিদ্যালয় পচিলনা সমিতিত সদস্য, বৰমপুৰ থিয়েটাৰ পৰিচালনা সমিতিৰ এগৰাকী সম্পাদক, বৰমপুৰ জ্যোতি যুৱক সংঘৰ বিষয়ববীয়া, শ্ৰী শ্ৰী বামুন্দ্ৰিয়া সত্ৰৰ কাৰ্যনিৰ্বাহক সদস্য, কেৰলীয়াহাটী সত্ৰৰ সম্পাদক, সৰাবাৰী বৰমপুৰ যুৱ সমাজৰ সম্পাদক, নগাঁও নৈঘাট সাপ্তাহিক বজাৰ পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক হোৱাৰ লগতে বৰমপুৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। বৰমপুৰ পঞ্চায়তৰ ভিতৰত সৰ্বাধিক ভোটত বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হোৱা বিনয় ডেকাক লৈ জিলা বিজেপিয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ

**ই-সংবাদ বিশেষ, মাজুলী, ২০ মে':** মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লোহিত খাৰলু গাঁও পঞ্চায়তৰ পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ বিদ্যালয় গৃহৰ নিৰ্মাণ কাৰ্য আজি শুভাৰম্ভ কৰা হয়। লোহিত খাৰলু আঞ্চলিকৰ অন্তৰ্গত মিচিং স্বায়ত্তশাসিত পৰিষদৰ পৰা আবণ্টিত অতিৰিক্ত পুঁজিৰে নিৰ্মাণ হ'ব লগা উক্ত পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ আজি শুভ উদ্বোধন কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সদস্য তথা এম এম কে'ৰ কেন্দ্ৰীয় সমিতিৰ সদস্য মুকুল পেগুৱে। আজি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত নিৰ্মাণ কাৰ্য শুভাৰম্ভ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে টি এম পি কে'ৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি গোবিন পেগু, শিক্ষা সম্পাদক সঞ্জীৱ চিৰাং, টি এম পি কে'ৰ লোহিত খাৰলু আঞ্চলিক সমিতিৰ সভাপতি আনন্দ পেগু, এম এম কে'ৰ সভাপতি জিতেন মিলি আৰু সম্পাদক ৰনোজ পেগু আৰু টি এম পি কে'ৰ মেডিয়া কোষৰ সম্পাদক কৃষ্ণকান্ত টাইড, নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন সহকাৰী প্ৰধান শিক্ষক সঞ্জীৱ পায়েং, পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাং, সহকাৰী শিক্ষক তথা লোহিত খাৰলু অঞ্চলৰ জ্যেষ্ঠ সংগঠন দ্বীপেন পায়েং আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ কনিষ্ঠ অভিযন্তা নিকুঞ্জ পেগু, ১নং বৰালিমৰা ৱাৰ্ডৰ পঞ্চায়ত সদস্যা উনচে পেগু, ৩নং পাথৰিচুক ৱাৰ্ডৰ সদস্য ফিৰোজ পায়েং, ৫নং উত্তৰ ডাম্বোকীয়াল ৱাৰ্ডৰ সদস্য অনিল মিলি আৰু পাথৰিচুক উন্নয়ন সমিতিৰ লগতে ৰাইজ উপস্থিত থাকে। পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাঙে আঁত ধৰা উক্ত শুভাৰম্ভ অনুষ্ঠানত মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সদস্য মুকুল পেগুৱে প্ৰাককলন অনুসৰি সঠিকভাৱে উক্ত বিদ্যালয় গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে অমিয় কুমাৰ চিৰাঙে।

# অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত অনিয়ম, জিলা আয়ুক্তক অভিযোগ

**ই-সংবাদ, দলগাঁও, ২০ মে':** দৰং জিলাৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত শ্যামটিলা গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিত ব্যাপক অনিয়মৰ অভিযোগ উত্তথপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, গাঁও পঞ্চায়তখনৰ আটাইকেইখন গাঁৱতেই যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি বহু অযোগ্য লোকক বাছনি তালিকাত স্থান দিয়া হৈছে বুলি অভিযোগ উঠিছে। নৱ নিৰ্বাচিত পঞ্চায়ত সদস্যসকলে আজি পঞ্চায়ত সচিবক লিখিত অভিযোগ দাখিল কৰি ইয়াৰ প্ৰতিলিপি দলগাঁও সমজিলা আৰু দৰং জিলা আয়ুক্তলৈ প্ৰেৰণ কৰি তালিকান নিকা কৰাৰ লগতে ডিজিটাইজ নকৰিবলৈ অনুৰোধ জনায়।

# 'পাকিস্তান জিন্দাবাদ' মঙলদৈত গ্ৰেপ্তাৰ যুৱক

**ই-সংবাদ, দুনী, ২০ মে':** সামাজিক মাধ্যমত পাকিস্তানৰ পতাকাসহ শত্ৰু দেশৰ পক্ষত জিন্দাবাদ লিখি আজি দৰং আৰক্ষীৰ হাতত কৰায়ত্ত হয় মঙলদৈৰ এজন প্ৰব্ৰজিত মূলৰ যুৱক। যুৱকজনক মঙলদৈ চহৰৰ সমীপৱৰ্তী দক্ষিণ বাঘপৰি চৰৰ চোবান আলীৰ পুত্ৰ হবিবৰ ৰহমান বুলি চিনাক্ত কৰা হৈছে। লক্ষণীয় যে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা পাকিস্তানৰ পক্ষত জিন্দাবাদ দি ইতিমধ্যে ৭১ টা দেশদ্ৰোহী তথা পাকিস্তানৰ সমৰ্থক ৰাজ্যৰ আৰক্ষীৰ হাতত কৰায়ত্ত হৈছে। মঙলদৈত হবিবৰক গ্ৰেপ্তাৰৰ পিছত এই সংখ্যা ৭২ লৈ বৃদ্ধি পালে। উল্লেখ্য যে দৰং আৰক্ষীৰ চাইবাৰ চেলৰ ছাৰ্ভিলেন্স টীমে আজি পুৱাতে সামাজিক মাধ্যমত কোনো বিশেষ পোষ্টত বিতৰ্কিত মন্তব্যসহ পাকিস্তানৰ পতাকা আপডেট কৰা প্ৰত্যক্ষ কৰে। এলএক্ষ হবিবুৰ জনী কিং ১১৩ আজব নামবিশিষ্ট পোষ্টকাৰীৰ বিৰুদ্ধে লগে লগে তৎপৰ হৈ পৰে দৰং আৰক্ষী। তদুপৰি মঙলদৈ থানাত সুকীয়া গোচৰ এটাও ৰুজু কৰি আৰম্ভ কৰে অভিযান। এই অভিযানৰ সময়তে দক্ষিণ বাঘপৰিৰ পৰা কৰায়ত্ত হয় দেশৰ শত্ৰু ৰাষ্ট্ৰক সমৰ্থনকাৰী। ইতিমধ্যে, মঙলদৈ থানাই কৰায়ত্ত কৰা হবিক আবেলিৰ ভাগত আদালতত হাজিৰ কৰোৱা হয় আৰু ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। স্বাভাৱিকতে জিলাখনত এতিয়ালৈ দুজনকৈ যুৱক এনে দেশবিৰোধী কাণ্ডৰে জড়িত হৈ ৰঙাঘৰত আলহী হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে এনে আচৰণ প্ৰদৰ্শন নকৰিবলৈ আহ্বান জনোৱাৰ পিছতো সামাজিক মাধ্যমযোগে প্ৰত্যাহ্বান জনাবলৈ ৰঙাঘৰৰ আলহী হৈছে অৰ্ধশতাধিক। ইপিনে, সামাজিক মাধ্যমত হবিবৰ কৰায়ত্ত হোৱাৰ বাতৰি প্ৰকাশৰ পিছতে অধিকাংশ নেটিজেনে পাকিস্তানলৈ প্ৰেৰণৰ দাবী তুলিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মৰিগাঁৱত প্ৰাইজমাণি ক্ৰিকেট খেলৰ আয়োজন

**ই-সংবাদ ক্ৰীড়া সেৰা, নগাঁও, ২১ মে':** মৰিগাঁও জিলাৰ জালুগুটি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ২৪ মে'ৰ পৰা এখনি জিলা ভিত্তিত আন্তঃগাঁও প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জালুগুটি আঞ্চলিক ছাত্ৰ সন্থাই শিক্ষা আৰু সাংস্কৃতিক দিশৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰতো সকলোকে আগবঢ়ায় নিয়াৰ বাবে এনেধৰণৰ প্ৰয়াস কৰি আহিছে। জালুগুটি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আব্দুল চালাম, সাধাৰণ সম্পাদক তনবীৰ মেহতাব আৰু খেল সম্পাদক হবিবুৰ ৰহমানে জানিবলৈ দিয়ামতে সীমিত অভাৱৰ এই প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰৰূপে নগদ-বাৰ হাজাৰ টকা আৰু ট্ৰফী, দ্বিতীয় পুৰস্কাৰৰূপে নগদ- আঠ হাজাৰ টকা সহ ট্ৰফী আগবঢ়োৱা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক দলসমূহক শীঘ্ৰে নিৰ্ধাৰিত ভৰ্তি মাছুলসহ আয়োজক সমিতিৰ সৈতে যোগাযোগ কৰিবলৈ লগতে অনুৰোধ কৰা হৈছে। যোগাযোগৰ ফোন নং- ৬০০২৩৫৭২২৭, ৯৩৬৫৭১৯৮০৬, ৭৫৭৭৯২৫৮১৬।

# বিকৃত ৰূপত উপস্থাপন বৈভৱ-প্ৰীতিৰ ফটো!

**জয়পুৰ, ২১ মে':** ৰাজস্থান ৰয়েলছ আৰু পঞ্জাব কিংছৰ মাজত অনুষ্ঠিত হোৱা মেচখনৰ পাছত এক হৃদয়স্পৰ্শী মুহূৰ্তত সৃষ্টি হ'ল বিতৰ্কৰ। খেলখনৰ অন্তত পঞ্জাব কিংছৰ স্বত্বাধিকাৰী প্ৰীতি জিণ্টাই ৰাজস্থানৰ যুৱ প্ৰতিভা বৈভৱ সূৰ্যবংশীক সৌজন্য সাক্ষাৎ কৰে। কিন্তু সেই দৃশ্যটো বিকৃত কৰি ছ'চিয়েল মিডিয়াত ভাইৰেল কৰে কোনোৱে। তাৰ পিছতে ক্ষোভ প্ৰকাশ কৰিছে প্ৰীতি জিণ্টাই। এক্স হেণ্ডেলত প্ৰীতিয়ে লিখিছে, "এইখন বিকৃত ছবি আৰু সম্পূৰ্ণ ভুৱা বাতৰি। মই আচৰিত হৈছো যে আনকি কিছুমান সংবাদ মাধ্যমেও সেই বিকৃত ছবিখন ব্যৱহাৰ কৰি বাতৰি প্ৰকাশ কৰিছে!" তেওঁ আৰু লিখিছে, "কোনোবাই স্পৰ্শকাতৰ প্ৰসংগ এটাক কেনেকৈ বিকৃত কৰি এনেদৰে ভাইৰেল কৰি তুলিব পাৰে?" কিন্তু পিছত ছ'চিয়েল মিডিয়াৰ পৰা বিতৰ্কিত ফটোখন আঁতৰাই দিয়া হয়।



আইপিএল ২০২৫: দিল্লী কেপিটেলছৰ বিৰুদ্ধে দৰ্শনীয় শ্বট মুম্বাই ইণ্ডিয়ানছৰ তিলক বাৰ্মাৰ, বুধবাৰে

## এতিয়াও এদিনীয়া ক্ৰিকেটৰ প্ৰতি প্ৰস্ফুটিত দৰ্শকৰ ভালপোৱা

# আইচিচি চেম্পিয়নছ ট্ৰফীয়ে গঢ়িছে দৰ্শকৰ উপস্থিতিৰ অভিলেখ

**মুম্বাই, ২১ মে':** কোনোপধ্যেই হ্ৰাস পোৱা নাই এদিনীয়া ক্ৰিকেটৰ জনপ্ৰিয়তা। সদ্য সমাপ্ত আইচিচি চেম্পিয়নছ ট্ৰফীয়ে যেন প্ৰমাণ কৰিলে সেই কথা। টেষ্ট ক্ৰিকেটৰ পুনৰ উত্থান আৰু টি-২০ ক্ৰিকেটৰ আধিপত্যৰ লগে লগে এদিনীয়া ক্ৰিকেটৰ ভৱিষ্যতক লৈ বহু প্ৰশ্নৰ উত্থাপন হৈ আহিছে যদিও শেহতীয়া পৰিসংখ্যাই নজিৰ গঢ়িছে ক্ৰিকেটৰ জনপ্ৰিয়তাত। শেহতীয়াকৈ আইচিচিৰ এক প্ৰতিবেদন অনুসৰি পাকিস্তান আৰু ডুবাইত আয়োজিত ২০২৫ চনৰ চেম্পিয়নছ ট্ৰফীয়ে দৰ্শকৰ সংখ্যাৰ ক্ষেত্ৰত ইতিহাসৰ সকলো অভিলেখ ভংগ কৰিছে। আইচিচিৰ তথ্য অনুসৰি এইবাৰৰ চেম্পিয়নছ ট্ৰফী সমগ্ৰ বিশ্বতে মুঠ ৩৬৮ বিলিয়ন মিনিট চোৱা হৈছিল। যিটো ২০১৭ চনৰ তুলনাত ১৯ শতাংশ বেছি। প্ৰতি অভাৱত গড় দৰ্শকৰ সংখ্যা আছিল ৩০৮ মিলিয়ন মিনিট, যিটো পূৰ্বৰ ছিজনৰ তুলনাত ৫২ শতাংশ বৃদ্ধি। ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছে যে এদিনীয়া ফৰ্মেটত ক্ৰিকেটৰ প্ৰতি আগ্ৰহ এতিয়াও যথেষ্ট প্ৰবল। এইবাৰৰ চূড়ান্ত খেলখনৰ প্ৰতি দৰ্শকৰ আগ্ৰহ বিশেষভাৱে আকৰ্ষণীয় আছিল। মাত্ৰ এখন মেচতে দৰ্শকে ৬৫.৩ বিলিয়ন মিনিট খেল উপভোগ কৰিছিল, যিটো চেম্পিয়নছ ট্ৰফীৰ ইতিহাসত সৰ্বাধিক। আইচিচিৰ তথ্য অনুসৰি আইচিচিৰ অনুষ্ঠানৰ ভিতৰত ইয়াৰ দৰ্শকৰ সংখ্যা তৃতীয় সৰ্বাধিক। এই তথ্য প্ৰকাশ পোৱাৰ পিছত আইচিচিৰ অধ্যক্ষ জয় শ্বাহে কয়, "এই পৰিসংখ্যাই প্ৰমাণ কৰে যে সমগ্ৰ বিশ্বতে ক্ৰিকেটৰ প্ৰতি প্ৰেম বাঢ়িছে।" প্ৰসংগক্ৰমে এইবাৰৰ চেম্পিয়নছ ট্ৰফীৰ কেইবাখনো গুৰুত্বপূৰ্ণ মেচ বৰষুণৰ বাবে বাতিল কৰা হৈছিল। আয়োজক পাকিস্তান আৰু বাংলাদেশৰ মাজত খেলখনো সেই তালিকাত আছিল। তথাপিও দৰ্শকৰ সংখ্যাৰ এনে আচৰিত বৃদ্ধিয়ে আকৌ এবাৰ প্ৰমাণ কৰে যে এদিনীয়া ক্ৰিকেটে এতিয়াও দৰ্শকক ধৰি ৰাখিবলৈ সক্ষম হৈছে।

# জিএমচিএইচৰ মৰ্গত প্ৰায় ১৮ বছৰীয়া অচিনাক্ত যুৱকৰ মৃতদেহ

**ই-সংবাদ, গুৱাহাটী, ২১ মে':** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মৰ্গত পৰি ৰৈছে এজন অচিনাক্ত যুৱকৰ মৃতদেহ। ১১ দিন ধৰি মৃতদেহটো আৰক্ষীয়ে চিনাক্ত কৰিব নোৱাৰিলে। ১০ মে'ৰ সন্ধিয়া প্ৰায় ৭.৪০ বজাত মহানগৰীৰ বশিষ্ঠত এখন অজ্ঞাত ট্ৰাকৰ খুন্দাত আহত হৈছিল যুৱকজন। প্ৰায় ১৮ বছৰীয়া অজ্ঞাত পথচাৰীজনক খুন্দা মৰাৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত ১০৮ এম্বুলেন্সৰ জৰিয়তে গুৱাহাটীৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাইছিল বশিষ্ঠ আৰক্ষীয়ে। চিকিৎসাধীন অৱস্থাত যুৱকজনে প্ৰাণ ত্যাগ কৰিছিল। আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষা কৰাৰ অন্তত মৃতদেহটো মৰ্গত ৰাখিছে। এই পৰ্যন্ত মৃতদেহটো বিচাৰি কোনো লোক অহা নাই। মহানগৰ আৰক্ষীৰ যান-বাহন শাখাৰ পৰা জানিব পৰা মতে, অভিভাৱক নোলোৱাত অৱশেষত মৰ্গৰ পৰা মৃতদেহটো গৱাকীৰ বাবে ৰখা হৈছে। মৃতদেহ চমজি ল'বলৈ অভিভাৱক আহিব বুলি ৰখা হৈছে। মৰ্গত থকা মৃতদেহটো এই পৰ্যন্ত আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই আৰু অভিভাৱকে আৰক্ষীৰ সৈতে যোগাযোগ কৰা নাই। যাৰ বাবে বিমোৰত পৰিছে আৰক্ষী। জানিব পৰা মতে, ১০ মে'ত বশিষ্ঠ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাত দুৰ্ঘটনা সংঘটিত হৈছিল। ফলত যুৱকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত যুৱকজন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও অচিনাক্ত যুৱকজনৰ মৃত্যু হয়। প্ৰায় ১৮ বছৰীয়া অচিনাক্ত যুৱকজনৰ শৰীৰটো মৰ্গত ৰখা হৈছে।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি